# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ১৪/০৩/২০২৩ মঙলবাৰ**

---

**আজি ইংৰাজী ১৪-০৩-২০২৩ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ অধিৱেশন ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-২১। কৰিম উদ্দিন বৰভূঞা।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী কৰিম উদ্দিন বৰভূএগ্ৰা, (সোণাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত দিয়া মতে কিমানখিনি কাম চলি আছে আৰু কিমানখিনি কাম চলিব সেইখিনিত মই সন্তুষ্ট হৈছো। মই মোৰ পৰিপূৰক প্ৰশ্নটো একেবাৰে কৰিছো। যিখিনি অঞ্চলত ১০-১৫-২০-৩০ জনমান বসবাস কৰে, তেনেকুৱা সংখ্যা বসবাস কৰা অঞ্চলসমূহ ৰৈ গৈছে। তাৰ বাবে চৰকাৰে কিবা চিন্তা-চৰ্চা কৰিছে নেকি? দ্বিতীয় পৰিপূৰক প্ৰশ্নটো হৈছে যে এটা স্কীমত End point ত ধৰক দুই পাৰ্টৰ স্কীমৰ দুয়োকাষে ৩ কিলোমিটাৰ দূৰত্বত ৪০০ ঘৰ পৰিয়ালৰ হিতাধিকাৰীৰ টাৰ্গেট ৰাখিছে। তাত চাব সোঁ আৰু বাওঁকাষে কিছুমান ১০-১৫-২০-৩০ পৰিয়ালত End point লৈকে ভালকৈ পানী গৈ নাপায়। তাৰ কাৰণটো কিবা ওলাইছে নেকি? কিছুমান আঁচনিত মই PHE হিচাবে গোটেই অসমত গৈ চাইছো আৰু দেখিছো যে ২০ শতাংশ পানী মোটামুটি End point লৈকে নাযায়। তাৰ কাৰণে চৰকাৰে কিবা চিন্তা কৰিছে নেকি? এইখিনিয়েই মোৰ জানিবলগীয়া।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সন্মানীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে ২০ ঘৰৰ তলত কেন্দ্ৰীয় চৰকাৰৰ জল জীৱন আঁচনিৰ যেতিয়া আমি ডি পি আৰ বনাইছিলো বা আমাৰ গোটেই হেবিটেশ্যনসমূহ ক'ভাৰ কৰিছিলো তেতিয়া ২০ হাউচ হোল্ডৰ তলৰ এৰিয়াবিলাক চৰকাৰৰ জল জীৱন মিশ্যন আঁচনিৰ অধীনস্থ হোৱা নাছিল। মাত্ৰ ২০ ঘৰৰ তলত য'ত মানুহ আছে তাত জল জীৱন আঁচনি কৰিব পৰা নাই। কিন্তু কেন্দ্ৰীয় চৰকাৰক আমি আগ্ৰহ ৰাখিছিলো যে অসমত খুব পাতল জনসংখ্যা থকা বহু অঞ্চল আছে য'ত জল জীৱন মিশ্যন আঁচনিৰ প্ৰয়োজন আছে। এতিয়ালৈকে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা সঠিক নিৰ্দ্দেশনা পোৱা নাই। কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দ্দেশ এইটো আছে যে প্ৰথম এই কামখিনি হৈ যোৱাৰ পিছত যদি তেনেকৈ অলপ জনসংখ্যা কৰ'বাত ৰৈ যায়, তেতিয়া আমি SOPD ৰ পৰা বা ৰাজ্য চৰকাৰৰ বাজেটৰ পৰা কৰাৰ পৰিকল্পনা কৰিব পাৰো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সেই আগ্ৰহটো ৰাখিছে। গতিকে আমি ভৱিষ্যতৰ দিনত প্ৰথম আমি ২০২৪ চনত ৬৭ লাখ পৰিয়ালক জল জীৱন মিশ্যন আঁচনিৰ অধীনত সামৰি লৈ এই কামটো কৰি লওঁ। তাৰ পিছত হয়তো ২০ ঘৰৰ তলত থকা জনসংখ্যা অলপ ৰৈ যাব। হয়তো ৫০ হাজাৰ বা ১ লাখ জনসংখ্যা ৰৈ যাব। সেইখিনি জনসংখ্যা হয়তো ৰাজ্য চৰকাৰৰ বাজেটৰ পৰা কৰিব পাৰে আৰু দ্বিতীয়তে সদস্য গৰাকীয়ে যিটো কথা কৈছে যে কিছুমান স্কীমত শেষলৈকে পানীৰ ফ'ৰ্চ বা পানী

ঠিকমতে  পোৱাৰ অসুবিধা এটা আছে। ইয়াত এটা কথা হৈছিল  যে যেতিয়া আমি প্ৰথম অৱস্থাত কাম কৰিছিলো তাত হইড্ৰ'লিক চাৰ্ভে বা ডি পি আৰ এজেঞ্চিসমূহে যি ধৰণে কাম কৰিব লাগিছিল তাত অকনমান খুব দৌৰা-দৌৰিকৈ কাম কৰাৰ কাৰণে প্ৰবলেম এটা হৈছে যে শেষলৈকে হইড্ৰ'লিক চাৰ্ভে হ'ব লাগে, তাত পানীৰ গ্ৰেডিয়েণ্টটো কোনফালে ক'ত যাব, পানীৰ ফ'ৰ্চটো থাকিব নে নাই, এইবিলাক চাব লাগিছিল, তাত হয়তো ডি পি আৰ এজেঞ্চিবিলাকে অলপ ভূল কৰিছিল। সেই কাৰণে কৰ'বাত কৰ'বাত অলপ অসুবিধা এটা হৈছে। তাৰ পিছত আমি ৰেক্টোফিটিং এক্সটেনশ্যন হিচাবে         কাম কৰিছিলো আৰু  ৰেক্টোফিটিঙৰ এক্সটেনশ্যন কাম কৰি কিছু সমস্যাৰ সমাধান হৈছো। এশ শতাংশ সমস্যা সমাধান হোৱা বুলি মই নকওঁ। এতিয়া যিখিনি নতুনকৈ আমি ৰেক্টোফিটিঙৰ এক্সটেনশ্যন কৰিছো তাত হয়তো এই সমস্যাবিলাক সমাধান হৈ যাব। কিছু পৰিমাণে ৰৈ যাব পাৰে আৰু সেই ৰৈ যোৱাখিনিৰ বিহীত ব্যৱস্থা কেনেকৈ হ'ব পাৰে সেইসময়ত চিন্তা কৰিব লাগিব আৰু মই ভাৱো এই সমস্যাবিলাক চৰকাৰৰ দৃষ্টিগোচৰ বা আমাৰ বিভাগৰ দৃষ্টিগোচৰ। সমস্যা সমাধানৰ কাৰণে আমি ব্যৱস্থা নিশ্চয়কৈ লম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশ্ন নং-২২ । মাননীয় সদস্য তেৰছ গোৱালা।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীতেৰছ গোৱালা, (দুলীয়াজান)** ঃ মাননীয় অধ্যক্ষ মহোদয়,  মই বিচৰা প্ৰশ্নসমূহৰ উত্তৰ সমূহ পাইছো। তাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। দুটা কথা মই জানিব বিচাৰিছো যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে সকলো গাওঁৰ দুখীয়া লোকৰ কাম কৰিছে। সেই কাৰণে পঞ্চায়তত যিখিনি মেন পাৱাৰ লাগে, সচিব, জি আৰ এচ, জি পি সেইখিনি দুলীয়াজান সমষ্টিত বহু কম আছে। বহুতো ডুৱেল চাৰ্জত আছে। যাৰ কাৰণে কামখিনি কৰিব পৰা নাই। এই সকল লোকক কেতিয়া নিযুক্তি দিয়া হ'ব? দ্বিতীয়টো হ'ল শ্বহীদ কোশল কোঁৱৰ বৃদ্ধ পেঞ্চনৰ কাম বন্ধ হৈছে নে চলি আছে? কাৰণ মই যোৱা তিনি বছৰ ধৰি আবেদনবোৰ পঠিয়াইছো। কিন্তু কোনো ৰিজাল্ট পোৱা নাই। পঞ্চায়তসমূহ যিহেতু বৰ্তমান অন লাইন হৈছে, কিন্তু তাত ইণ্টাৰনেট বহু দুৰ্বল হৈ আছে, নেটসমূহ সক্ৰিয় কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ বিভাগত যিসমূহ খালী আছে, বিশেষকৈ আমাৰ পঞ্চায়ত চেক্ৰেটাৰীৰ পদ খালী হৈ আছে, সেই বিষয়ে আমি সকলোৱে জানো। সেইখিনি নিযুক্তি দিয়াৰ বাবে আমাৰ Direct Recruitment Board ৰ লগত যোগাযোগ কৰা হৈছে আৰু Direct Recruitment Board অতি শীঘ্ৰে আমাৰ জি আৰ এচ, পঞ্চায়ত চেক্ৰেটাৰী বা টেক্স কালেক্টৰৰ পদত নিযুক্তি দিব পাৰিব। এতিয়ালৈকে আমাৰ বিভাগৰ পদ খালী হৈ আছে ৫৬২ টা। এইখিনি সম্পূৰ্ণ হ'লে নিশ্চিতভাৱে আমাৰ সেই অভাৱবোৰ দূৰ হ'ব বুলি মই আশাবাদী। শ্বহীদ কোশল কোঁৱৰ বৃদ্ধ পেঞ্চনৰ যিটো কথা ক'লে এইটো আচলতে বন্ধ হৈ থকা নাই। আজি কিছুদিন আগতে মই বজালী ব্লকত যিসকল লোকৰ ৬০ বছৰ পাৰ হৈ গৈছে কিন্তু পোৱা নাই,সেইসকলক পঞ্চায়ত চেক্ৰেটাৰী আৰু প্ৰতিনিধিৰ জৰিয়তে  চাৰ্ভে কৰাই মই তাঁলৈ মাতিছিলো।  মই দুদিনৰ ভিতৰত ১০৬২জন মানুহক বৃদ্ধ পেঞ্চনৰ কাম কৰাই দিছিলো। এইদৰে যদি আপোনালোকেও জিলাৰ চাৰ্কোল অফিচাৰ আৰু বি ডি অ'ৰ লগত যোগাযোগ কৰি সেইখিনি কাম কৰে, নিশ্চিতভাৱে আমাৰ বৃদ্ধ লোকসকলক

এটা সেৰা কৰা হ'ব। এইটো বন্ধ হৈ থকা নাই, এইটো চলি আছে। মই আজি সদনৰ মজিয়াত সকলো মাননীয় সদস্যক আহ্বান জনাইছো যে আপোনালোকৰ অঞ্চলত থকা যিসকল লোকৰ ৬০ বছৰ পাৰ হৈ গৈছে তেওঁলোকক আপোনালোকে নিজেও অলপ আগভাগ লৈ যদি তেওঁলোকক মাতি আনি চাহ একাপ খোৱাই আৰু তাতেই তেওঁলোকৰ দুদিন-তিনিদিনৰ ভিতৰত ৰেজিষ্ট্ৰেশ্যন হৈ যাব। ইণ্টাৰনেটৰ সমস্যা কোনোবা কোনোবা স্থানত আছে, কিন্তু সেইটো মোৰ অন্তৰ্গত নহয়। আগন্তুক দিনত এই বিষয়ে মই নিশ্চয়ভাৱে কেশৱ মহন্ত ডাঙৰীয়াৰ লগত আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় বিশ্বজিত ফুকন ডাঙৰীয়াই কওঁক।

**শ্ৰী বিশ্বজিত ফুকন,(সৰুপথাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, MGNREGA ৰ অধীনত যিসমূহ কাম চলি আছে, সেই কামসমূহৰ জৰিয়তে আমাৰ গ্ৰাম্য অঞ্চলৰ লোকসকলক এশ দিনৰ কৰ্ম দিন দিব বিচৰা হৈছে। কিন্তু বিভাগৰ শেষতীয়া এটা নিৰ্দ্দেশনা দেখিছো, যিটো নিৰ্দ্দেশনাৰ জৰিয়তে প্ৰত্যেকখন পঞ্চায়তক কেৱল বিশ টা On going কামৰ অনুমতি দিছে। এতিয়া ধৰি ল'লো একোটা পঞ্চায়তত ইতিমধ্যে ৭০ -৮০ টা কাম চলি আছে। সেই কামসমূহ সম্পূৰ্ণ হোৱা পিছতো মেটেৰিয়েলচ্‌ৰ বিলৰ ক্ষেত্ৰত কৰ'বাত এনেকুৱা হয় যে কামটো শেষ হ'ল, কিন্তু কেৱল তাত যিখন ফলক লগাইছে, সেই ফলকখনৰ দুই হাজাৰ বা তিনি হাজাৰ টকা দিয়া নাই। গতিকে মেটেৰিয়েলচ্‌ৰ বিল নিদিয়া বাবে কামটো অসম্পূৰ্ণ বা On going কাম বুলি দেখুৱা হৈছে। এনেধৰণে কামসমূহ চলি থকাৰ সময়ত কেৱল বিশ টা On going কাম মেক্সিমাম লিমিট কৰি দিয়াৰ বাবে MGNREGA ৰ কামসমূহত স্থবিৰতা আহি পৰিছে। এই বিশ টা লিমিট কিয় কৰি দিয়া হ'ল আৰু মেটেৰিয়েলচ্‌ৰ পেমেণ্টসমূহ কিয় দিয়া নাই, এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)** ঃঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় প্ৰধানমন্ত্ৰী আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব লাগিব। আমি MGNREGA ৰ আঁচনিসমূহত দেখিছো যে ২০২১-২২ চনত **৯,১৫,৯৫** হাজাৰ মানুহক আমি জব কাৰ্ডৰ জৰিয়তে কাম দিছো। চলিত বৰ্ষতো আমি **৭,০৯,৫৪** হাজাৰ লোকক কাম দিছো। ইয়াৰ জৰিয়তে নিশ্চিতভাৱে যিখিনি দুখীয়া জব কাৰ্ড ধাৰী আছে, তেওঁলোক উপকৃত হৈছে। মই যেতিয়া ৰিভিউ কৰিবলৈ যাওঁ, মই কেৱল জিলাতেই ৰিভিউ নকৰো, পঞ্চায়ততো ৰিভিউ কৰো। বাগান অঞ্চলসমূহত সকলোবোৰ বনুৱাই তিনিমাহ কাম নকৰে। সেইখিনি সময়ত যাতে আমি Man days দিব পাৰো, তাৰ কাৰণে মই নিজেই বি ডি অ' সকলক,পঞ্চায়তৰ সচিবক ঘৰে ঘৰে গৈ প্ৰতিটো ঘৰতে যাতে এটাকৈ অন্ততঃ জব কাৰ্ড দিয়ে, যাতে বাইশ হাজাৰ টকা অতিৰিক্তভাৱে তেওঁলোকে বছৰত পাব। তাৰ বাবে মই আপোনালোককো আহ্বান জনাইছো যে যিসকল এনেকুৱা মানুহ আছে, যিসকলে জব কাৰ্ডৰ লগত লিংকেজ কৰা নাই, সেই সকলক লিংকেজ কৰাই দি আমি যাতে আমি কৰ্ম সংস্থাপন দিব পাৰো।

**শ্ৰী বিশ্বজিত ফুকন, (সৰুপথাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা বিশ টা On going কামৰ কথা সুধিছো আৰু তাৰ উত্তৰটোহে বিচাৰিছো।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হৈছে।)

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য চাপ্লিমেন্টৰী প্ৰশ্নটোৰ উত্তৰ দিবলৈ দিয়ক ।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া আপুনি উত্তৰ দিয়ক ।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মেটেৰিয়েলচ্ ৰ যিখিনি পেমেন্ট আছিল আৰু তেওঁ যিখন চাইনবৰ্ডৰ কথা কৈছে আৰু এই কথাটো কোৱাৰ পিছতে মই ইতিমধ্যে আমাৰ বিভাগক জনাইছো যে এনেকুৰাকৈ তিনি, চাৰি হাজাৰ টকাৰ কাৰণে কামবোৰ অনগয়িং হৈ আছে। গতিকে মেটেৰিয়েলচৰ পেমেন্ট সমূহ অতিশীঘ্ৰে দিবলাগে আৰু ইতিমধ্যে আমাৰ পেমেন্ট আমি ৰিলিজ কৰি দিছো আৰু যি সকল ব্লকত পোৱা নাই মোৰ লগত যোগাযোগ কৰিব, কিয় পোৱা নাই। হয়তো ৰেজ নিমিলিব পাৰে। কিন্তু মেটেৰিয়েলচৰ বিল আমি এৰি দিলো। দ্বিতীয় কথা হ'ল ২০ খন আঁচনি ফিক্সড আছে সেইবোৰ ভাৰত চৰকাৰৰ আঁচনি। এইবোৰ এম জি এন ৰেগাৰ জৰিয়তে ভাৰত চৰকাৰলৈ যায় । যিহেতু এম জি এন ৰেগা ৰ এখন আইন আছে আৰু ভাৰত চৰকাৰে যিটো নিৰ্দেশনা দিয়ে সেইমতে আমি কামবোৰ কৰি আছো ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । এতিয়া প্ৰশ্ন নং-২৩ শ্ৰী আব্দুল বাতিন খন্দকাৰ। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** চাৰ, মোৰ এটা চাপ্লিমেন্টৰী আছে । চাৰ মন্ত্ৰী ডাঙৰীয়াই কৈছে.....

**মাননীয় অধ্যক্ষ ঃ** এইটো বিতৰ্ক নহয় । আপুনি বহক । তেখেতে যিটো কৈছে ৰেকৰ্ডত নাযাব ।

**(মাননীয় সদস্য জাকিৰ হুছেইন ডাঙৰীয়াই উচ্চ স্তৰত তেখেতৰ বক্তব্য অব্যাহত ৰাখে)**

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। তেনেকুৱা ব্যৱহাৰ সদনত কৰিব নালাগে। বিধান সভাত যি মন যায় কৈ থাকিব সেইটো কিহৰ সংস্কৃতি । আপোনাক দিনটোৰ বাবে চাচপেণ্ড কৰা হ'ল।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** চাৰ কেচাঘৰৰ সংখ্যা অনুসৰি বঙাইগাওঁ জিলাত এক বৃহৎ সংখ্যক হিতাধিকাৰী ৰিমাণ্ডত আছে আৰু এই ৰিমাণ্ডত থকা হিতাধিকাৰী সকলৰ মাজত একাংশ হিতাধিকাৰী যোগ্য হিতাধিকাৰী। এই সকলক ৰিমাণ্ডৰ পৰা ৰিভাইভ কৰাৰ বাবে গাওঁসভা পাতি গাওঁ পঞ্চায়ত সমূহে জিলা পৰিষদলৈ তালিকা পঠিয়াইছে । সেই তালিকা পঠিওৱাৰ পিছত এতিয়ালৈকে সেই ৰিমাণ্ডত থকা যোগ্য হিতাধিকাৰী সকলক ৰিভাইভ কৰা হোৱা নাই । আমাৰ মন্ত্ৰী মহোদয় বঙাইগাও জিলাৰ অভিভাৱক মন্ত্ৰী। তেখেতে এজনো যোগ্য হিতাধিকাৰী যাতে বাদ নপৰে তাৰ কাৰণে কি ব্যৱস্থা ল'ব সেইটো জানিব বিচাৰিছো আৰু ইতিমধ্যে ৰিভাইভৰ কাৰণে গাওঁ সভা পাতি গাওঁ পঞ্চায়তলৈ লিখিছে আৰু একাংশ হিতাধিকাৰী বাতিল হৈছে। আমাৰ বিষয়া বিলাক ইমান এক্সপাৰ্ট নহয়, কেঁচা ঘৰৰ ঠাইত পকী ঘৰ কৰি দিলে । তাৰ ফলত তেওঁলোকৰ প্ৰক্ৰিয়া বাতিল হৈ গ'ল । সেই যোগ্য হিতাধিকাৰী যাতে এজনো ৰিমাণ্ডত নাথাকে বা বাতিল হৈ নাযায়, তাৰ কাৰণে মন্ত্ৰী মহোদয়ে কি পদক্ষেপ ল'ব সেই বিষয়ে আমি জানিবলৈ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয় ।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পি এম ৱাই যিটো বিষয় এই বিষয়টো আচলতে আমি যদি বিশ্লেষণ কৰো তেতিয়াহ'লে আমাৰ নিজৰ লাজ লাগিব । এই কাৰণে কৈছো যে আমাৰ ২০১১ চনৰ যিটো চাৰ্ভে, এই চাৰ্ভে মতে আমাৰ হাউচ হ'ল্ড ৬০ লাখ আছিল। ৬০ লাখ পৰিয়ালৰ ভিতৰত আমি ইতিমধ্যে ৫২ শতাংশ মানুহক ঘৰৰ বাবে তালিকাভুক্ত কৰিছো আৰু তালিকভুক্ত কৰাৰ পিছত এতিয়াও বহু মানুহে আহি কয় যে মোৰ ঘৰ নাই তেওঁলোকৰ নতুনকৈ পৰিয়ালৰ বিভাজন হৈছিল আৰু ভাৰত চৰকাৰে

সোধে যে, অসম ইমান দুখীয়া ৰাজ্য আছিল নে ? আমি পঞ্চাচ শতাংশ লোকক ঘৰৰ দিবলগীয়া হৈছে, তাৰ মানে গাওত ঘৰ নাছিল নেকি ? গতিকে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ যি ঘৰ, ইতিমধ্যে আমাৰ অসমত ৮ লাখ ২৪ হাজাৰ ঘৰ সম্পূৰ্ণ কৰিছো আৰু বঙাইগাওঁ জিলাত ইতিমধ্যে ১৪ হাজাৰৰ আছিল আৰু সেই ১৪ হাজাৰ পিছত আৰু গোটেই খিনি ভাৰত চৰকাৰে চালি জাৰি চোৱাৰ পিছত বঙাইগাওঁ জিলাত ৫৫ শতাংশ মানুহৰ বাবে ঘৰ দিলে । হয় ঘৰৰ কাম চলি আছে নহয় ঘৰৰ কাম সম্পূৰ্ণ হৈছে। এতিয়া আপোনালোকে যিখিনি মানুহ বাদ পৰা বুলি কৈছে, হয়তো সেইখিনি মানুহৰ এটা পৰিয়াল ভাগ ভাগ হৈছে ।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী)** ঃ ৰিমাণ্ডত থকা যিখিনি যোগ্য হিতাধিকাৰী আছে গাওঁসভা পাতি গাওঁ পঞ্চায়তে ইতিমধ্যে জিলা পৰিষদলৈ পঠাই দিছে। তেওঁলোকৰ যিটো আপীল কমিটি আছে, তাৰ পৰা এপ্ৰোভ কৰি দিলে হৈ যায় আৰু কৰি দিলে যোগ্য মানুহ খিনিয়ে পাব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ ।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)** ঃ এই প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰ আমি এপ্ৰুভ কৰিব পৰা একো নাই। এইটো অনগোয়িং দৈনিক যিমানখিনি আছে ইতিমধ্যে সেইখিনি ভাৰত চৰকাৰে আমাক ৰিলিজ কৰি দিছে। আৰু বাকী যিখিনি আছে আৰু তাত যদি বঙাইগাওঁ জিলা আছে মই সেইটো চাই দিম।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথা ক'ব বিচাৰিছো যে যিসকল টিউটৰে দহ- বাৰ হাজাৰ টকা দৰমহাত পায় বিশ-পচিশ বছৰ ধৰি ভেঞ্চাৰ স্কুলত কাম কৰি আছে, তেওঁলোকৰ বহুতৰে কেঁচা ঘৰ আছে, কিন্তু তেওঁলোকক যোগ্য হিতাধিকাৰী হিচাপে ট্ৰীট কৰা হোৱা নাই । কিন্তু তেওঁলোকে জীৱনত এটা পকীঘৰ বনাব নোৱাৰে। গতিকে আমি বিচাৰিছো যে সেই টিউটৰ সকলক, যিসকলে বিশ-পচিশ বছৰ ধৰি ভেঞ্চাৰ স্কুলত কাম কৰি আছে, তেওঁলোকক দিব পৰা যাব নেকি ?

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)** ঃ যিহেতু ইতিমধ্যে আমাক ভাৰত চৰকাৰে চেংচন দিছে ১৮,৩২,৭৭০ টা ঘৰ আৰু তাৰ ভিতৰত ৮,০৮,৭৫৮ টা ঘৰ ইতিমধ্যে সম্পুৰ্ণ কৰিলো। আমাৰ যিখিনি ১০,২৪,০০০ টা ঘৰৰ নিৰ্মাণ হৈ আছে আৰু বাকী যিখিনি পাবলগীয়া আছে, আমি ভাৰত চৰকাৰক জনাইছো যে আমি পাবলগীয়া খিনি আমাক দিয়ক । ভাৰত চৰকাৰে আজি কিছু দিন আগতে ৮০- ৯০ হাজাৰ ঘৰ পি এম ৱাই (আৱাস প্লাচ) ত দিছিল আৰু তেতিয়া আমি পুনৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো আৰু আমাক তেওঁলোকে জনাইছে যে পূৰ্বতে যিমানখিনি ঘৰ চেংচন হ'ল, সেইখিনিটো আগতে সম্পূৰ্ণ কৰি লওঁক আৰু সেইখিনি সম্পূৰ্ণ হোৱাৰ পিছত আগন্তুক দিনত ভাৰত চৰকাৰে বিষয়টো বিবেচনাধীন হৈ আছে বুলি জনাইছে ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ । শ্ৰী ৰফিকুল ইছলাম ।

**ড° ৰফিকুল ইছলাম, (জনীয়া)**ঃ মাননীয় অধ্যক্ষ মহোদয়, পি এম ৱাইৰ ঘৰ বহুত মানুহৰ সম্পূৰ্ণ হৈছে। জবকাৰ্ডৰ যিটো মেনডেট পাব লাগে বৰপেটা জিলাকে আদি কৰি বহুত জিলাত সেই সকলৰ পইছাখিনি পোৱা নাই । কিছু পাইছে আৰু যথেষ্ট সংখ্যকে পইছা পোৱা নাই। অতি সোনকালে এই পইছাখিনি মোকলাই দিয়াৰ ব্যৱস্থা কৰিব লাগে । এটা কথা সংলগ্ন কৰিছো যে মন্ত্ৰী মহোদয়ে কৈছে যে আমি ৫০ শতাংশ তলত অনা নাই ৮৫ ৮৫% ক আমি চাউল দালি দি আছো। সেই সকলক দুখীয়া বুলি treat কৰি মোডী ডাঙৰীয়াই extend কৰিলে যে অহা MP Election

ৰ আগলৈকে এইবোৰ দিয়া হ'ব। হয়, এইসকল দুখীয়া মানুহ আছে। কিন্তু, ৫-১০ হাজাৰ ঘৰৰ টিনপাত থকাৰ বাবে তেওঁলোকক সন্নিবিষ্ট কৰা হোৱা নাই। এই বিষয়ে আগতেও আলোচনা হৈছিল। বহুত দুখীয়া, মগনীয়া মানুহ তালিকাৰ পৰা বাদ পৰিছে। যদি সঠিকভাৱে চাৰ্ভে কৰা হয়, সেই লোকসকলৰ মাত্ৰ টিনপাতৰ বেৰ থকাৰ বাবে এই ঘৰবোৰ cancel হৈছে। এই ক্ষেত্ৰত দিল্লীৰ লগত communicate কৰিব বুলি আগতে মন্ত্ৰী মহোদয়ে কৈছিল। যিহেতু আমাৰ অসমত খেৰৰ ঘৰ বুলি পাবলৈ নাই, এই মানুহখিনিও যাতে সন্নিবিষ্ট হয়, তাৰ বাবে ব্যৱস্থা কৰিব লাগিব।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)** ঃ অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে PMAY, MGNREGA ৰ ঘৰৰ কথা কৈছে। মই আপোনালোকৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে ২০১৮ চনৰ পৰা এতিয়ালৈ MGNREGA ৰ বাবদত আমি ৯,২৮২ কোটি টকা পাইছো। ই একেবাৰে সহজ টকা নহয়। ইয়াত materials টো ধৰা নাই, অকল wage ত। PMAY ত ৯৫ দিন যিহেতু আমাৰ হাতত আছে, গতিকে, নিশ্চিতভাৱে তেওঁলোকে ঘৰ পাব। মই আপোনালোকক এটা কথা বিনম্ৰতাৰে আহ্বান জনাওঁ যে PMAY বা MGNREGA ৰ এনে বহু হিতাধিকাৰী আছে যাৰ বেংকৰ লগত AADHAAR link হোৱা নাই। তেওঁলোকে যেতিয়া একাউণ্ট খুলিছিল, ধৰক এপেক্স বেংকত একাউণ্ট খুলিছিল। কিন্তু, এতিয়া টকাখিনি ষ্টেট বেংক অৱ ইণ্ডিয়াৰ একাউণ্টত সোমাইছে। কিন্তু, তেখেতে বেলেগ বেংকৰ একাউণ্ট দিছে। ফলস্বৰূপে, এই টকাখিনি ৰিলিজ কৰিব পৰা নাই। গতিকে, এই ক্ষেত্ৰত সন্মানীয় বিধায়কসকলে সেই হিতাধিকাৰী সকলক যদি অলপ সহায় কৰি দিয়ে....interruptions....

**ড° ৰফিকুল ইছলাম, (জনীয়া)ঃ** বহুতৰ লিংক কৰাৰ পিছতো বহুতে পোৱা নাই। চিষ্টেমে automatically এতিয়াও লোৱা নাই। আধাৰৰ লগত বেংকৰ লিংক হ'ল, কিন্তু আপোনালোকৰ প'ৰ্টেলৰ লগত যিটো লিংক কৰিব লাগিব, সেইটো বিভাগে কৰিব লাগিব। গতিকে, এইখিনি সোনকালে কৰি পইচাখিনি মোকলাব লাগে।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)** ঃ অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে আমি Lead Bank Manager আৰু BDO সকলক জনাইছো যে বেংকত awareness camp কৰি সেইসকল মানুহ আৰু Bank Manager সকলক মাতি এই service টো provide কৰাৰ বাবে কৈছো। আপুনি যি ঘৰ নোপোৱাৰ কথা কৈছে , হয়, আমি ৫০% মানুহক ঘৰ দিছো বা ঘৰৰ কাম চলি আছে। তাৰ ভিতৰত যিসকল প্ৰকৃত দুখীয়া ৰৈ গৈছে, এই বিষয় লৈ ভাৰত চৰকাৰৰ লগত আমি যোগাযোগ কৰি আছো। আগন্তুক দিনৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজাকৈ অসম চৰকাৰৰ হৈ বিশেষ উদ্যোগ গ্ৰহণ কৰি আছে। সেইটো তেখেতে নিজেই আগন্তুক দিনত আপোনালোকৰ জ্ঞাতাৰ্থে জনাব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। Question No-24-শ্ৰী ৰূপ সিং টেৰণ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী)ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰূপ সিং টেৰণ, (বৈঠালাংছু )ঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টি বৈঠালাংছুত JJM আঁচনিত মই সন্তুষ্ট হোৱা নাই। সেইকাৰণে মই জানিব বিচাৰিছো যে এতিয়ালৈকে কিমান ঘৰত পানী দিয়া হ'ল? কিমান ঘৰত connection কৰা হ'ল? যদি হোৱা নাই, তেতিয়া হ'লে কেতিয়ালৈকে

হ'ব, সেই বিষয়ে জানিব বিচাৰো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী)ঃ**মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে উত্তৰত কোৱা হৈছেই যে ৯,৫১১ টা পৰিয়ালক পানী যোগান কৰা হৈছে আৰু ৫১,৬৭৩ টা পৰিয়াল লক্ষ্যত আছে। তাৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। Karbi Anglong Autonomous Council ত এনেকুৱা এটা পৰিৱেশ আছিল যে একো একোজন মানুহৰ household ত পানী দিলে expenditure ২ লাখ টকা cross কৰি যায়। ভাৰতবৰ্ষৰ ক'তোৱেই ২ লাখ, ২.৫ লাখ টকা cross কৰি যোৱা নাই। কিয়নো আমাৰ বহুত দূৰত ঘৰ আৰু spring source ইত্যাদিৰ বাবে FHTC cost বহুত বেছি আছিল। কিন্তু, আমি মাননীয় মোডী ডাঙৰীয়াক ধন্যবাদ দিব লাগিব যে তেওঁ অসমৰ প্ৰতি ইমানেই সদয় যে তেওঁ একো একোটা ঘৰত FHTC ৰবাবে ২ লাখ, ২.৫ লাখ টকা খৰচ কৰিবলৈ আমাক অনুমতি দিছে। ইয়াৰ বাবে ৫১,৬৭৩ টা ঘৰত পানী যোগান দিয়াৰ বাবে আমাৰ SLSC ত approvalহৈ গৈছে। কিছু পৰিমাণে আমি order ও দিছো। খুব কম দিনৰ ভিতৰত এই কাম সমূহ আগবাঢ়ি গৈ থাকিব। আপোনাৰ এলেকাৰ ১০০% FHTC বা ১০০% ঘৰে ২০২৪ চনৰ ভিতৰত cover হ'ব বুলি আমাৰ বিশ্বাস আছে। তাৰ লগে লগে বহু সময়ত বহু সদস্যৰ প্ৰশ্ন আহি থাকে বা বিভিন্ন সংবাদ মাধ্যমত আমি দেখি থাকো যে JJMৰ কাম অন্য ৰাজ্যৰ তুলনাত কমকৈ হৈছে। যোৱা কালিও এখন বাতৰি কাকতত দেখিছো যে ৫০% ৰ তলত কাম হোৱা বুলি কৈছে। গতিকে এটা কথা আমি সদনৰ জ্ঞাতাৰ্থে জনাই থওঁ যে ২০১৯ চনৰ ১৫ আগষ্টত আমি যেতিয়া JJM আৰম্ভ কৰিছিলো, সেই সময়ত মাত্ৰ ১% মানুহে অসমত টেপ যোগে পানী পাইছিল। স্বাধীনতাৰ ৭২ বছৰত ১% মানুহ আৰু আজি ৩ টা বছৰত ৪৫% মানুহক টেপ যোগে পানী দিব পাৰিছো। গতিকে, অন্য ৰাজ্যত য'ত ৫০% আছিল, তেওঁলোকে ৭০% বা ১০০% কৰিছে, তাক লৈ গৌৰৱ কৰিবলগীয়া নাই। কিন্তু, এখন ৰাজ্যই ১% ৰ পৰা ৪৫% তিনি বছৰত কৰিছে, তাৰ বাবে আমাৰ কৰ্মকৰ্তা, আমাৰ অভিযন্তা সকল আৰু আমাৰ বিভাগক ধন্যবাদ দিব লাগে। ২০২৪ চনৰ ভিতৰত ভিতৰুৱা অঞ্চলবোৰো অন্তৰ্ভুক্ত হ'ব আৰু ২০২৪ চনৰ ভিতৰত আমি ১০০% লৈ যাব পাৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। Question No. 25- শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, মই Supplementary টো সোধাৰ আগতে প্ৰথমতে মোৰ প্ৰশ্নৰ উত্তৰত কি দিছে আপোনালোকক দেখুৱাব বিচাৰিছো। মই সুধিছিলো কি, উত্তৰ দিছে কি। মই সুধিছিলো- 'অসম চৰকাৰৰ ঘোষিত এক লাখ নিবনুৱাৰ নিযুক্তি কেতিয়া সম্পূৰ্ণ হ'ব? শাসকীয় দলে নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়া অনুসৰি ৩১ মাৰ্চ, ২০২২ ৰ ভিতৰত এক লাখ নিযুক্তি দিব পৰা নাই কিয়?' ইয়াৰ উত্তৰত কি দিছে চাওঁকচোন- 'অসম চৰকাৰৰ ঘোষিত এক লাখ নিবনুৱাৰ নিযুক্তি প্ৰক্ৰিয়া অব্যাহত আছে। নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত পৰ্য্যায়ক্ৰমে নিয়োগৰ ব্যৱস্থা কৰা হ'ব।'

অধ্যক্ষ মহোদয়, বিত্ত বিভাগ আৰু সমাজ কল্যাণ বিভাগৰ সকলোবোৰ উত্তৰেই পাল মৰা উত্তৰ।

এতিয়া মোৰ Supplementary টো হ'ল- ২০২১ চনৰ বিজেপি দলৰ ইস্তাহাৰত যি দহটা সংকল্প লৈছিল, তাৰে ৮ নং সংকল্পটোত কৈছিল যে ২ লাখ চৰকাৰী চাকৰি দিয়া হ'ব এই চৰকাৰৰ দিনত। শব্দটো চৰকাৰী। তাৰে ১ লাখ ৩১ মাৰ্চ, ২০২২ ৰ ভিতৰত দিয়া হ'ব। ব্যক্তিগত

খণ্ডত ৮ লাখ নিযুক্তি দিয়া হ'ব। আনহাতে, ৰাজ্যপালৰ ভাষণত কৈছে যে ১০ মাৰ্চলৈকে ৪২,৯২০ টা চাকৰি দিলে। কিন্তু, ৰাজ্যপালৰ ভাষণৰ পিছত আজি মোক যিটো উত্তৰ দিলে, তাত কৈছে যে ৩৮,৯৮৭ টা চাকৰি দিলে। তাৰে আকৌ কিছু সংখ্যক contractual বুলিও ক'লে। তাৰ পিছত, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ফটো লৈ কেইদিনমান আগত এটা advertisement কৰিছিল। সেই advertisement টোত কৈছিল যে চাকৰি দিছে ৪১,৭১০ টা । এতিয়া প্ৰশ্নটো হ'ল- চৰকাৰে আচলতে চাকৰি দিছে কিমান? প্ৰতিশ্ৰুতি অনুসৰি যি ২ লাখ চাকৰি দিয়াৰ কথা আছিল সেইটো কেতিয়া দিব? ব্যক্তিগত খণ্ডত এতিয়ালৈকে কিমান চাকৰি দিয়া হ'ল?

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ১ লাখ নিযুক্তি প্ৰদান কৰিম বুলি এটা ঘোষণা কৰিছিল। সেইমৰ্মে আমি বাজেটত আনিছিলো যে এক লাখ চৰকাৰী চাকৰি দিয়া হ'ব। সেইটো কথা মই এই সদনত স্পষ্ট কৰি দিছো আৰু বিধায়ক ডাঙৰীয়াই জানে যে তেখেতে যিটো প্ৰশ্ন সুধিছে তাৰ উত্তৰ ইয়াত আছে। কিন্তু, তেখেতে সময়বিলাক দিয়াৰ ক্ষেত্ৰত এবাৰ ক'লে ২৫ মে', ২০২২, এবাৰ কৈছে মে' ২০২১। গতিকে, মই স্পষ্ট ভাৱে এই সদনত ক'ব বিচাৰিছো যে আমি প্ৰথম পৰ্যায়ত এতিয়ালৈকে প্ৰায় ৪১ হাজাৰতকৈ বেছি নিযুক্তি সম্পন্ন কৰিছো। অধ্যক্ষ মহোদয়, অসমৰ নিচিনা এখন মজলীয়া ৰাজ্য, য'ত স্বাধীনতাৰ ৭৫ বছৰ পিছত ইমান বৃহৎ সংখ্যক নিযুক্তি স্বচ্ছ ভাৱে কেতিয়াই হোৱা নাই। দ্বিতীয় কথা মই সদনত স্পষ্ট ভাৱে কৈছো যে অহা ১০ মে'ৰ পৰা ২০ মে' লৈকে আৰু ৪০ হাজাৰ নতুন নিযুক্তি অসমত প্ৰদান কৰা হ'ব। তাৰ পিছত যিখিনি থাকিব, সেই প্ৰক্ৰিয়া আমি অতি সোনকালে সম্পন্ন কৰিম। অধ্যক্ষ মহোদয়, এইখন সদনতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল কাৰণ এই নিযুক্তি প্ৰক্ৰিয়াটো আমাৰ বাবে এটা প্ৰত্যাহ্বান। লগতে, এইটো স্বচ্ছ আৰু নিকা হ'ব লাগিব। ক'ভিড মহামাৰী হোৱাৰ পিছত এই নিযুক্তি প্ৰক্ৰিয়াটো কৰিবৰ বাবে আমাৰ কিছু অসুবিধা আহিছিল। সেইকাৰণে আমি ৬ মাহ এই গোটেই প্ৰক্ৰিয়াটো কৰিব নোৱাৰিলোবছৰো দিয়া হ'ব অহা এম পি ইলেক্সনলৈকে । ক'ভিডৰ সময়ত আপোনালোকে দেখিছিল যে ক'ভিড মহামাৰী হোৱাৰ পাছত এই নিযুক্তি প্ৰক্ৰিয়াটো কৰিবৰ কাৰণে আমাৰ কিছু অসুবিধা আহিছিল। সেইকাৰণে আমি ৬ মাহ এই গোটেই প্ৰক্ৰিয়াটো কৰিব নোৱাৰিলো। অধ্যক্ষ মহোদয়, আপোনালোকে দেখিছে পুলিচত আমি সম্পূৰ্ণ নিকাভাৱে চাকৰি দিবলৈ সক্ষম হৈছো। আজি বেটেলিয়ান বিলাক সম্পূৰ্ণ নিকাভাৱে হৈছে, Health ত নিকাভাৱে হৈছে, শিক্ষা বিভাগত নিকাভাৱে হৈছে। কিন্তু আটাইতকৈ ডাঙৰ কথাটো হৈছে যে এই নিযুক্তি স্বচ্ছভাৱে হৈছে নে নাই। গতিকে অধ্যক্ষ মহোদয়, সদনত আমি যি প্ৰতিশ্ৰুতি দিছিলো সেই প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰা হ'ব। এইখিনি কথাকে মই আপোনাক কৈছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মোৰ দ্বিতীয় supplementary টো হ'ল overlapping ৰ ওপৰত। অধ্যক্ষ মহোদয়, চৰকাৰে যিসকলক চাকৰি দিছো বুলি কৈছে তাৰে কিছু পদ overlapping হৈছে। যেনে- আগতে এল পি স্কুলত চাকৰি কৰি আছিলে এতিয়া এম ই স্কুলত চাকৰি পালে। এতিয়া আগৰ পদটো আকৌ খালী হৈ গ'ল। গতিকে আগৰ মানুহকে সেই চাকৰিটো দিলে। দ্বিতীয়তে, ---হুলস্থুল----------এতিয়া চতুৰ্থ বৰ্গৰ চাকৰিৰ কাৰণে ইতিমধ্যে interview হৈ গ'ল। তাত Class -VIII level ৰ post আছিলে ৯৬০০ টা। Class -X level ৰ post আছিলে ৪৩০০ টা আৰু H.S level ৰ post আছিলে ২৮০০ টা, Driver level ৰ post আছিলে ১১০০ টা। এতিয়া এই গোটেই কেইটা পদতে একেজন নিৰবুৱাই চাকৰিৰ

কাৰণে interview দিছে আৰু একেজনৰ নামেই গোটেইবিলাকত আহিছে। গতিকে এইটো ÛéÂü±Ñã±¡ ÂÁñ1í 1 overlapping হৈছে। তাৰ ফলস্বৰূপে ৪০ শতাংশ মান পদত একেখিনি মানুহৰ নামেই আহিছে। ---হুলস্থুল----------এতিয়া overlapping টো নাইকীয়া কৰিবৰ কাৰণে কি ব্যৱস্থা আছে? ১ নং ব্যৱস্থাটো হ'ল যে যিখন তালিকা অনুসৰি মানুহে চাকৰি বিচাৰিছে তাক priority ভিত্তিত নিযুক্তি দিয়া। ২ নং ব্যৱস্থাটো হ'ল যিখন final merit list আছে তাত এখন waiting list ৰ ব্যৱস্থা কৰা যাতে বেলেগ এটা পদ খালী থাকিলে তেখেতসকলক লগে লগে নিযুক্তি দিব পাৰে। ---হুলস্থুল----------সেইকাৰণে এই overlapping টো নোহোৰা কৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে এই গোটেই প্ৰক্ৰিয়াটো Assam Direct Recruitment Commission for Analogous Post in Class III & IV ত কৈছে যে এই নিযুক্তি প্ৰক্ৰিয়টোত কোনো ধৰণৰ overlapping হোৱা নাই । এই কথাখিনি মই সদনত জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া Question No 26.শ্ৰী আশ্ৰাফুল হুছেইন। ---Interruption------

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰত আমি সন্তুষ্ট হোৱা নাই। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিলে গনি গনি দিম। ---------হুলস্থুল------------

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ বিভাগৰ অধীনত যদি আমি কাম কাজ বিলাক চাঁও, দেখা যাব যে বিগত চাৰিটা বিত্তীয় বৰ্ষৰ ভিতৰত আটাইতকৈ কম কাম বা আটাইতকৈ দুৰ্বল কাম যদি হৈছে, সেইটো এইটো Financial Year ত হৈছে। তেওঁলোকৰ MGNREGA ৰ শিতানটোৰে চাওক বা অন্যান্য ক্ষেত্ৰত achivement ৰ list য়ে চাওক। পঞ্চায়ত বিভাগত ওপৰৰ পৰা তললৈকে যে এই problem টো চলি আছে এই কথাটো আজি সদনত উত্থাপিত হোৱা আটাইবোৰ প্ৰশ্ন বিশ্লেষন কৰি চালেই স্পষ্টভাৱে দেখা যাব।

মাননীয় অধ্যক্ষ মহোদয়, ২০২০ আৰু ২০২১ চনত কেবল চেঙা সমষ্টিৰ চেঙা ব্লকত ৩৬৫ টা কাম sanction হৈছিল। কিন্তু এই বছৰ মাত্ৰ ২৮ টা কাম sanction হৈছে। চেঙা সমষ্টিৰ গোমাগুলবাৰী ব্লকত মাত্ৰ ৮ টা কাম sanction হৈছে। ২০২২ চনৰ মাৰ্চ মাহৰ শেষৰটো দিনত যিসমূহ কাম sanction দিয়া হৈছিল বৰপেটা জিলাত, মন্ত্ৰী মহোদয়ে ভালদৰে জানে সেইসমূহ কাম কি কৰিলে? সেই scheme সমূহ close কৰিব পাৰিলেনে? সেই scheme সমূহ close কৰিব পাৰা নাই DPR freeze হৈ থকাৰ কাৰণে। এইসমূহ important কাম আছিল। সেইসমূহ কাম খুলি দিয়ক আৰু এই বিভাগৰ অধীনত অন্ততঃ MGNREGA ৰ অধীনত গ্ৰামীন পদ বা অন্যান্য উন্নয়ণমূলক কাম-কাজ সমূহ যাতে নিয়াৰিকৈ চলে তাৰ ব্যৱস্থা আৰু পৰামৰ্শ আজিৰ সদনত দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া,

তেখেতে এটা ভুল তথ্য দাঙি ধৰিলে। গতিকে আমি শুদ্ধ তথ্য দাঙি ধৰিব লাগিব চৰকাৰী পক্ষৰ পৰা। তেখেতে সকলোতকৈ কম কাম হোৱা বুলি কৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি যদি হিচাপ কৰো, তেঁও ২০২০-২১ ৰ কথা কৈছে। ২০২০-২১, ২০২১-২২ আৰু ২০২২-২৩ এই তিনিটা বছৰ মিলি আমাৰ চৰকাৰখনে MGNREGA ৰ আঁচনি লৈছে ১,০৪,২০৭ টা। এইটো কম ডাঙৰ কথা নহয়। তাৰে ভিতৰত ইতিমধ্যে আমি সম্পূৰ্ণ কৰিছো প্ৰায় more than 50%. বৰপেটা জিলাখনত আমি scheme লৈছিলো ২০২০-২১ চনত ১৬,৭৬২ টা। ২০২১-২২ চনত ৩৭,৪৫৯ টা আৰু ২০২২-২৩ চনত ২১,৯২৩ টা। গতিকে পূৰ্বতকৈ আমি বেছি কাম কৰিছো নে কম কাম কৰিছো? গতিকে আপোনাৰ সমষ্টি বুলি কথা নাই বা আমাৰ জিলা বুলি কথা নাই। আমি ক'লো যে MGNREGA ৰ কাম কৰোতে আমি সমষ্টি হিচাপে কাম নকৰো, আমি Block আৰু পঞ্চায়ত বুলি কৰো। গতিকে সৰ্বশ্ৰেষ্ঠ আমি কাম কৰাৰ উপৰিও ৯২২৩ কোটি টকা ইতিমধ্যে MGNREGA ৰ নামত খৰছ হৈছে। এইটো সহজ কথা নহয়। ভাৰত চৰকাৰে যদি আমাক এইটো আশীৰ্বাদ নিদিলেহেঁতেন তেতিয়াহ'লে আমাৰ অৰ্থনৈতিক ব্যৱস্থা বহুত বেয়াৰ ফালে গ'লহেঁতেন।

এতিয়া আমি আকৌ নতুনকৈ কৈছো IBS Scheme ৰ কথা। Indivisual Benifit Scheme ৰ জৰিয়তে যাতে আমাৰ দুখীয়া লোকসকলে যাতে ৪০ -৫০ হাজাৰ টকা ল'ব পাৰে, আমি তেনেকুৱা Scheme Implement কৰাৰ কাৰণে কৈছো আৰু মই ব্লক সমূহক কৈছো যে তেওঁলোকে compulsorily ল'বই লাগিব। আমি নতুনকৈ কি কৰিব বিচাৰিছো, অধ্যক্ষ মহোদয়, আপোনাৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে উত্তৰ প্ৰদেশ আৰু বিহাৰত MGNREGA ৰ জৰিয়তে গোঁহালী বনাই আছে।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** আপুনি specific উত্তৰ দিয়ক। উত্তৰ প্ৰদেশৰ কথাটো আমাক নালাগে।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো অসমৰ স্বাৰ্থৰ কথা আছে। উত্তৰ প্ৰদেশ আৰু বিহাৰত যেতিয়া গোঁহালী বনাই আছে সেইটো দেখি মোৰ চকু কপালত উঠিছে। আমাৰ ইমান গোঁ-পালক আছে। আমাৰ কিন্তু MGNREGA ৰ গোঁহালী নাই। গতিকে এতিয়া আমি নতুনকৈ গোঁহালী পৰ্য্যন্ত MGNREGA ত বনাই দিয়াৰ কথা কৈছো। গতিকে MGNREGA ত যথেষ্ট কাম হৈছে। আপোনাৰ কোনোবা ব্লকত যদি কিবা আঁসোৱাহ আছে, মোৰ ওচৰত আহিলে মই নিশ্চয় আপোনাক সহায় কৰিম।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মহোদয়, মই যিটো প্ৰশ্ন কৰিছিলো সদনৰ ২০২২ চনৰ মাৰ্চ মাহত sanction দিয়া বৰপেটাৰ scheme কেইটা কি হ'ল? সেইকেইটাৰ উত্তৰ দিয়ক। উত্তৰ প্ৰদেশ বা ভাৰত ভ্ৰমণ কৰিবলৈ ইয়াত অহা নাই।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ) ঃ** ২০২১-২২ ত আমি তাত স্কীম লৈছিলো-৩৭,৪৫৯ টা । সেই কেইটাৰ ভিতৰত কমপ্লিট হৈছে - ১৬,৫৬৯ টা । অনগোয়িং আছে ২০,০০০ টা । গতিকে এইটো এটা ডাঙৰ এচীভমেন্ট । আপুনি গৰ্ব্ব কৰিব লাগে আপোনাৰ জিলাখনক লৈ ।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** ছাৰ, মই বাৰে বাৰে কৈছো , সমস্যাটো ক'ত মই বুজি পোৱা নাই

। ২০২২ চনৰ মাৰ্চ মাহত দৌৰা দৌৰীকৈ স্কীম চেংশ্যন কৰিছে। সেইখিনি স্কীম আকৌ অৰ্ডাৰ দি বন্ধ কৰি থোৱা হ'ল। সেইখিনি স্কীম এতিয়া কেনচেল কৰিছেনে কি কৰিছে, সেইখিনি ক'ব লাগে।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ) ঃ** আপুনি ঠিক কথা কৈছে। মই ভাল পাইছো। আমি বৰপেটাত যোৱাবাৰ দেখিলো মাৰ্চ মাহৰ আগে আগে - এইটো যেন পি ডব্লিউ ডি ডিপাৰ্টমেন্ট, ৱাটাৰ ৰিচোৰ্চ ডিপাৰ্টমেন্ট । খৰখেদাকৈ তেওলোকে মাৰ্চ মাহত কেইবাটাও স্কীম লৈ লয় । মাৰ্চ মাহত ইমান স্কীম লোৱা বাবে ভাৰত চৰকাৰৰ পৰা ইণ্ডিকেশ্যন আহি গৈছে - যে ইমান স্কীম এটা মাহত কেনেকৈ আহিলে? তাৰ পিছত আমি কৈছো যে প্ৰতি মাহে মাহে আপোনালোকে ২০ টাকৈ স্কীম দিয়ক আমাৰ আপত্তি নাই । বছৰৰ শেষত একেলগে ইমান স্কীম দিছে, সেই কাৰণে আমি ড্ৰপ কৰি দিছো। আৰু সেই স্কীমবোৰেই এতিয়া আমি নতুনকৈ লৈছো।

**माननीয় অধ্যক্ষ ঃ** হ'ব । এতিয়া কোৱেশ্বন নং - ২৭

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** ছাৰ, কথাবিলাক ক্লিয়েৰ হ'ব লাগে , মোৰ প্ৰশ্নত ২০২২-২৩ কিমান স্কীম টেকেন আপ কৰিছে ? বিভাগে উত্তৰত কৈছে ৩৭০ নাম্বাৰচ । মন্ত্ৰী ডাঙৰীয়াই কৈছে- ৩৭,৪৫৯ টা ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই আৰু টেক আপ কৰিব বুলি কৈছে । ............বহক ।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** অধ্যক্ষ মহোদয়, এইটো ইর্ম্পটেন্ট মেটাৰ। এনেদ্ৰ সদনক বিপথে পৰিচালিত কৰিব নোৱাৰে ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য , মাননীয় মন্ত্ৰীয়ে আপোনাৰ প্ৰশ্নৰ উত্তৰ দিছে। যিখিনি ড্ৰপ আউট হৈছে আকৌ টেক আপ কৰিব। যদি আৰু কিবা আছে আপুনি তেখেতৰ লগত আলোচনা কৰি টেকআপ কৰিব এতিয়া....বহক ।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ- মাৰ্চ মাহত ২০৪ কোটি টকাৰ কাম বৰপেটাত হৈছিলে মাত্ৰ ৭ দিনৰ ভিতৰত । লগে লগে ভাৰত চৰকাৰে ডাইৰেকশ্যন দিছে যে এইটো ইমিডিয়েটলী ষ্টপ কৰক নহ'লে নেক্সট আপোনালোকে ফাণ্ড নাপাব। গতিকে আমি ২০৪ কোটি টকা পোৱাটো চাম নে ৯০০০ কোটি টকা পোৱাটো চিন্তা কৰিম।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** অধ্যক্ষ মহোদয়, ২০৪ কোটি টকা স্কীম যদি ইল্লিগেলী লৈছিল তেনেহ'লে তেওলোকৰ বিৰুদ্ধে কিয় কোনো ব্যৱস্থা লোৱা নাই ? বৰপেটাত একো কাম হৈ থকা নাই । অধ্যক্ষ মহোদয়, মোৰ আৰু এটা চাপ্লিমেন্টৰী আছে ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ সময় নাই । হ'ব ... বহক । কিবা থাকিলে মন্ত্ৰী ডাঙৰীয়াক দিব। সদনত হুলস্থুল । এতিয়া দ্বিপায়ন চক্ৰৱৰ্ত্তী ।

সদনত কথাৰ কটা-কটি ( কাৰো মাত বুজা নাযায়)

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** অধ্যক্ষ মহোদয়- তাত কোনো চিণ্ডিকেট লগাইছিল, কিমান টকা খৰছ কৰি তাত মানুহে স্কীম চেংশ্যন কৰাইছিল। এইবিলাক এনকোৱাৰী হ'ব লাগে ।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** অধ্যক্ষ মহোদয়, এখন জিলাৰ কথা আছে । সাধাৰণ মানুহে ছাফাৰ কৰিব এইটো মানি ল'ব পৰা নাযায় । কোন বিষয়াৰ ভুলৰ বাবে এই স্কীমবিলাক পেণ্ডিং আছে ইনকোৱাৰী হ'ব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** প্লিজ ... বহক । কোৱেশ্বন আৱাৰত প্ৰতিবাদ নহয় ... বহকছোন । কোৱেশ্বন

আৰাৰ ভেলুৰেল হয়- টু দি পইন্ট যদি কিবা আছে শুধক ।

**শ্রীআশ্রাফুল হুছেইন, (চেঙা) ঃ** পঞ্চায়ত ও গ্রামোন্নয়ণ কাম- কাজ বৰপেটাত ভালকৈ চলা নাই । মন্ত্রী ডাঙৰীয়াই তদন্ত কৰি ব্যৱস্থা ল'ব লাগে । ফৰ্টিন ফাইনেন্স আৰু ফিফ্‌টিন ফাইনেন্স ৰ ইন্টাৰেষ্টৰ টকা পঞ্চায়ত বিলাকত জমা হৈ আছেনে- কি হৈ আছে , সেইটো জনাব লাগে । যদি জমা হৈ আছে কেনেকৈ ব্যৱহাৰ কৰিব সেইটো জনাব লাগে। আমি যদি স্কীম ল'বলৈ কওঁ আমাক কয় গুৱাহাটীৰ পৰা পাৰ্মিশ্যন ল'ব লাগিব। এইটো সদনক জনালে সকলোৱে উপকৃত হ'ব , প্রতিটো গাওঁ পঞ্চায়ত উপকৃত হ'ব।

**শ্রী ৰণজিৎ দাস, (মন্ত্রী, পঞ্চায়ত আৰু গ্রামোন্নয়ন ইত্যাদি বিভাগ) ঃ** অধ্যক্ষ মহোদয়, এই বিষয়টো হৈছে কি, অসম চৰকাৰৰ বিত্ত বিভাগৰ পৰা এখন চাৰ্কুলাৰ গৈছে । যিকোনো চৰকাৰৰ যিটো ইন্টাৰেষ্ট ফাণ্ড সেইটো খৰছ কৰিব নালাগে চৰকাৰলৈ ঘুৰাই পঠাব লাগে । ইনক্লুডিঙ এম এল এ ফাণ্ডৰ ইন্টাৰেষ্ট ফাণ্ড । বিত্ত বিভাগৰ পৰা ক্লিয়াৰেন্স লৈ আমি আগন্তুক দিনত বিষয়টো ক্লিয়েৰ কৰিম । বহু পঞ্চায়তে ইন্টাৰেষ্টৰ টকা পাবলগীয়া আছে । আৰু এম জি এন ৰেগাৰ বৰপেটাত এতিয়া স্কীম চলি আছে - ৪৯, ৮৬৮ টা।

**শ্রীআশ্রাফুল হুছেইন, (চেঙা) ঃ** অধ্যক্ষ মহোদয়, আমি বিচাৰিছো ২০২২ ৰ মাৰ্চ মাহত যিখিনি লৈছে কিয় কেনচেল কৰিলে ?

**মাননীয় অধ্যক্ষ ঃ** প্লিছ , প্লিছ..... যিখিনি আপুনি বিচাৰিছে ইতিমধ্যে ৰিপ্লাই দিছে । এতিয়া দ্বিপায়ণ চক্রৱৰ্ত্তী ।

**শ্রীদ্বিপায়ন চক্রৱৰ্ত্তী, (শিলচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিলচৰ সমষ্টিত আমাৰ এটা ডাঙৰ সমস্যা হ'ল ড্রিংকিং ৱাটাৰৰ সমস্যা । সেইটো কথা চিন্তা কৰি আমাৰ চৰকাৰে Silchar Sadarghat Augmentation Scheme টো ষ্টাৰ্ট কৰিছে । আমাক যোৱা ১৩ চেপ্টেম্বৰ ২০২০ এচেম্বলী চেশ্যনত মোৰ কোৱেশ্চনৰ কোৱেশ্চন নং ৭৭ ৰ ৰিপ্লাইত আমাৰ চৰকাৰে কৈছিলে যে শিলচৰ অগামেন্টেশ্যন স্কীমটো মাৰ্চ - ২০২৩ চনত সম্পূৰ্ণ কৰাৰ বাবে টাৰগেট কৰা হৈছে । কিন্তু মোৰ এনে লাগিছে যে এইটো এই সময় সীমাত সম্ভৱ নহয় । কেতিয়া আমাৰ এই অগামেন্টেশ্যন স্কীমটো শেষ হ'ব। দ্বিতীয়টো কোৱেশ্চন মোৰ শিলচৰ গ্রেটাৰ ৰাম নগৰৰ আণ্ডাৰত ৭ টা ৱাটাৰ চাপ্লাই স্কীম আৰু এই স্কীমকেইটাৰ চোৰ্চ হ'ল ৰাম নগৰ - আনোৱাৰ । এই ৰামনগৰ টু আনোৱাৰ পানীটো চেগমেন্ট সেইটো কাৰণে চৰকাৰ এন আৰ ডব্লিউ ডি পি স্কীমৰ আণ্ডাৰত এই বৰাক ৰিভাৰৰ চোৰ্চটোত এটা কাম ষ্টাৰ্ট কৰিছিলে পাইপ ৱাটাৰ চাপ্লাই স্কীম। এইটো স্কীমৰ ৫৫ পাৰ্চেন্ট কাম কমপ্লিট হৈছে। কিন্তু এন আৰ ডি পি স্কীম চৰকাৰে বন্ধ কৰাৰ পিচত আমাৰ চৰকাৰে এচ ও পি ডিৰ আণ্ডাৰত কনভাৰ্ট কৰি কামটো কৰিবলৈ প্রচেচটো ষ্টাৰ্ট কৰিছিলে । মোৰ কোৱেশ্চনটো হ'ল এতিয়া এচ ও পি ডিৰ আণ্ডাৰত এই স্কীমৰ টেণ্ডাৰ হ'লনে নাই, যদি হ'ল তেতিয়া হ'লে এইটো কেতিয়ালৈ আঁচনিৰ কাম শেষ হ'ব যাতে আমাৰ সমস্যাটো সমাধান হয় ।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল্ মিনিষ্টাৰ ।

**শ্রীজয়ন্ত মল্ল বৰুৱা, (মন্ত্রী, জনস্বাস্থ্য কাৰিকৰী বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো কথা কৈছে এইটো চি এম স্পিচিয়েল পেকেজত দিয়া হৈছিল ২৫ কোটি টকাৰ আঁচনি আছিল। ইয়াৰ ৮৫ শতাংশ কাম সম্পূৰ্ণ হৈছে। কিন্তু কাম কৰি থকা সময়তে তাত কিছু revise estimate প্রয়োজন হৈছিল, তাত আৰু টকাৰ প্রয়োজন হৈছিল। সেই কাৰণে পিছত আকৌ প্রায় ২ কোটি টকা, এক কোটি ৯৮ লাখ টকাৰ এটা নতুন estimate, কাৰণ

কামটো তাৰ লগত সেই ২৫ কোটি টকাৰ ভিতৰত সম্পূৰ্ণ নহয়। যিখিনি কাম আগৰ কাম আছিল তাৰ ৮৫ শতাংশ সম্পূৰ্ণ হৈছে। এই ২ কোটি টকাৰ যিটো অতিৰিক্ত কাম হৈছে তাৰ কাৰণে আমি এইবাৰ বাজেটত আগ্ৰহ প্ৰকাশ ৰাখিছো যে এই বাজেটত এই পইচাটো পাম। পালে আমি এই বছৰৰ ছেপ্তেম্বৰ মাহৰ পৰা ডিচেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰিম। গতিকে আমাৰ যি বাকী কাম আছে আগৰ ১৫ শতাংশ আৰু নতুন যিখিনি কাম সেই গোটেইখিনি মিলাই প্ৰায় ৬.৫ কোটি টকাৰ কাম বাকী আছে। সেইখিনি ডিচেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিম। তাৰ লগে লগে আমাৰ যিটো ৰামনগৰৰ আঁচনি সেইটো NRDWP ত আছিল, সেইটো conversion আঁচনিত দিয়া হৈছিল। তাৰ কাৰণে আমাৰ ইতিমধ্যে প্ৰচেচ আছে। গতিকে প্ৰচেচত আছে আমি চিন্তা কৰিছো যে এইটোও আমি কেনেকৈ সম্পূৰ্ণ কৰিব পাৰো, কাৰণ তাৰ বাবে Head of Account ৰ conversion প্ৰচেচ চলি আছে। দ্বিতীয়তে, মন্ত্ৰী হিচাপে আছো যিহেতুকে টাউনৰ বেছিভাগ পানী যোগান আঁচনিৰ বাবে বহুত বিধায়কৰ আবেদন নিবেদন মোলৈ আহে। আচলতে জনস্বাস্থ্য কাৰিকৰী বিভাগ টাউনৰ পানী যোগান আঁচনিৰ বাবে দায়বদ্ধ নহয়। আমি গ্ৰাম্য এৰিয়াতহে পানী যোগান আঁচনিৰ কাম কৰো। গতিকে এতিয়া পানী যোগান মানে পিএইচই বুলিয়ে ভাৱে সেইকাৰণে সকলো টাউনৰ পানী যোগান আঁচনিৰ বাবে আমাৰ ওচৰত অনুৰোধ কৰে, আচলতে টাউনৰ পানী যোগান আঁচনিৰ মন্ত্ৰী হ'ল অশোক সিংঘল ডাঙৰীয়া। তথাপিতো আমি যি সমূহ পি এইচ ই বিভাগৰ আঁচনি আগতে চলাই আছিলোঁ, সেই আঁচনিবোৰ আমি এতিয়াও চলাই আছোঁ। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইবাৰ বাজেটত যিকেইটা বিভিন্ন, কেবিনেটত যি বিলাক আঁচনিৰ কথা কৈছিল, যেনেকৈ যোৰহাট, শিলচৰ, বদৰপুৰ এনেকৈ যিখিনি নতুনকৈ আঁচনি লৈছিল, সেইখিনি পি এইচ ই বিভাগকে কৰিবলৈ দিয়াৰ কাৰণে আমি কৰি আছোঁ। কিন্তু মুখ্যত বিভিন্ন প্ৰশ্ন মোৰ তাত আহে, ইভেন এইবাৰো Assembly ত বহুত প্ৰশ্ন আহিছে টাউন পানী যোগান আঁচনিৰ বাবে। টাউন পানী যোগান আঁচনিৰ কাম পি এইচ ই য়ে নকৰে, আগৰ যিখিনি আঁচনি চলি আছে সেইখিনি continue কৰি আছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মোঃ নুৰুল হুদা। প্ৰশ্ন নং ২৮। তেখেত অনুপস্থিত। এতিয়া শ্ৰীপ্ৰদীপ হাজৰিকা, প্ৰশ্ন নং ২৯। মাননীয় মন্ত্ৰী।

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, এই উত্তৰটো আচলতে ৰাজহ বিভাগে দিব লাগে। আপুনি এটা instruction দিছিল যে যি বিভাগৰে নহলেও যাৰ তাত প্ৰশ্ন সোধে তেওঁ উত্তৰ দিব লাগিব বুলি কৈছিল, তাৰ বাবে সদনত উত্তৰ দিয়া আছে।

**শ্ৰীপ্ৰদীপ হাজৰিকা, (আমবাৰী) ঃ** অধ্যক্ষ মহোদয়, অসমৰ সত্ৰ সমূহে অসমৰ সমাজ খনৰ আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক দিশত অভূতপূৰ্ব বৰঙণি আগবঢ়াইছে। যোৱা ৬০০ বছৰ এই সত্ৰ সমূহে বৰঙণি আগবঢ়াইছে আৰু সেই কাৰণে অসমীয়া সমাজখন শৃংখলিত, মাৰ্জিত, সু-ৰুচিপূৰ্ণ আৰু অতিথিপৰায়ন। এতিয়া এই সত্ৰসমূহৰ আজিলৈকে কোনো ধৰণৰ অপবাস হোৱা নাছিল, কিন্তু এই আইনখন আনি সত্ৰ সমূহৰ মাটি এটা ৰাতিৰ ভিতৰতে কাৰোবাক গুচাই দিয়াৰ কাৰণে সত্ৰ সমূহে সাংঘাটিক ধৰণে চাফাৰ কৰিছে। গতিকে এই আইনখন Regilious Act, যিখন 1959 ত আনিছে, তাৰ আগতে এখন ১৯৫৬ ত Ceiling Act আনিছিল। এতিয়া সত্ৰ সমূহ জমীদাৰৰ নহয়, landlord নহয়। সেই কাৰণে মই কেতিয়াবা ভাৱো যে এই আইনখন implementaionৰ ক্ষেত্ৰত execution ৰ ক্ষেত্ৰত নিশ্চয় কিছু আসোঁৱাহ ৰৈ গৈছে, সেই কাৰণে মন্ত্ৰী মহোদয়ে এইটো চাব নেকি, চাই ঠিক কৰিলে সত্ৰ সমূহৰ যথেষ্ট সুবিধা হ'ব।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)** ঃ অধ্যক্ষ ডাঙৰীয়া, এই বিষয়টো গুৰুত্বপূৰ্ণ বিষয় দাঙি ধৰিছে মাননীয় প্ৰদীপ হাজৰিকা ডাঙৰীয়াই আৰু এইটো সুবিধা লৈ বিভিন্ন মাটি বিভিন্ন মানুহক হস্তক্ষেপ কৰা আমি দেখিছোঁ। গতিকে এই বিষয়টো মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে ৰাজহ বিভাগৰ লগত এই বিষয়টো, ইয়াত যদি কিবা নতুন কৰিব লগীয়া আছে বা কৰবাত amendment কৰিব লগীয়া আছে, এই বিষয়ত আমি আগন্তুক দিনত চিন্তা কৰিম।

মাননীয় অধ্যক্ষ ঃ ঠিক আছে। এতিয়া শিবু মিশ্ৰ। প্ৰশ্ন নং ৩০।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীশিবু মিশ্ৰ, (লামডিং)** ঃ অধ্যক্ষ মহোদয়, specific বেলেগ ইচ্ছু নাই, আমাৰ মন্ত্ৰী মহোদয়ে দিয়া উত্তৰ খিনি মই পাইছোঁ। ৯০ শতাংশ কাম হৈছে বুলি কৈছে। মূল কথা হৈছে ২০১৭ বৰ্ষতে লোৱা আঁচনি। তেতিয়াৰ বিত্ত মন্ত্ৰী আজি মুখ্যমন্ত্ৰী, pipeline হৈছে, ইন্টাৰকাউণ্ট হৈছে, সকলো হৈছে। আল্টিমেট পানী যোগান এতিয়ালৈকে পোৱা নাই। আজি ডেৰ দুই বছৰ হ'ল, ঘৰে ঘৰে পাইপলাইন হৈছে, পানী যোগান নিদিয়াৰ কাৰণে আল্টিমেটলি কাম বোৰ বেয়া হৈ আছে। ৰাইজে আমাক কৈ আছে যে ডেৰ দুই বছৰ হ'ল, পাইপলাইন হ'ল, পানী কিয় নিদিয়ে? ৫ টা ৱাৰ্ডৰ চেংচনটো পাইছিলোঁ, out of 13 Municipality ৫ টাৰ অৰ্ডাৰ পাইছো আৰু ৮ টাৰ বাদ পৰি গ'ল মিনিচিপালটি এৰিয়াৰ, mechanism technical কিবা আছে নেকি, ফাৰ্ডাৰ ৮ টা ৱাৰ্ড কেনেকৈ বিশুদ্ধ পানী ৰাইজক দিব পাৰোঁ। এইখিনি অনুৰোধ থাকিল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কামটোৰ বিষয়ে মই কৈছো যে ৯০ শতাংশ কাম সম্পূৰ্ণ হৈছে, বাকী ১০ শতাংশৰ কাৰণে আমি কাম কৰি আছো আৰু আমাৰ লক্ষ্য মতে জুলাই যদিও কৈছো, ছেপ্তেম্বৰ অক্টোবৰৰ ভিতৰত আশা ৰাখিছো এই ৫ টা ৱাৰ্ডৰ কাম সম্পূৰ্ণ হ'ব। কিন্তু বাকী মই অলপ আগতে যিটো কথা ক'লো, বাকী ৫ টা ৱাৰ্ড পি এইচ চি বিভাগে কৰিব। এতিয়া নিয়ম মতে টাউনৰ পানী যোগান বহুৱা বিভাগে বা মিনিচিলপাটিয়ে কৰিব লাগিব। এতিয়া যদি আমাৰ চৰকাৰে এচ ও পি ডি আঁচনিত আৰু টকা দিয়ে তেতিয়াহলে আমি অধিনষ্ঠ কৰিব পাৰিম, গ্ৰাম্য নহ'লেও। কিন্তু টাউন এৰিয়াৰ কাৰণে এতিয়া অমৃত আঁচনি আহিছে। আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰি বিভিন্ন নগৰত এই অমৃত আঁচনিৰ কাম আৰম্ভ হৈছে। গতিকে লাহে লাহে টাউনৰ পানী যোগানটো বহুৱা বিভাগে কৰিব। কিন্তু যিহেতু এচ ও পি ডিত আৰু আৱেদন কৰিব পাৰো, বাজেটত নিশ্চয়কৈ ৰাখিম যে কিছুমান আঁচনি দিব লাগে বৈ গৈছে, তেনেকৈ বৈ গৈছে। যদি চৰকাৰে পুঁজি দিয়ে নিশ্চয় তাত কৰিব পাৰিম। কিন্তু আপুনি মুখ্যত এই কামখিনিৰ কাৰণে আমাৰ নগৰীয়া মন্ত্ৰীৰ লগতে বা বহুৱা বিভাগৰ লগতে আলোচনা কৰিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰীচক্ৰধৰ গগৈ। প্ৰশ্ন নং ৩১।

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, সদনত উত্তৰ দিয়া আছে।

**শ্ৰীচক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্ন সুধিছিলো যে অসমত বৰ্তমান পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ পঞ্চায়তৰ কাৰ্য্যালয়ত কি কি পদৰ কিমান কৰ্মচাৰীৰ অভাৱ হৈ আছে? এই দুটা মোক জনাইছে, মাননীয় মন্ত্ৰী মহোদয়ে। ইয়াৰ নিযুক্তি ব্যৱস্থাটো কেনেদৰে কৰিব সেইখিনি তেখেতে জনাইছে। কিন্তু মই এটা কথা জানিব বিচাৰিছোঁ, এই নিযুক্তি প্ৰক্ৰিয়াটোৰ লগত জড়িত হৈ থকা কিমানবোৰ বিষয় আছে যেনে ধৰক যোৱা ৮ বা ১০ বছৰ ধৰি পিয়ন আৰু

চকিদাৰে পঞ্চায়ত বিলাকত কাম কৰি আছে, কিন্তু তেওঁলোকৰ চাকৰি নিয়মীয়া কৰণ কৰা হোৱা নাই। সেই সকল ব্যক্তিয়ে কিন্তু এতিয়াও ভাবি আছে যে তেওঁলোকৰ চাকৰি বিলাক নিয়মীয়াকৰণ কৰা হ'ব। গতিকে এই সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা ল'ব জনালে আমি ভাল পাম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)** ঃ অধ্যক্ষ ডাঙৰীয়া, বহুত তেনেকুৱা মোৰ দৃষ্টিগোচৰ হৈছে কিন্তু আমাৰ চৰকাৰৰ তৰফৰ পৰা তেনেকুৱা কোনো কেজুৱেল হিচাপে নিযুক্তি পত্ৰ দিয়া হোৱা নাই। কোনোবা বি ডি অ' য়ে যদি তেওঁৰ সুবিধাৰ্থে কাম কৰিব দিছে, তেনেকৈ তেওঁলোকে ব্যক্তিগত ভাৱে দুই চাৰি গৰাকীক এটা মাননীৰ আধাৰত দি আছিল। কিন্তু এতিয়া তেঁওলোকে ৮ বা ১০ বছৰ যদিও কৰিছে , কিন্তু আমাৰ তেনেকুৱা প্ৰপোজেল নাই। কাৰণ যিহেতুকে তেওঁলোকক চৰকাৰে কোনো ধৰণৰ তেনেকুৱা কেজুৱেল নিযুক্তিপত্ৰ দিয়া হোৱা নাছিল। গতিকে এই কথাটো মই আগন্তুক দিনত পুনৰ এই বিষয়লৈ আলোচনা কৰিম বুলি জনালোঁ।

**শ্ৰীচক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো মন্ত্ৰী মহোদয়ে ক'লে। কিন্তু কথাটো খুব গুৰুত্বপূৰ্ণ। যদিও চৰকাৰে দিয়া নাই কিন্তু যোৱা ১০ বছৰ বা ৮ বছৰ ধৰি তেওঁলোকে অফিচটো চলাই আছে। গতিকে সেইসকল ব্যক্তিৰ কথা ভৱাতো খুব দৰকাৰ। গতিকে আগন্তুক দিনত ব্যৱস্থা ললে নিশ্চয় ৰাইজ উপকৃত হ'ব।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)** ঃ অধ্যক্ষ ডাঙৰীয়া, তেনেকুৱা আগতে এবাৰ ৰেগুলাইজ কৰিছিল, যি সকল আছিল।এতিয়া সেই প্ৰক্ৰিয়াটো যদি আছে নিশ্চিত ভাৱে তেওলোকক আমি আগন্তুক দিনত সহায় কৰিব পাৰিম। কিন্তু বিষয়টো এতিয়া চৰকাৰৰ ফালৰ পৰা কি হৈ আছে অৱগত নহয়, যদি তেনেকুৱা কিবা আছে আমি চিন্তা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৩২। মজিবুৰ ৰহমান।

**শ্ৰীমজিবুৰ ৰহমান, (দলগাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা মাত্ৰ এটা কথা জানিব বিচাৰিছোঁ যে অংগবাড়ীৰ কৰ্মী আৰু সহায়িকাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা কৰ্মী সকলৰ বাবে ৪৫০০ টকা দিয়ে আৰু ৰাজ্য চৰকাৰে ২০০০ টকা দিয়ে। সহায়িকাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ২২৫০ টকা আৰু আপোনাৰ ৰাজ্য চৰকাৰে ১০০০ টকা।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নকালীন ঘন্টা সমাপ্ত।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া শূন্যকালীন ঘন্টা।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা অনুৰোধ আছিল যে, আমাৰ ইতিমধ্যে প্ৰশ্নকালীন ঘন্টাত আমাৰ দলৰ সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াক সদনৰ পৰা দিনটোৰ বাবে বহিষ্কাৰ কৰা হৈছিল। যদিহে মাননীয় অধ্যক্ষ মহোদয়ে এই বিষয়টো পুনৰ বিবেচনা কৰি তেখেতক সদনত পুনৰ অহাৰ বাবে সুযোগ দিয়ে যেন।

**মাননীয় অধ্যক্ষ** ঃ মই বিষয়টো কংগ্ৰেছ দলৰ মাননীয় উপ-দলপতিৰ অনুৰোধ মৰ্মে উঠাই ল'লো আৰু সদনত তেখেতে আহিব পাৰিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)**ঃ- মাননীয় অধ্যক্ষ মহোদয়, সাময়িক প্ৰসঙ্গ পত্রিকায় প্রকাশিত "পৌরকর বৃদ্ধি নিয়ে জেলা শাসকের দারস্থ নাগরিকরা"—অধ্যক্ষ মহোদয়, স্বামীজি বলেছিলেন, যে বড় লোক নয় বড় মানুষ হও। এবং আমাদের কল্যাণকামী রাষ্ট্রে সরকারের মূখ্য উদ্দেশ্য হচ্ছে মানুষের জন্য কাজ করা। এবং বিগত দিনে শুধু করিমগঞ্জ নয় সমস্ত আসামে এই

বিষয়ে একটি পেনিক সৃষ্টি হয়েছে। গতকাল আমাদের মন্ত্রী মহোদয় ওনার চেম্বারে আমাদেরকে ডেকেছিলেন। এবং সেখানে সেই ব্যপারে দীর্ঘক্ষন আলোচনা হয়।

অধ্যক্ষ মহোদয়, মানুষের মনে এই বিষয়ে যে পেনিক সৃষ্টি হয়েছে তার কারন হচ্ছে সমগ্র রাজ্যের সঙ্গে সঙ্গতি রেখে রাজ্য সরকারের নির্দেশ মতে করিমগঞ্জে এই টেক্স বৃদ্ধি করা হয়েছে। এই বিষয়ে আমরা যখন পর্যলোচনা করি দেখা গেল যে অফিস মেমোরেন্ডামে কি কি লেখা আছে। আমাদের সঙ্গে কোন আলোচনা নেই, কোন মানুষের সঙ্গে কোন আলোচনা নেই হঠাৎ করে টেক্স বৃদ্ধি করা হল। আমি মনে করি, আসামের জনসাধারণ আপনাদের উপর আস্থা রেখেছে আপনাদেরকে মিউনিসিপালটি বোর্ড বানিয়েছে তার অর্থ সেটা নয় যে আপনারা যা ইচ্ছা টেক্স বাড়িয়ে দেবেন। কিসের ভিত্তিতে এই টেক্স বৃদ্ধি হল।যে অফিস মেমোরেন্ডামে লেখা আছে যে The existing zonal Value of Land and the CPWD schedule of Delhi DSR are to be considered and calculation of Annual rental value, the Board have the liberty to justify a fixed percentage of imposition of taxes অর্থাৎ বোর্ডের উপর দায়িত্ব দেওয়া হয়েছে । এবং আমি মনে করি সরকারের তরফ থেকে অনেকগুলো ফান্ড, ডিভোলিউশন ফান্ড দেওয়া হচ্ছে। যার বছরে **১০** হাজার টেক্স ছিল তার **৮৪** হাজার টাকা হয়েছে, যার **৬** হাজার ছিল তার হচ্ছে **৬৪** হাজার টাকা। মানে তার কোন বিচার নেই। মিউনিসিপালিটি কার জন্য?সেই সরকার কার জন্য? সেই কেন্দ্র সরকার কার জন্য? সেই জনসাধারণের জন্যই। কিন্তু মানুষের সঙ্গে, জনপ্রতিনিধির সঙ্গে, আমাদের সঙ্গে কোন আলোচনা নেই। যা ইচ্ছা টেক্স বৃদ্ধি হয়ে গেল। আর টেক্স বৃদ্ধি করে বলা হচ্ছে যে সরকারের তরফ থেকে টেক্স বৃদ্ধি করা হচ্ছে। অধ্যক্ষ মহোদয়,আমি যে কথাটি আগে বলেছিলাম যে সরকারের তরফ থেকে ডিভলিউশন ফান্ড অনেকগুলো ফান্ড দেওয়া হচ্ছে। মিউনিসিপালিটির তরফ থেকে মিউনিসিপালিটি টেক্স বৃদ্ধি করতে হবে। তাতে আমারকোন আপত্তি নেই এবং আমি মনে করি আমাদের সব বিধায়করা এক মত। যে মিউনিসিপালিটির টেক্স বৃদ্ধি করতে হবে। সেই টেক্স বৃদ্ধি করার যে ওল্ড ফান্ড অর্থাৎ টেক্স বৃদ্ধি করার সময় যে পরিবেশ সৃষ্টি করা হল। আজ অন্যান্য ফান্ড আসছে।সেই ওল্ড দিয়ে মিউনিসিপালিটির যা ইচ্ছা খরচ করা সম্ভব হয়। তাই কারো সঙ্গে কোন কথাবার্তা না বলে টেক্স বাড়ানো হয়ে গেল। অধ্যক্ষ মহোদয়, সেখানে ডিএসআর র কথা বলা হয়েছে, দিল্লি সিডোল রেট। দিল্লি মেট্রোপলিটান সিটি। সেখানে যে আমাদের কি সেই ইনফ্রাস্ট্রাকচার আছে? আমাদের সিডিওল **৮৬** অ্যাক্ট , মিউনিসিপালিটি অ্যামেন্ডমেন্ট অ্যাক্ট **১৯৫৬** র মতে মিউনিসিপালিটি চলে । সেখানে **৮৬** এ বলা হয়েছে যে এসেসমেন্ট যেগুলো হবে যেমন অরুনোদয়, যেখানে ছাত্রদেরকে দিয়ে এসেসমেন্ট করা হয়েছিল। আমাদের মিউনিসিপালিটির ক্ষেত্রে সেই ছোট ছোট বাচ্চাদের নিয়ে আমার ঘরে আসল কতটুকু আপনি বলুন কারো ঘরে **৮৪** হাজার কারো ঘরে **২** হাজার টাকা। তাই আমি মনে করি মানুষের মধ্যে এই যে পেনিক সৃষ্টি করা হচ্ছে সে বিষয়ে সরকারের একটি ক্লিয়ারিটি চাই। সরকারের বক্তব্য কি?সেই বক্তব্য বিধানসভায় যাতে স্পষ্ট ভাবে বলা হয়। দ্বিতীয়ত, বড় একটি স্কেম, যে অনলাইন পার্মিশন, বিল্ডিং পার্মিশনের কথা বলা হয়েছে। সেই বিল্ডিং পার্মিশন মন্ত্রী মহোদয় বলছেন অনলাইনে হবে। আমি করিমগঞ্জের তথ্য তুলে ধরছি। শুধু করিমগঞ্জ নয়, অন্যান্য জায়গায়ও হচ্ছে। নর্মেলি রেসিডেন্সিয়েল যেগুলো বিল্ডিং থাকে সেটা **২০০** স্কোয়ার মিটার পার্মিশন দেওয়া সম্ভব হয়। এবং যদি কমার্শিয়াল হয় তাহলে **১৬৬** স্কোয়ার মিটার সাব কমিটির উপর কিছুটা রিলাক্সেশন

দেওয়া হয়েছে সেই অ্যাক্টে। সেখানে রেসিডেন্সিয়েল **১৩৪** স্কোয়ার মিটার আর কমার্শিয়ালি **১০০**। কিন্তু সরকারের অ্যাক্টে থাকা সত্যেও সেই করিমগঞ্জে দেখা যাচ্ছে **৬০** স্কোয়ার মিটার পার্মিশন দেওয়া হচ্ছে **১০-২০** হাজার টাকা ডোনেশন নিয়ে। মিউনিসিপালিটিতে ডোনেশনের কোন প্রভিশন নেই। তথাপি ডোনেশন নিয়ে পার্মিশন দেওয়া হচ্ছে। এই যে অরাজকতা সেটা বন্ধ করতে হবে। মন্ত্রী মহোদয় বললেন যে অনলাইন পার্মিশনের ব্যবস্থা করা হয়েছে। আমাদের অনেক ভালো ভালো বিষয়া অফিসাররা আছেন। কিন্তু দেখা যাচ্ছে কিছু কিছু বিষয়া আধিকারিকদের জন্য এই অবস্থা। বিশ্রী একটি পরিবেশ সৃষ্টি হয়েছে। আমি সরকারের দৃষ্টি আর্কষন করছি এবং সরকারের সদোত্তর আমরা চাই। এইভাবে পরিবেশ যদি সৃষ্টি হয়, তাহলে এই সরকার কার জন্য। এই সরকার মানুষের জন্য যদি হয় তাহলে এই মিউনিসিপালিটিতে যেভাবে পরিবেশ সৃষ্টি করেছে। গতকাল আপনি মিটিং ডেকেছেন এবং সেই মিটিং এ অনেক কথাই ক্লিয়ার করেছেন। কিন্তু আজ এই বিধানসভায় কথাগুলো বলা হোক। এবং বিধানসভায় যে কথাগুলো বলা হয় সেই কথা যদি পালন করা না হয় তাহলে আমি মনে করি এই বিধানসভাকে অপমান করা হল। আসামের মানুষকে অপমান করা হল। তাই আমরা ক্লিয়ার উত্তর চাই। আজ প্রশ্ন, কাল উত্তর, পরশু কাজ হল না। সেটা আমরা চাই না। আজ যেটা উত্তর দেবেন সেটা যাতে অক্ষরে অক্ষরে পালন করা হয়। সেটাই আজকের দিনে আশা রাখছি। নমস্কার, ধন্যবাদ।

**শ্রী ৰকিবুল হুছেইন, (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কমলাক্ষ দে' পুৰকায়স্থই পৌৰ কৰৰ বিষয়ে যিটো উত্থাপন কৰিছে, আজি এইটো এটা অন্যতম জলন্ত সমস্যা হৈছে। যি সকল বিধায়ক চহৰ অঞ্চলৰ পৰা আহিছে সেই এলেকাত হাহাঁকাৰ সৃষ্টি হৈছে। মোৰ লগত তথ্য আছে এটা ঘৰৰ ২ লাখ টকা পৌৰকৰ নিৰূপণ কৰিছে। এই কথাটো মই কাকো দোষাৰোপ কৰিব খোজা নাই। প্ৰত্যকে নিজৰ নিজৰ ওৱাৰ্ডত সভা পাতিছে। আমাৰ কিছুমান দুখীয়া মানুহে লোন লৈ বনায়। টেক্স দি ভাড়া ঘৰত থকাৰ নিচিনা হয়, তেখেতে ঘৰ বনোৱা নবনোৱা একে কথাই হ'ব। এই কথাটো চৰকাৰে অতি গুৰুত্ব সহকাৰে ল'ব লাগে। টেক্সৰ সংক্ৰান্তত এটা স্পষ্ট নীতি নিৰ্দেশনা থাকিব লাগে। সকলোৰে জানিব লাগে যে, কিমান শতাংশকৈ পৌৰকৰ বৃদ্ধি কৰা হ'ব আৰু কিমান শতাংশকৈ সমভাবে বাঢ়িলে আমাৰ কোনো আপত্তি নাথাকে। এই কথাটো মাননীয় অধ্যক্ষৰ জৰিয়তে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো।

**শ্ৰী ৰূপক শৰ্মা, (নগাঁও)**ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ পৰা কেইদিনমান আগতে পৌৰ সভা সমূহৰ পৰা কাৰ্য্যবাহী বিষয়া, অভিযন্তা সকলক এটা ট্ৰেনিং দিয়া হৈছিল। তাত এটা গাইডলাইন দিয়া হৈছিল, যিটো standard calculation of property tax as per operational guideline about the number of UDD/M/136/2022/18-dated 28-06-2022. তাত এটা Software ৰ কাৰণে যিটো আমাক Head বনাই দিলে যাৰ কাৰণে calculation কৰিবলৈ গৈ দেখা পোৱা গ'ল যে, কৰটো বহুত বেছি হ'ল। মোৰ নগাওঁ জিলাতো মানুহৰ মাজত এনেকুৱা এটা হাহাঁকাৰ অৱস্থাৰ সৃষ্টি হ'ল, য'ত আগতে পৌৰকৰ ৪ হাজাৰ টকা আছিল, সেইটো গৈ ৬০ পৰা ৭০ হাজাৰ টকা হ'ল। এনেকুৱা পৰিবেশত মানুহৰ মাজত এটা চিন্তাৰ বিষয় হৈ পৰিছিল। কিন্তু এই গোটেই কথাখিনি কি ধৰণে কি হ'ল আৰু এই নিয়মবোৰ কাৰ্য্যকাৰী কৰিবলৈ কৰ্মশালাৰ আয়োজন কৰিব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এক গুৰুত্বপূৰ্ণ বিষয় আজি সদনৰ মজিয়াত উত্থাপন কৰা হৈছে। বিষয়টো হ'ল অসমৰ নগৰ অঞ্চলত পৌৰ সম্পত্তি কৰক লৈ। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় সদনক জনাব বিচাৰো যে, অসমত প্ৰায় ১০২ টা পৌৰ সভা আছে। তাৰ ভিতৰত এই পৌৰ সভাৰ অৱস্থাবোৰ মই কৈ দিব বিচাৰো। বহুত পৌৰ সভা আছে য'ত স্থাপনা হোৱাৰ পৰা আজিলৈকে কোনো ধৰণৰ Assesment হোৱা নাই। পাঠশালা পৌৰসভা হোৱাৰ পৰা আজিলৈকে কোনো ধৰণৰ Assesment হোৱা নাই। গহপুৰ, সোঁণাৰী, চিলাপথাৰ, গৌৰীপুৰ, গোলকগঞ্জ, নাহৰকটীয়া, চাবুৱাতো হোৱা নাই। নাহৰকটীয়া, চাবুৱা , টীয়ক আৰু তিতাবৰত হোৱা নাই। বহুত Municipality আছে য'ত আজিলৈ কোনো ধৰণৰ Re-assessment নহ'ল আৰু তাত বেছি ভাগতে কোনো ধৰণৰ property tax collection কৰা নহয়। য'ত assessment হৈছে তাৰ কথাটো আপোনালোকক অলপ জনাব খোজো। ডিব্ৰুগড়ত শেহতীয়াকৈ Reassessment হৈছিল ১৯৮৪ত, শিলচৰ Municipal Board ত Reassessment হৈছিল ২০১৩ চনত। যোৰহাটত হৈছিল ১৯৯৮ চনত, শিৱসাগৰত হৈছিল ১৯৯১ত কোকৰাঝাৰত হৈছিল ১৯৮৭ ত। তাৰ অৰ্থটো হ'ল অসমৰ নগৰ অঞ্চলত থকা Municipal Board বোৰৰ Act আছে যে প্ৰত্যেক ৫ বছৰে Reassessment কৰিব আৰু Reassessment কৰি যদি tax ৰ কিবা কম বেছি কৰিব লগা থাকে , তেখেতসকলে এই Municipality ৰ বাসিন্দাসকলক জনাব, এক মাহৰ সময় দিব, claim and objection ল'ব আৰু ৫ বছৰৰ পিছত নতুন এটা চিষ্টেমত নতুন এটা ৰেটত assessment কৰি tax collection বোৰ আৰম্ভ কৰিব। আজি ৩০ বছৰ ৪০ বছৰ আৰু বহু ক্ষেত্ৰত আৰম্ভণিৰ পৰা যেতিয়া Municipal Board গঠন হৈছিল তাৰ পাছত কোনো ধৰণৰ assessment হোৱা নাই আৰু কোনোধৰণৰ tax collection ৰ ব্যৱস্থা নাই তাৰ ফলত কি হ'ল, Municipality এখন যিটো নিজৰ ভৰিত ঠিয় হৈ থাকিব লাগিছিল, Municipality আৰ্থিকভাৱে স্বাৱলম্বী হ'ব লাগিছিল, এই বিলাক দিব্যাঙ্গত পৰিণত হ'ল। দৰমহা দিবৰ কাৰণে চৰকাৰৰ ওপৰত আশ্ৰিত। লাইটৰ বিল দিবৰ কাৰণে চৰকাৰৰ ওচৰত আশ্ৰিত, Municipality বোৰ নগৰ অঞ্চলত গঠন হোৱাৰ মুল উদেশ্যটো আছিল ৰাইজক সুবিধাবোৰ দিব পাৰিম, জাৰৰ জোথৰ উঠাব পাৰিম, লাইট দিব পাৰিম, ৰাস্তা- ঘাট নিৰ্মাণ কৰিব পাৰিম। ড্ৰেইন বনাই দিব পাৰিম, কৃত্ৰিম বান পানীৰ পৰা ৰাইজক মুক্ত ৰাখিব পাৰিম, এই বিলাক সুবিধা আমি দিব পাৰিম। টয়লেট আমি বনাই দিব পাৰিম, যিটো কমিউনিটি টয়লেট কোৱা হয়, বজাৰ আমি ভালকৈ চলাম, বজাৰত এটা ভাল পৰিবেশ আহিব, কিন্তু পইচাৰ অভাৱত এই কামবোৰ কোনো দিন কোনো Municipality য়ে কৰিব পৰা নাই। আজিৰ Municipality ৰ কৰ্মচাৰীক দৰমহা দিয়াৰ কাৰণে যদি চৰকাৰে পইচা নিদিয়ে, মানুহে দৰমহা নাপায়। যদি চৰকাৰে পইচা নিদিয়ে, অলপ যি লাইট Municipality ত জ্বলি আছে, Municipality য়ে লাইট জ্বলাই ৰাখিব নোৱাৰে। ভাৰত চৰকাৰৰ যিটো মাৰ্গ দৰ্শন তাত কোৱা হৈছে যে, Urban reforms কৰিব লাগে। যোৱা ১৮ মাহত 6tier reforms ৰ কথা কেন্দ্ৰীয় চৰকাৰে কৈছে আৰু আপোনাৰ মাধ্যমত মই সদনক জনাবলৈ পাই সুখী হৈছো, যে যোৱা ১৮ মাহত মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত Housing and Urban Affairs Department য়ে 6tier reforms আমি সম্পূৰ্ণ কৰিলো আৰু ভাৰত চৰকাৰক জমা দিলো। মই ভাবো যে 6tier reforms কৰি ভাৰত চৰকাৰৰ তাত প্ৰথম যিখন ৰাজ্যই আৱেদন দিছিল যে আমি reforms বোৰ সম্পূৰ্ণ কৰিলো, তাৰ ভিতৰত আমাৰ ৰাজ্য অসমো

আছে। তাৰ ফলত মই ভাবো যে ৫ শ কোটি টকাৰ এটা অতিৰিক্ত গ্ৰান্ট Urban and Housing Department য়ে পাব যিটো আমি বিভিন্ন Municipality ৰ জৰিয়তে আমি খৰচ কৰিম। এতিয়া অধ্যক্ষ মহোদয়, আন এটা কথা মই আপোনাক জনাব খুজিছো classification হিচাপে আমি ৩-৪ টা বিভাগত টাউনবোৰ classify কৰিছো। ক্লাছ ১ , ক্লাছ -২, টাউনৰ ভিতৰত এতিয়া মই আপোনাক disparity জনাব বিচাৰিছো। ডিব্ৰগড়ত যদি ১০০০ স্কোৱাৰফিটৰ ঘৰ আছে তেখেতসকলে property tax collection কৰি আছে, ২.৪০ টকা প্ৰত্যেক স্কোৱাৰফিটত তাৰ অৰ্থটো হ'ল ২৪০০ টকা ১০০০ স্কোৱাৰফিট ঘৰ হ'লে ডিব্ৰুগড় Municipality যে property tax collection কৰে, কাষতে তিনিচুকীয়া আছে। তিনিচুকীয়াত ১০০০ স্কোৱাৰফিটৰ ঘৰত ১৮৫০৬ টকা collection কৰে অধ্যক্ষ মহোদয়। যোৰহাটত ১১৬০০ টকা কৰে, বঙাইগাঁৱত ৫৫০০ কৰে, গোৱালপাৰাত ২৫০০ কৰে। গতিকে ইমান disparity কৰে Municipality ৰ property tax collectionত আছে। ৩tier টাউন যদি আপুনি ধৰে বৰপেটা Municipal Board য়ে collection কৰে ১০৬০০ টকা আৰু খাৰুপেটীয়া Municipal Board য়ে collection কৰে ৩৫২.৩৫ টকা প্ৰতি স্কুৱেৰফিট। tier৪ টাউনত যদি যাওঁ অধ্যক্ষ মহোদয়, মৰাণ Municipality য়ে ১০০০ স্কোৱেৰফিটৰ ঘৰৰ কাৰণে collection কৰি আছে ৭৬০০ টকা বৰঞ্চ মৰিয়নিয়ে collection কৰে ৪২০ টকা আপোনালোকে ক'ব পাৰে অধ্যক্ষ মহোদয়, আৰু বহু সদস্যই ক'ব পাৰে যে এই disparity কিয় ? Urban local self Government Municipality বোৰ নিজে এটা Government, তেখেতসকলৰ নিজা আইন আছে। তেখেতসকলে নিজেই কৰ্মচাৰী নিয়োগ কৰিব পাৰে, তেখেতসকলে নিজেই property tax নিৰ্দ্ধাৰণ কৰিব পাৰে। বাকী যদি কিবা tax লগাব খোজে তাৰো প্ৰধান Act ত আছে, যে ক'ত ক'ত tax লগাব পাৰিব, কি পৰিমানত tax লগাব পাৰিব। কেনেকুৱা ৰাজহুৱা ব্যৱস্থা তেখেতসকলে কৰিব, আৰৱান এমেনিটিচ দিয়াৰ ক্ষেত্ৰত পূৰ্ণ অধিকাৰ তেখেত সকলৰ তাত আছে। তাত আমি কোনো ধৰণৰ ইন্টাৰফেয়াৰ কৰাটো উচিত নহয়। কিন্তু মাৰ্গ দৰ্শন আমি মাজে মাজে কৰি থাকো। মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত যেতিয়া reforms আমি আৰম্ভ কৰিলো, এটা মেণ্ডেটৰী reforms আছিল যে property tax collection সমূহ Municipality বোৰত হ'ব লাগিব, আৰু ৰাজ্যৰ যিটো জি ডি পি গ্ৰোথ এই গ্ৰোথৰ লগত সংগতি ৰাখি একে পৰিমানে Municipal tax ও বছৰে বছৰে বৃদ্ধি হ'ব লাগিব। তাৰ অৰ্থটো হ'ল নতুন মানুহে ঘৰ বান্ধিব তাৰ assessment হ'ব লাগে, সঠিকভাবে assessment হ'ব লাগে। এতিয়া অধ্যক্ষ মহোদয়, বহুতে ক'ব পাৰে যে ডিব্ৰুগড়ত ২.৪০ টকা লৈ আছিল তেখেতসকলে যদি ৫ টকা কৰি দিয়ে চৰকাৰে কোৱা নাই ৫ টকা কৰিবৰ কাৰণে। তেতিয়া ১০০ শতাংশৰো অধিক বৃদ্ধি হৈ গ'ল। এতিয়া ডিব্ৰুগড়ে কিমান বৃদ্ধি কৰিব এই অধিকাৰো ডিব্ৰুগড় Municipalityৰ আছে চৰকাৰৰ তাত একো নাই। অধ্যক্ষ মহোদয় এই গোটেই অধিকাৰ Municipality ৰ তাত আছে। কিন্তু Municipality য়ে সঠিকভাবে নকৰাৰ বাবে যোৱা ৪০ বছৰ assessment নহল। অধ্যক্ষ মহোদয়, property tax collection নহ'ল, আৰু Municipality আৰ্থিকভাবে জুৰুলা হৈ গ'ল। তেতিয়া আমি Reassessment কৰিলো। গোটেই অসমত Reassessment হ'ল। Reassessment ৰ পিছত এটা ব্যৱস্থা আছে যে ব্যৱস্থাটো হ'ল মাটিৰ যিটো জোনেল ভেলু অৰ্থাৎ কাৰোবাৰ যদি ১কঠা মাটি আছে, তাৰ জোনেল ভেলু আৰু DSR ৰ যিটো কথা কোৱা হৈছে Delhi schedule of rates এইটো কেন্দ্ৰীয়

চৰকাৰৰ ৰেট। Delhi schedule of rates নলয় যদি PWD ৰ rate লয়, আৰু DSR ৰ rate আৰু PWD ৰ rateৰ মাজত কোনো পাৰ্থক্য নাই। ২৬০৭ টকা DSR ৰ rateআছে ২৬৭০ PWD ৰ rate আছে। এতিয়া ৪০ বছৰ Reassessment হোৱা নাই। য'ত ২.৪০ টকাকে মানুহে দি আছিল, নতুন জোনেল rate হৈ গ'ল। ৪০ বছৰত জোনেল rate কিমান বৃদ্ধি হ'ল, DSR কিমান বৃদ্ধি হ'ল, প্ৰতিজন আছে যে গোটেই ভেলুৱেশ্যনৰ ৭.৫ শতাংশ property tax হ'ব লাগে। যদি ৭.৫ শতাংশ property tax কৰিব যাঁও অধ্যক্ষ মহোদয়, ক'ৰবাত ক'ৰবাত এইটো ১০০ টকা স্কোৱেৰফিটত পৰিণত হয়। তেতিয়া বিভাগৰ তৰফৰ পৰা আমি নিৰ্দেশ দিলো যে যিমান পাৰে আপোনালোকে ৰিবেট দিব পাৰিব। ৰিবেট দিয়াৰ প্ৰভিজন Act ত আছে ৭.৫ কৰাৰ পিছত যদি ১০ টকা হয়, আৰু Municipality য়ে যদি কয়, আমি ৯৯শতাংশ আমি ৰিবেট দিম, তেতিয়া ১০ পইচা টকা স্কোৱেৰফিটত ল'ব পাৰে। এইটো Municipality ৰ rate. ইয়াত চৰকাৰৰ ক'ব লগা একো নাই। কিন্তু পিছত যেতিয়া আমি দেখিলো যে assessment কৰোতে ক'ৰবাত ভুল হৈছে, ৰিবেট যিটো দিব লাগিছিল দিয়া নাই তেতিয়া এটা নতুন জাননী আমি দিলো, যে Municipality বোৰে যদি tax বঢ়াব খোজে , বৰ্তমান যিটো tax লৈ আছে তাৰ পৰা ২৫ শতাংশ বেছি অৰ্থাৎ এক শতাংশৰ পৰা ২৫ শতাংশলৈ আপোনালোকে ল'ব পাৰিব। ২৫ শতাংশৰ বেছি আপোনালোকে ল'ব নোৱাৰিব। যদি ১০ টকা লৈ আছিল, ১২.৫০ টকা ল'ব পাৰিব তাতকৈ বেছি ল'ব নোৱাৰিব। কিন্তু যেতিয়া মই দেখিলো যে বহুত ঠাইত কনফিউজন আছে, নগাঁও, মঙ্গলদৈ এই অঞ্চলবোৰত মই কথা পাতিলো, কথা পতাৰ পাছত মোৰ উপলব্ধি হ'ল যে কথাখিনি সঠিকভাৱে হোৱা নাই। তেতিয়া এখন নতুন জাননী আমি দিলো যে মিউনিচিপালিটি বোৰে যদি টেক্স increase কৰিব খোজে বৰ্তমান যিটো টেক্স লৈ আছে তাৰ পৰা ২৫ শতাংশৰ বেছি ১ শতাংশৰ পৰা ২৫ শতাংশ আপোনালোকে ল'ব পাৰিব। ২৫ শতাংশৰ বেছি আপোনালোকে ল'ব নোৱাৰিব। যদি ১০ টকা লৈ আছিল চাৰে বাৰ টকা ল'ব পাৰিব তাতকৈ বেছি ল'ব নোৱাৰিব। কিন্তু যেতিয়া মই দেখিলো যে বহুত ঠাইত কনফিউজন আছে নগাঁও, মঙ্গলদৈ এই অঞ্চলবোৰত কথা পাতিলো। কথা পতাৰ পিছত মোৰ উপলব্ধি হ'ল যে কথাখিনি সঠিক ভাৱে হোৱা নাই। যোৱাকালি আমি কেইবাজনো বিধায়কক লগত লৈ গোটেই আলোচনাটো কৰিছিলো আৰু আলোচনাত ওলাল যে প্ৰপাৰটি টেক্স বৃদ্ধি হ'ব লাগে আৰু প্ৰপাৰটি টেক্স বৃদ্ধি হওঁতে আমি যিটো ২৫ শতাংশ দিছো, তেখেত সকল সকলোৱে মানিলে। প্ৰায় ৬ গৰাকী বিধায়ক আছিল। তাৰপিছতো মই কেইবাজনো বিধায়কৰ লগত কথা পাতিলো। এতিয়া কৰ'বাত যদি ২ টকা ৪০ পইচা হৈ আছে আৰু তাত যদি আমি ২৫ শতাংশৰ কেপিং দি দিওঁ যে ২৫ শতাংশৰ বেছি বঢ়াব নোৱোৰে তেতিয়াটো ৬০ পইচা বাঢ়িব। ৩ টকাৰ ওপৰত ল'ব নোৱাৰিব। ৩ টকা স্কুয়েৰ ফিটত লৈ মিউনিচিপালিটিয়ে প্ৰপাৰটি টেক্স কালেকশ্যন কৰি যিখিনি ব্যৱস্থা আছে কৰিব নোৱাৰে। কালি বিধায়ক সকলে সিদ্ধান্ত দিলে আৰু আমিও মান্তি হ'লো যে ক'ৰবাত যদি ২৫ শতাংশৰ ওপৰত কোনোবাই কালেকশ্যন কৰিব খোজে তেখেত সকলে চৰকাৰক প্ৰস্তাৱ দিব, চৰকাৰে প্ৰস্তাৱত বিবেচনা কৰি অনুমোদন জনাব। দ্বিতীয়তে আৰু এটা বিষয় আছিল যে স্বচ্ছ ভাৰতৰ কাৰণে জাৱৰ কালেকশ্যৰ বাবে মাহিলী এটা পইচা প্ৰত্যেক ঘৰৰ পৰা লোৱা হৈছিল। যোৱাকালি আমাৰ আলোচনাত মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, ডিব্ৰুগড়ৰ বিধায়ক, যোৰহাটৰ বিধায়ক, নগাঁৰৰ বিধায়ক আৰু বহু কেইগৰাকী বিধায়ক তাত উপস্থিত আছিল। তাত এটা সিদ্ধান্ত হ'ল আৰু এই সিদ্ধান্তক আমি অনুমোদন জনাই দিম যে জাৱৰ কালেকশ্যনৰ কাৰণে

মাহিলী কোনো পইচা মিউনিচিপালিটিয়ে কালেকশ্যন নকৰে। ১ শতাংশ প্ৰপাৰটি টেক্সৰ ১০ শতাংশ, ২০ শতাংশ, ৫০ শতাংশ ল'ব যি percentage তেঁওলোকে ল'ব খোজে প্ৰপাৰটি টেক্স কালেকশ্যনৰ সময়তে স্বচ্ছ ভাৰতৰ যিটো ফিজ আছে তাৰো কালেকশ্যন কৰিব। ৰাইজৰ ওচৰত বাৰে বাৰে আমি পইচা বিচাৰি নাযাঁও, যি পইচা ল'ব লাগে আৰু আমি যিমান সুবিধা দিম একেবাৰে টেক্স কালেকশ্যন কৰিব লাগে আৰু বাৰে বাৰে ৰাইজৰ ওচৰলৈ যাব নালাগে এনেকুৱা এটা ব্যৱস্থা আমি কৰিবলৈ আগবাঢ়িছো। মাননীয় অধ্যক্ষ মহোদয়, তেখেতে বিল্ডিং পাৰমিশ্যনৰ কথা কৈছে, মই আজি আপোনাৰ জৰিয়তে সদনক জনাব বিচাৰিছো যে যে মিউনিচিপাল বোৰ্ড থকা বিধায়ক সকলে নিজেও অলপ চোৱা-চিতা কৰিলে, কাৰণ তাত চৰকাৰৰ অধিকাৰ বহুত বেছি নাই। মিউনিচিপাল বোৰ্ডে যিবিলাক সিদ্ধান্ত এক্টৰ মতে লয় তেখেত সকলৰ এইটো স্বাধীনতা আছে লিবাৰটি আছে যে তেখেত সকলে সিদ্ধান্ত লৈ চলিব পাৰিব। নিজৰ নিজৰ মিউনিচিপালিটিখন যদি আমি অলপ নিজে চোৱাচিতা কৰো মই ভাবো যে আমাৰ চহৰখনক আমি বহুত ভাল কৰি ল'ব পাৰিম। স্বচ্ছতাৰ ক্ষেত্ৰত মই আপোনাৰ জৰিয়তে সদনক জনাবলৈ পাই সুখী হ'ম যে NGT ত এটা কেচ চলি আছিল আৰু ভাৰতৰ প্ৰত্যেকখন ৰাজ্যত এই কেচবোৰ NGT ত চলি আছিল। কেচবোৰ চলি থাকোতে বহুত ৰাজ্যত জৰিমনা কৰা হ'ল। মহাৰাষ্ট্ৰক চাৰে বাৰ হাজাৰ কোটি টকাৰ জৰিমনা কৰা হ'ল, পাঞ্জাৱ, পশ্চিমবংগ আদি ৰাজ্যত জৰিমনা কৰা হ'ল। কিন্তু অসমে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত যিবিলাক কাৰেকটিভ মেজাৰচ্ ললো, যে জাৱৰ নিস্পত্তিয়ে হওঁক, লিগেচী ৰেষ্ট হওঁক তাৰ বাবে অসমত NGT য়ে অসমত জুৰমানা লগোৱা নাই। আকৌ ডিচেম্বৰ মাহত আমাৰ শুনানি হ'ব। তাত যদি আমি দেখুৱাব পাৰো যে আমি বহুতখিনি কাম আগবঢ়াইছো তেতিয়া NGT ৰ এই যিটো কেচ চলি আছে তাৰ পৰা হয়তো আমি বাহিৰ হ'ব পাৰিম। অসমৰ ১০২ টা মিউনিচিপালিটি য'ত য'ত লিগেচী ৰেষ্ট আছে, ৩০-৪০ বছৰ পুৰণা আজিলৈ জাৱৰ নিস্পত্তি হোৱা নাই এই জাৱৰবোৰ পৰি আছে, এই বছৰতে গোটেই মিউনিচিপালিটি বোৰত এই লিগেচী ৰেষ্ট পুৰণা জাৱৰ নিস্পত্তি কৰাৰ বাবে আমি কাম আৰম্ভ কৰি দিম। বহুত মিউনিচিপালিটি আছে যিবিলাক মিউনিচিপালিটিত স্বচ্ছ ভাৰতৰ যিটো মিউনিচিপাল চলিড ওৱেজ আছে এই মিউনিচিপাল চলিড ওৱেজ নিস্পত্তিৰ কোনো ব্যৱস্থা নাই। মই আপোনাৰ জৰিয়তে সদনক জনাই সুখী হ'ম যে প্ৰত্যেকটো মিউনিচিপাল বোৰ্ডত য'ত য'ত মাটি আবণ্টন হোৱা নাছিল বেছিভাগ মিউনিচিপাল বোৰ্ডত আমি স্বচ্ছ ভাৰতৰ প্লানৰ কাৰণে, মিউনিচিপাল চলিড ওৱেজ ট্ৰিটমেণ্টৰ কাৰণে মাটি আবণ্টন কৰা হৈছে আৰু এই বছৰতে ১০২ টা মিউনিচিপালটিত মিউনিচিপাল চলিড ওৱেজ নিস্পত্তিৰ কাৰণে আমি প্লান আৰম্ভ কৰিম য'ত আপোনালোকৰ চহৰৰ জাৱৰ আপোোলোকে ভালকৈ নিস্পত্তি কৰি ল'ব পাৰিব। মাননীয় অধ্যক্ষ মহোদয়, স্বচ্ছতা কেৱল কোৱা কথা নহয়, আমি সকলোৱে প্ৰেক্টিজ কৰিব লাগিব, আমি সকলোৱে এচিভ কৰাৰ কাৰণে কাম কৰিব লাগিব। অসমৰ বস্তি স্বচ্ছতাৰ ক্ষেত্ৰত বহুত পিছপৰি আছে। যদি সকলো সদস্যই গুৰুত্ব দি নিজৰ নিজৰ অঞ্চলত স্বচ্ছতা অভিযান আৰম্ভ কৰে মই ভাবো যে এইখিনি কাম আমি কৰি ল'ব পাৰিম। ইয়াত ও.বি.পি.এচ ৰ এটা প্ৰশ্ন উত্থাপন কৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত এই ৰিফৰ্মচ যে আমি এচিভ কৰিলো তাত আন এটা ৰিফৰ্মচ্ আছিল আৰু মাননীয় সদনে এই ৰিফৰ্মচ্‌বোৰৰ ওপৰত মাননীয় বিধায়ক সকলে অনুমোদন দিছে। প্ৰথম ৰিফৰ্মচ্‌টো আছিল গোটেই অসমৰ কাৰণে building by law অনুমোদন দিয়া হৈছে। OBPS আমি আৰম্ভ কৰিছো। কিন্তু কিছু আই টি ছফ্টৱেৰৰ বিজুতি হোৱাৰ কাৰণে সেইটো সক্ষম হৈ উঠা নাই। যদিও মই

ভাবো অতি সোনকালে কাৰ্যক্ষম কৰিব পাৰিম। এবাৰ OBPS আৰম্ভ হৈ গ'লে চাৰ্ভাৰটো যেতিয়া ক্লাউডত থাকিব তেতিয়া এই কামটো ভালদৰে চলি থাকিব। গুৱাহাটীত OBPS টো চলি আছে। লগতে অসমৰ বিভিন্ন ঠাইত এই OBPS টো চলি আছে। অসমৰ প্ৰতিটো মিউনিচিপালিটিত এই OBPS টো কৰিব পাৰিম আৰু এই প্ৰক্ৰিয়াটোৰ ইতিমধ্যেই মাষ্টাৰ প্লেনৰ ওপৰত ২০২৩ চনতেই অনুমোদন দিম। OBPS ৰ ক্ষেত্ৰত আৰু এটা কথা ক'ব বিচাৰিছো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সহজ ঘৰ আঁচনি আমি আৰম্ভ কৰিছো আৰু ground plus two ঘৰ বনাবৰ কাৰণে আমি OBPS কৰিব নালাগে। তাৰ পৰিবৰ্ত্তে আমি যেতিয়া ঘৰ বনোৱাৰ কাৰণে আবেদন কৰিম তেতিয়া আপোনালোকে instant permission পাব। আগতে ৬ মাহৰ পৰা ১ বছৰৰ ভিতৰতো আমি পাৰমিশ্যন পোৱা নাছিলো। কিন্তু আজি আমি ৫ মিনিটৰ ভিতৰতে পাৰমিশ্যন পাঁও। এই ৰিফৰ্মচ্‌ৰ জৰিয়তে অসম যিদৰে আগবাঢ়ি গৈছে সেইটো মই এই সদনত ক'ব বিচাৰিম যে আমাৰ মাননীয় বিধায়ক সকলে এই ৰিফৰ্মচ্‌বোৰ ভালদৰে অধ্যয়ণ কৰি আমাক সহযোগ কৰক আৰু নগৰীয়া অঞ্চল সমূহক আমি উন্নত কৰিব বিচাৰিছো যাতে এই নগৰীয়া অঞ্চলবোৰ শ্লাম হ'ব নালাগে হেপিনেচ হ'ব লাগে। তাৰবাবে আমি মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত কাম কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভা চলি থকা অৱস্থাত হুলস্থুল হৈ থকা পৰিবেশৰ পৰা যিটো ক্লিয়াৰিফিকেশন দিলে মই ভাবো সেইটোৱে যথেষ্ট সকাহ পাব কাৰণ পূৰ্বৰ মোৰ তাত তথ্য আছিল যদিও এতিয়া দিয়াৰ প্ৰয়োজন নাই। কাৰণ ৩০০ শতাংশ বাঢ়িছে, ক'ৰবাত ২০০ শতাংশ বাঢ়িছে। কেৱল মই চৰকাৰক এটা অনুৰোধ কৰিব বিচাৰিছো যে তেঁও যেতিয়া ক্ৰাইটেৰিয়া দিছে তেতিয়া তেঁও কৈছে যে তিনিচুকীয়াত ইমান, শিৱসাগৰত ইমান। যদি পৰা যায় এটা বস্তু চাব লাগে যে মই জনাত গুৱাহাটীতকৈ তিনিচুকীয়াৰ পৰা চৰকাৰে ৰাজহ বেছি পায়। গতিকে এই ৰাজহখিনি ক'ৰ পৰা সংগ্ৰহ হৈছে সেই বস্তুটো চাব লাগে। আজি আমি মৰিয়ণিৰ লগত তিনিচুকীয়া বা ডিব্ৰুগড়ক মিলালে নহ'ব। কাৰণ আমাৰ উপাৰ্জনটো য'ত বেছি হয় এইক্ষেত্ৰত মিউনিচিপালিটিৰ পৰা উপাৰ্জনটো নিশ্চয় বেছি হ'ব। সকলোতে যদি বেচিক টেক্সটো বাঢ়ি যায় তেতিয়াহ'লে আমাৰ সৰু সৰু নগৰবোৰ যেনে ৰহা আদি ঠাইবোৰত নগৰ কৰিব বিচাৰিছো সেইবোৰ অঞ্চলৰ লোক সকলে ক'ব বিচাৰিছে যে আমাক আকৌ পঞ্চায়তৰ অধীনতেই অন্তৰ্ভুক্ত কৰক। তেতিয়াহে আমি চৰকাৰী আঁচনি সমূহ লাভ কৰিব পাৰিম। আমাক নগৰীয়া অঞ্চলৰ অন্তৰ্ভুক্ত কৰিব নালাগে। ইমানদিন নবঢ়াৰ কাৰণে একেলগে ৫০০ বঢ়াতকৈ আমাক ৰিফৰ্মচ্‌টো লাগে। এনেধৰণে কৰিলে যথেষ্ট সকাহ পাব। এই ক্ৰাইটেৰিয়াটো বাচোতে নতুন নতুন যিবোৰ নগৰ সমিতি আৰু মিউনিচিপালিটি হৈছে সেইখিনিও যাতে এই ধৰণে ৰাজহৰ ওপৰত নিৰ্ভৰ কৰি সেইটো বিচাৰ কৰে। তাৰ বাবে মোৰ অনুৰোধ থাকিল।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অন লাইনৰ পাৰমিশ্যনৰ যিটো কথা মন্ত্ৰী মহোদয়ে ক'লে সেইটো সোনকালে কৰিব লাগে। মই জানিব পাৰিছো যে বহু ক্ষেত্ৰত অফ লাইনৰ জৰিয়তে বহুখিনি দুৰ্নীতি সংঘটিত হৈছে। কিমান দিনৰ ভিতৰত এই ব্যৱস্থাটো হ'ব সেইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী অশোক সিংহাল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় দুগৰাকী সদস্যই দুটা পৰামৰ্শ দিছে আৰু মই আপোনাৰ জৰিয়তে জনাব বিচাৰিছো যে দুখীয়া মানুহবোৰে যিবিলাকৰ যিবোৰ ই

ডব্লিউ এচ ঘৰ আছে আৰু এই ই ডব্লিউ এচ ৰ অৰ্থটো হ'ল ই ডব্লিউ এচ ৰ কেটেগৰীৰ যদি কোনোবাই ঘৰ বনাইছে বা সেই চাইজৰ ঘৰ বনাইছে বা ৩৩৩ স্কুয়েৰ ফিটৰ ঘৰ বনাইছে তাৰ মেক্সিমাম টেক্স ১০০০ টকা হ'ব পাৰিব। তাত মিউনিচিপালিটিয়ে কেলকুলেশ্যন কৰি টেক্স নলয়। তাত ফিক্স টেক্স ল'ব। ই ডব্লিউ এচ ৰ যদি দুখীয়া মানুহৰ ঘৰ আছে ফিক্স টেক্স ১০০০ টকাৰ ল'ব আৰু যদি আসাম টাইপৰ ঘৰ আছে, তাত মাত্ৰ ৫০০ টকা টেক্স ল'ব, এই কথাটো আমি জনাইছো। সৰু চহৰৰ ক্ষেত্ৰত যিটো কৈছে যে কমকৈ বঢ়াব লাগে, বঢ়োৱাৰ অধিকাৰ মিনিচিপালটিৰ আছে। আমি কৈছো যে আপুনি যদি দহ টকা লৈ আছে আৰু আপুনি এক শতাংশ যদি বঢ়াই তেতিয়া দহ টকা দহ পইচা হ'ব, বিভাগৰ কোনো আপত্তি নাই।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া Rule 54, সন্মানীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা breach of privilege আছে। I have sent a notice of breach of privilege।

**মাননীয় অধ্যক্ষ** ঃ এইটো আজি নালাগে। আপুনি মোৰ লগত কথা পাতিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০২৩ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে "আমাৰ অসম" কাকতত প্ৰকাশিত "দেশৰ সৰ্বাধিক প্ৰদুষিত চহৰৰ তালিকাত গুৱাহাটীসহ অসমৰ ৫ খন" শীৰ্ষক বাতৰিটো মই মাননীয় বিজ্ঞান, প্ৰযুক্তি তথা জলবায়ু পৰিবৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, সাম্প্ৰতিক সময়ত বিশ্ব ব্ৰহ্মাণ্ডৰ সকলো দেশতে এটা অতি চিন্তানিয় আৰু লগতে এটা চৰ্চাৰ বিষয় বস্তু হৈছে প্ৰদুৰ্ষণ। আমি বিশেষভাৱে জানো যে প্ৰত্যেকখন দেশৰ বায়ু, পানী, মাটি আৰু শব্দ প্ৰদুৰ্ষণে আজি এটা ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিবেদন ভাৰতবৰ্ষত ১৩১ খন চহৰত সৰ্বাধিক প্ৰদুৰ্ষিত হৈছে। এই ১৩১খন সৰ্বাধিক প্ৰদুৰ্ষিত চহৰৰ ভিতৰত অসমৰ ৫ খন চহৰ আছে। সেই ৫ খন হ'ল গুৱাহাটী, নলবাৰী, নগাঁও, শিৱসাগৰ আৰু শিলচৰ। আমি কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিবেদনৰ দেখিছো বিশেষকৈ গুৱাহাটী মহানগৰীৰ বায়ুমণ্ডত AQI অৰ্থাৎ বায়ুৰ মান সুচাঙ্ক। Air Quality Index আমাৰ ইয়াত ৩০০ ৰো অধিক ঘৰি আছে। এতিয়া AQI গুৱাহাটী মহানগৰীৰ যিটো বায়ুমণ্ড, এই বায়ুমণ্ডত থাকিব লাগে ০-৫০। কিন্তু গুৱাহাটী মহানগৰীত আছে ৩০০ ৰো অধিক। আমাৰ মাজতে বিশেষকৈ মাঘ বিহুৰ সময়ত গুৱাহাটী মহানগৰীৰ বায়ুমণ্ডৰ ধুলি ধোৱা লগতে ভাষমান অনাই যি কোৱলি আছে, এই কোৱলিৰ লগত মিলি বায়ুমণ্ডত যিটো ধোৱাৰ চামনি পৰিছিল, সেই চামনিয়ে গোটেই গুৱাহাটীক আতংকিত কৰি তুলিছিল। সেই সময়ত আমি যদি চাওঁ, সেই সময়ত Air Quality Index আছিল ২০২৩ চনৰ ১৪ জানুৱাৰীত আছিল প্ৰায় ৩২০, ১৫ জানুৱাৰীত আছিল প্ৰায় ৩৭৫, ১৬ জানুৱাৰীত আছিল প্ৰায় ৩৬৩, ১৭ জানুৱাৰীত আছিল প্ৰায় ৩৪৯। য'ত ০ ৰ পৰা ৫০ থাকিব লাগে, সেই সময়ত Air Quality Index অত্যাধিক আছিল। এতিয়া বিশেষভাৱে বায়ুমণ্ডৰ যিটো প্ৰদুৰ্ষণ, এই প্ৰদুৰ্ষণ আজি অসমত ভয়ঙ্কৰ অৱস্থাত হৈছে। আমি জানো যে গুৱাহাটী মহানগৰীত ৩ খন আছে, এখন ভৰলু, এখন মৰাভৰলু আৰু এখন বাহিনী নদী। আজি এই ৩ খন নদীত মানুহে সৃষ্টি কৰা আৱৰ্জনা, এই আৱৰ্জনা সমূহ নদীত পেলোৱা হৈছে। যিবিলাক উদ্দ্যোগ আছে, এই উদ্দ্যোগৰ পৰা নিৰ্গত হোৱা লেটেৰা পানী আৰু লগতে লেটেৰা আৱৰ্জনা এই নদী তিনিখনত পেলোৱা হৈছে। যাৰ ফলত এই তিনিখন নদী সম্পূৰ্ণভাৱে প্ৰদুৰ্ষিত হৈছে। এই তিনিখন নদী ইয়াৰ যিটো আৱৰ্জনা, সেই সমুহ কঢ়িয়াই নি পামহী নদীৰে প্ৰৱাহিত হৈ দ্বীপৰ বিলত পৰিছে। দ্বীপৰ পৰাৰ কাৰণে আজি জৈৱ বৈচিত্ৰ ধংস

হৈছে আৰু এটা ভয়ঙ্কৰ প্ৰদুৰ্ষণৰ সৃষ্টি হৈছে। অলপতে লোক সভাত আমাৰ কেন্দ্ৰীয় বন পৰিবেশ আৰু জলবায়ু পৰিবৰ্তনৰ মন্ত্ৰী মহোদয়ে লোক সভাৰ প্ৰশ্নৰ উত্তৰত কৈছে যে ভাৰতবৰ্ষত ৪৪ খন নদী আছে। এই ৪৪ খন নদীৰ ভিতৰত প্ৰদুৰ্ষিত নদীৰ অসমত ১৬ খন নদী আছে। এই ১৬ খন নদীৰ ভিতৰত আমাৰ ব্ৰহ্মপুত্ৰ, ভৰলু, ভৌগদৈ, বেকী, জীয়াভৰালী, কলং, কপিলী, জাঁজী, পুথিমাৰী আৰু ৰঙানদী সমূহ আছে, এইবিলাক সৰ্বাধিকভাৱে আজি প্ৰদুৰ্ষিত হৈছে। এই নদীত Biological Oxygen Demand (BOD), এই demand ৩ মিলিগ্ৰামৰ কম থাকিব লাগে। কিন্তু ২০১৯ চনত এটা Survey হৈছিল, তাত ভৰলুত জানুৱাৰী মাহত ১৮ মিলিগ্ৰাম আছিল, ফেব্ৰুৱাৰীত আছিল ৩৮ মিলিগ্ৰাম। এই নদীখনত য'ত ৩ মিলিগ্ৰামৰ তলত থাকবি লাগে, তাত ১৮, ৩৮ মিলিগ্ৰাম আছে। আজি কি ভাৱে প্ৰদুৰ্ষিত হৈছে এই কথা আমি অনুমান কৰিব পাৰিছো। মই আশা ৰাখিছো এই প্ৰদুৰ্ষণ ৰোধৰ বাবে কি ব্যৱস্থা ৰাজ্য চৰকাৰে লৈছে, যদি আজি আমাৰ প্ৰদুৰ্ষণ ৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা নহয়, তেনেহলে মই ভাৱো এই প্ৰদুৰ্ষণৰ ফলত মানুহ যথেষ্ট ভাৱে ক্ষতিগ্ৰষ্ট হ'ব। আমাৰ মানুহ বিলাক বিভিন্ন বেমাৰত আক্ৰান্ত হৈছে। গতিকে মাননীয় অধ্যক্ষ মহোদয় মই এইটো কম সময়ত কোৱা কথা নহয়, এইটো বিশেষভাৱে আপুনি সময় দি বিস্তৃত্ব ভাৱে আলোচনা কৰে, তেতিয়া হলে মই ভাৱো আমাৰ বৰ্তমানৰ জলবায়ুৰ পৰিবৰ্তন যিধৰণে আজি অসমত সৰ্বাধিক ভাৱে প্ৰদুৰ্ষিত হৈছে, এইটো নিৰাময়ৰ ক্ষেত্ৰত নিশ্চয় এটা ব্যৱস্থা হাতত ল'ব পাৰিব। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিছে, এই সম্পৰ্কত জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, (বিজ্ঞান, প্ৰযুক্তি তথা জলবায়ু পৰিবৰ্তন বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এটা গুৰুত্বপূৰ্ণ বিষয় সন্মানীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই উত্থাপন কৰিছে। যিটো ২০২৩ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে "আমাৰ অসম" কাকতত প্ৰকাশিত "দেশৰ সৰ্বাধিক প্ৰদুষিত চহৰৰ তালিকাত গুৱাহাটীসহ অসমৰ ৫ খন চহৰ" এই শীৰ্ষক বাতৰিৰে বিধান সভাৰ মজিয়াত উত্থাপন কৰিছে আৰু মাননীয় অধ্যক্ষ মহোদয় ডাঙৰীয়াই, এই গুৰুত্বপূৰ্ণ বিষয়টো আপুনি ইয়াত আজি Rule 54 ত স্থান দিয়াৰ কাৰণে মই ধন্যবাদ জনাইছো আৰু শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াইও অধিক তথ্যপাতিৰে সুন্দৰভাৱে ইয়াৰ বাখ্যাটো দিছে, তাৰ কাৰণে বিশেষভাৱে মই শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াক ধন্যবাদ জনাইছো। আজি এই বিষয়টো পৃথিৱীৰ এটা চৰ্চিত প্ৰধান বিষয়। পৃথিৱীত যদি no.1 কিবা issue আছে, সেইটোৱেই হৈছে climate change. গতিকে এই বিষয়টো আজি অসম বিধান সভাৰ মজিয়াত কিছু হ'লেও আলোচনাৰ সুবিধা হৈছে। এতিয়া মই তেখেতৰ লগতে কিছু কথা ক'ব বিচাৰিছো, তেখেতে কৈছে গোটেই বিষয়টো যে এইখন বাতৰি কাকত ১৪ ফেব্ৰুৱাৰীত ওলাইছিল। আজি ১৪ মাৰ্চত বিধান সভাত আমি আলোচনা কৰিছো, এমাহৰ পিছত। বাতৰি কাকতত যিদিনা এই বিষয়টো লিখিছিল, যিদিনা গুৱাহাটী চহৰত যিটো প্ৰদূষণ আছিল সেইদিনা প্ৰদূষণ 220 আছিল আৰু আজিৰ যিটো AQI Index আমি আলোচনা কৰা মুহূৰ্তত আছে 319.আৰু মই ফেব্ৰুৱাৰী মাহৰ প্ৰত্যেক দিনৰ খিনিও analysis কৰিছো, আজি মাৰ্চৰ এই মুহূৰ্তলৈকে। তেখেতে যিটো কথা কৈছে আমি AQI টো Air quality index টো আমি 0 to 50 হ'লে ভাৱো যে, এইটো good. তাৰপিছত 50 টো 100 হ'লে কওঁ যে, এইটো satisfactory, আৰু 100 to 200 হ'লে এইটো moderate আৰু 200 to 300 হ'লে poor and more than 300 is very poor. এতিয়া এই যিটো index, এই index টোত আমি আজিৰ দিনটোত এই মুহূৰ্তত ভাৱো

যে কি হৈ আছে, আজি আলোচনাৰ কৰাৰ মুহূৰ্তত পৃথিৱীৰ গুৱাহাটীৰ আজি pollution টো 35 position ত আছে। ইয়াত 329 আছে আৰু ইয়াৰ উপৰিও আমি আজিৰ দিনটোত যদি এই মুহূৰ্তত ভাৱো সকলোতকৈ পৃথিৱীৰ আটাইতকৈ বেয়া pollution আছে 751. আজি আলোচনা কৰি থকাৰ সময়ত চাইনাৰ লিনজিত আৰু ভাৰতত যদি কওঁ coimbatore 529 যোৱাকালি, coimbatore ত স্কুল বন্ধ দি দিছে। মই এই কাৰণে কৈছো যে যিটো আমাৰ climate change য়ে ইয়াৰ বাতাবৰণটো বিনষ্ট কৰিছে, ইয়াৰ পৰা ৰক্ষা পাবৰ কাৰণে ইতিমধ্যে বহু ব্যৱস্থা চৰকাৰীভাৱে লৈছে। আমাৰ ইয়াত আপোনালোকে ভালকৈ দেখিছে যে গুৱাহাটীত আমাৰ ইলেক্‌ট্ৰিক বাচ CNG ঠিক তেনে ধৰণে আমি লাহে লাহে প্ৰত্যেকটো ঠাইতে আমি এইটো pollution কম হ'ব পৰা যিটো ব্যৱস্থা আৰু Carbon Sequensation কাৰ্বনক জব্দ কৰি ৰাখিব পৰা ব্যৱস্থা, এই দুয়োটা ব্যৱস্থাৰে আমি চৰকাৰে বিভিন্ন ব্যৱস্থা হৈছে। আজি যদি আমি তেখেতে কৈ যোৱা ধৰণে আমাৰ ইয়াৰ পৰিৱেশটো সৃষ্টি কৰিছে যদি ozone, carbon monoxide, nitrogen dioxide, sulfur dioxide, lid, zinc, ammonia আৰু লগতে dust, এই component আটাইকেইটা মিলি যিটো AQI সূচক, এইটো সূচক নিৰ্ধাৰণ কৰক। এই particulates metter এই আটাইকেইটা মিলি হয়। এতিয়া যদি particulates metter 2.5 হয় তেতিয়া একেবাৰে micro, আমাৰ কাৰণে বেছি অপকাৰ, উশাহত গুচি যায় dust গৈ lungs ত গুচি যায়। particulates metter 10 হ'লে সেইটো অকনমান ডাঙৰ, সেইটো হয়তো dircet ইয়াত নাহে, গতিকে এনে ধৰণে আমি বহুত কথাত affect হৈছো। এই যিটো আমাৰ আক্ৰমণ হৈছে ইয়াৰ দ্বাৰা, স্বাস্থ্য হানি হৈছে। এই গোটেইখিনি কথা আজি মই ক'ব লাগিব। তেখেতে আৰু লগতে ৫ খন চহৰৰ কথা কৈ গৈছে। ৫ খন চহৰ তাৰ লগত আছিল নগাওঁ, নলবাৰী, শিৱসাগৰ আৰু শিলচৰ। এতিয়া নগাওঁ হয়তো মাজে মাজে গুৱাহাটীতকৈ বেছি। নগাওঁৰ যিটো সূচাংক, তাৰ পাছত নলবাৰী তাতকৈ তলত, তাৰ পাছত শিৱসাগৰ, এই ৫ খনৰ ভিতৰত কম আছে আৰু শিলচৰ ইয়াৰ মাজতে আছে। গতিকে আজি এই ৫ খন চহৰ আৰু গুৱাহাটীক কেন্দ্ৰ কৰি এই বিষয়টো উত্থাপন হৈছে, গতিকে আমি ৰাজ্য চৰকাৰৰ তৰফৰ পৰা যথেষ্ট ব্যৱস্থা ল'বলৈ কৈছো। কিন্তু এটা কথা ঠিক যে ভাৰতবৰ্ষই আজি বিশেষকৈ যিটো COP 27 মানে জলবায়ুৰ সম্পৰ্কে যিটো glassgow সন্মিলন, তাত ভাৰতে এটা leading role লৈছিল, তাৰ পিছত আহি ইজিপ্তত যেতিয়া যোৱা বছৰ অনুষ্ঠিত হ'ল তাত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই পৃথিৱীৰ কাৰণে এটা direction আনিবলৈ সক্ষম হৈছে। ভাৰতেই ইয়াৰ কিছু lead ল'বলৈ সক্ষম হৈছে আৰু এইক্ষেত্ৰত আমি দেখিছো যোৱা ২০ অক্টোবৰ তাৰিখে Statue of Unity ত ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই U.N ৰ Secretariat General ৰ উপস্থিতিত এই mission life আৰম্ভ কৰিছিল। Mission life হৈছে Lifestyle for Environment, এই mission life পৰিৱেশ অনুকুল জীৱনচৰ্চা, এই কথাটো ২০ অক্টোবৰত আৰম্ভ কৰিছে আৰু আমি চেষ্টা কৰিছো এইবাৰ ২১ মাৰ্চ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমৰ কাৰণে এই mission life launch কৰিব। মুখ্যমন্ত্ৰীৰ পৰা আমি সময় বিচাৰিছো কোন সময়ত দিয়ে। গতিকে আমি ভাবিছো যে mission life অসমৰ কাৰণে ইয়াত ৭ টা theme আছে আৰু ৭৫ টা action আছে। গতিকে এই mission life ৰ যিটো প্ৰধানমন্ত্ৰী ডাঙৰীয়াই গুজৰাটত ভাৰতবৰ্ষৰ কাৰণে আৰম্ভ কৰিলে, আমি এইটো ইয়াত অসমৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিছো, এইটো আমাৰ আৰম্ভ কৰিবৰ কাৰণে ঠিক কৰিছো আৰু

আমি আশা কৰিছো তাৰ বাদেও আজি নিশ্চয় আহিব লগা ১৬ তাৰিখৰ বাজেটত এতিয়া green budget লৈ যাবলৈ দিছে। তাত আটাইকেইটা বিভাগ হয়তো পৰাগৈ নাই। কিছু কিছু বিভাগ green budget আগবঢ়ায় লৈ গৈছে। গতিকে আমাৰ চৰকাৰে বিভিন্ন সময়ত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। গতিকে মই আশা কৰিছো যে আমি সকলোৰে আজি আমাৰ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই কোৱা ধৰণে যে, এইটো এটা গুৰুত্বপূৰ্ণ বিষয়, বিধান সভাৰ মজিয়াত এইটো যদি অধিক আলোচনা হয়, মই খুব ভাল পাম আৰু বিধায়কসকলে যদি ইয়াত সহযোগ কৰে আমাৰ গোটেই ৰাজ্যখনলৈ ইয়াৰ এটা message যাব আৰু এটা গুৰুত্ব থাকিব যে আমাৰ আটাইতকৈ আজিৰ দিনটোত গুৰুত্বপূৰ্ণ বিষয়টো বিধান সভাৰ মজিয়াত আমাৰ প্ৰতিনিধিসকলে আলোচনা কৰিছে। এইটো আমাৰ কাৰণে এটা সুখৰৰ হ'ব। মই সেইটো আশা কৰিছো, কিন্তু শেষত মই এটা কথা ক'বলৈ বিচাৰিছো, প্ৰকৃতি ৰক্ষিতিৰ ৰক্ষিতা। যদি প্ৰকৃতিক আমি ৰক্ষা কৰো, প্ৰকৃতিয়ে আমাক ৰক্ষা কৰিব। অন্যহাতে ইয়াত অন্য ধৰণে আমি ৰক্ষা হ'ব নোৱাৰো। সেই কাৰণে বিস্তৃত আলোচনা হ'লে এইটো অধিৱেশনতে যদি হয়, ভাল পাম। সকলোৰে দিহা-পৰামৰ্শ দিব। চৰকাৰৰ তৰফৰ পৰাও অধিক কাম আগবঢ়াব, লাগিলে, আমি আগবঢ়াবলৈ সুবিধা পাম, আপোনালোক সকলোৰে সহযোগিতা বিচাৰি আৰু বিষয়টো আজি ইয়াত উত্থাপন হোৱাৰ কাৰণে মই ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়, তেখেতে নদীৰ কথা কৈছিলে pollution হয় বুলি, sewerage ৰ ব্যৱস্থা খুৱ বেয়া। Assam Urban Water Supply & Sewerage Board ৰ চেয়াৰমেন থাকোতে proposal কিছুমান দিছিলো। ভৰলুমুখত sewerage ৰ খুব প্ৰয়োজন, সেইটো যদি আমি কৰো, খুৱ গুৰুত্বপূৰ্ণ কথা কৈছে নদীক লৈ।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি বিভাগ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই গোটেই কথাখিনি আমাৰ আলোচনা হৈছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও এইক্ষেত্ৰত গুৰুত্ব দিছে। যাৰ কাৰণে গুৱাহাটীত আজি দীপৰ বিল, শিল সাঁকো আৰু বাকী যিকেইখন বাহিনী নৈ, ভৰলু, মৰা- ভৰলু আদিক পুনৰ ঠিক কৰিবলৈ চেষ্টা কৰিছে যাতে কোনো পলিউশ্যন হৈ নাথাকে। অসমৰ কলঙকে ধৰি কেইবাখনো নদী বা সুঁতি আছে, য'ত যথেষ্ট পলিউশ্যন আছে। গতিকে মই আশা কৰিছো আৰু আপুনিও উল্লেখ কৰিছে যেতিয়া নিশ্চয় এই বিষয়টোৱে আমাৰ চৰকাৰৰ মজিয়াত আগস্থান পাব।

**মাননীয় উপাধ্যক্ষ** ঃ ঠিক আছে, ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং-৩। ৰুল ৩০১ ত মই মাননীয় সদস্য আৰু মন্ত্ৰী মহোদয়ক ক'বলৈ বিচাৰিছো যে ৰুল ৩০১ৰ অধীনত ৫ মিনিট বক্তব্য দিব আৰু উত্তৰৰ বাবেও ৫ মিনিট সময়হে দিয়া হৈছে। যিহেতু আমাৰ সময় কম সেয়েহে সকলোৰে যাতে সময়টো maintain কৰে। এতিয়া মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াই ক'ব।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা)** ঃ ধন্যবাদ। উপাধ্যক্ষ মহোদয়, আজি বিধান সভাৰ 'কাৰ্য্য প্ৰক্ৰিয়া আৰু পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ মোক সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো। যোৱা দুই মাৰ্চ তাৰিখৰ দৈনিক জনমভূমি বাতৰি কাকতত প্ৰকাশ পাইছিল যে পশ্চিম কাৰ্বি আংলং ত প্ৰাথমিক শিক্ষা ব্যৱস্থা অতি শোচনীয়। পঢ়িবৰ বাবে বছৰি ৫ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে আনৰ ঘৰত কাম কৰে। মহোদয়, যদিও এই অঞ্চলটো স্বায়িত্ব শাসিত অঞ্চল, তথাপিতো আমি যিহেতু সাংবিধানিকভাৱে, প্ৰশাসনিকভাৱে ৰাজ্য চৰকাৰৰ অন্তৰ্গত। আমাৰ সংবিধান অনুসৰি আৰ্টিক'ল

৪৬ অনুসৰি আমি আমি শিক্ষা আৰু অৰ্থনৈতিক দিশত দুৰ্বল। বিশেষকৈ জনজাতি, অনুসূচীত জনজাতিৰ বাবে পদক্ষেপ ল'ব লাগে আৰু সংবিধানৰ Right to Education যি ৮৬ টা এমেণ্ডমেণ্ট, ২০০৯ চনত কৰা হ'ল, সেই অনুসৰি, ফ্ৰী আৰু বাধ্যতামূলক শিক্ষা চৈধ্য বছৰ বয়সলৈকে দিব লাগে। এই বাতৰিটো আমাৰ বাবে অতি চিন্তাজনক। সেয়েহে বিষয়টো আলোচনা কৰিব বিচাৰিছো। বৰ্তমান সময়ত সৰ্বভাৰতীয় শিক্ষাৰ হাৰ ৭০ শতাংশ। এই ক্ষেত্ৰত অসমৰ ৭২ শতাংশ আৰু এইখিনি সময়ত কাৰ্বি আংলং জিলাত তাতকৈ কিছু কম। ১৯৫৩ চনত মাত্ৰ ১৮০ খন এল পি স্কুল আছিল আৰু ২০১৬ চনত এল পি স্কুলৰ সংখ্যা প্ৰায় ২০০০ খন হৈছিল। ১৯৫৩ চনত মাত্ৰ ১৪ খন এম ই স্কুল আছিল আৰু ২০১৬ চনত এম ই স্কুলৰ সংখ্যা প্ৰায় ৩৫৬ খন হৈছিল। ১৯৫৭ চনত মাত্ৰ ১খন হাইয়াৰ চেকেণ্ডাৰী স্কুল আছিল আৰু ২০১৬ চনত হাইয়াৰ চেকেণ্ডাৰী স্কুলৰ সংখ্যা প্ৰায় ১১৮ খন হৈছিল আৰু যোৱা বাজেটত অসম চৰকাৰে খুব সম্ভৱ এখন ষ্টেট ইউনিভাৰ্চিটিৰ কথা ঘোষণা কৰিছে আৰু পূৰ্বৰ পৰা আসাম চেণ্ট্ৰেল ইউনিভাৰ্চিটিৰ এটা কেন্দ্ৰ তাত চলি আছে। এই গোটেইখিনি থকাৰ পিছতো প্ৰাথমিক শিক্ষাৰ বাবে প্ৰতি বছৰে ৫ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ পৰা কাষৰীয়া জিলাৰ মানুহৰ ঘৰত আহি বন কৰা ল'ৰা-ছোৱালী হিচাবে থাকিব লগা হৈছে বুলি কথাখিনি কোৱা হৈছে। সেইটোও যথেষ্ট চিন্তনীয় বিষয়। কাৰণ চাৰকাৰী ভাৱে যোৱা সময়ছোৱাত আন্তঃগাঁথনি উন্নয়নৰ বাবে পুঁজি দিয়া হৈছে, শিক্ষক নিযুক্তি দিয়া হৈছে আৰু স্কুল বিলাকত Grants -in -aid দিয়া হৈছে। তথাপিতো বহুত স্কুলত এজনকৈ শিক্ষক দেখা যায় । অকল প্ৰধান শিক্ষক আছে আৰু অন্য শিক্ষক নাই বা ইংৰাজী মাধ্যমৰ টেট শিক্ষক গৈ অসমীয়া মাধ্যমত পঢ়োৱাব লগা হৈছে। এনেকুৱা কিছুমান তথ্য তাত পোহৰলৈ আহিছে। সেইকাৰণে এই গোটেই কথাবিলাক আমি নিশ্চয় কিছু উন্নত কৰাৰ থল আছে। যদিহে এনেধৰণে এক মাত্ৰ অনগ্ৰসৰতা বা সজাগতাৰ বা অৰ্থৰ অভাৱৰ বাবেই এনেকৈ যদি ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ কৈশোৰৰ সময়খিনি অন্য মানুহৰ ঘৰত বন কৰা ল'ৰা-ছোৱালী হিচবে থাকি শিক্ষা গ্ৰহণ কৰিবলগীয়া হয়, তেতিয়াহ'লে আমি যিবিলাক সাংবিধানিক সুৰক্ষাৰ কথা কৈছো, সেইখিনি অসাৰ প্ৰতিপন্ন হ'ব। এইক্ষেত্ৰত উপাধ্যক্ষ মহোদয়, চৰকাৰৰ যথেষ্ট কৰণীয় আছে বুলি অনুভৱ কৰি মই এই বিষয়ে উত্থাপন কৰিছো। দ্বিতীয়তে, আজিৰ বাতৰি কাকতত এটা বাতৰি ওলাইছে যে কাৰ্বি আংলং ৰে এখন ৬২ বছৰীয়া পুৰণা স্কুল, সেই স্কুলখন নিলীপ শিক্ষাখণ্ডৰ অধীনত বৰপুঙত। ইয়াত প্ৰায় এশ জন ছাত্ৰ-ছাত্ৰী আছে। কিন্তু শিক্ষক আছে মাত্ৰ এজন। ডেস্ক-বেঞ্চ, ব্লেক বোৰ্ড ইত্যাদি সামগ্ৰীৰ অভাৱ আৰু লগতে ইয়াত খুব সম্ভৱ মধ্যাহ্ন ভোজন নহয়। সেই কাৰণে মধ্যাহ্ন ভোজন কাক কয়, এই ছাত্ৰ-ছাত্ৰীসকলে গমেই নাপায়। গতিকে এনেকুৱা ধৰণৰ যদি হৈ থাকে, তেতিয়াহ'লে যদিও আমি বাজেটত বা অন্য সময়ত বহুতখিনি কথা কওঁ। তথাপিতো প্ৰেক্টেকেলি যদি এইবোৰ ৰূপায়ণ নহয়, তেতিয়াহ'লে আমাৰ বাবে অতি দুৰ্ভাগ্যজনক কথা হ'ব। সেইকাৰণে এই ক্ষেত্ৰত মই নিয়ম ৩০১ ত চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো। লগতে ইয়াৰ এটি সদুত্তৰ আশা কৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াই যি পাঁচ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ বাবে আনৰ ঘৰত কাম কৰে এই বিষয়টো আমাৰ দৃষ্টিগোচৰ কৰিছে। আপোনাৰ জৰিয়তে সদনক জনাব বিচাৰিছো যে আমাৰ দেশৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ পৰা বাহিৰত থাকে, তেওঁলোকৰ বাবে প্ৰত্যেক

বছৰে এটা Convergence Mode ত অৰ্থাৎ আমাৰ শিশু আৰু মাতৃ কল্যাণ বিভাগ, P&RD বিভাগ, স্বাস্থ্য বিভাগে চাৰ্ভে কৰি এই Out of School ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে বিশেষ শিক্ষাৰ ব্যৱস্থা কৰা হয়। তাৰ বাবে ৰেচিডেঞ্চিয়েল আৰু নন ৰেচিডেঞ্চিয়েল স্কুলৰ ব্যৱস্থা আছে। যোৱা বছৰৰ চাৰ্ভেৰ তথ্য অনুসৰি এনেকুৱা এক লাখ পোন্ধৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক চিহ্নিত কৰা হৈছে আৰু ২০ টা ছোৱালীৰ বাবে আৰু ৫৬ টা ল'ৰাৰ বাবে ৰেচিডেঞ্চিয়েল স্পেচিয়েল ট্ৰেইনিং চেণ্টাৰত তেওঁলোকক প্ৰশিক্ষণৰ ব্যৱস্থা কৰি ,তেওঁলোকক শিকাই তেওঁলোকক ৰেগুলাৰ স্কুললৈ পঠোৱাৰ ব্যৱস্থা কৰা হয়। নন ৰেচিডেঞ্চিয়েল স্কুল বা চেণ্টাৰ আমাৰ ১৮৮২ টা আছে। তাৰ জৰিয়তে এক লাখ পোন্ধৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক আমি ট্ৰেইনিং দিম। ট্ৰেইনিঙৰ সময় তিনি মাহৰ পৰা আৰম্ভ কৰি ২৪ মাহলৈ হয়। ইয়াৰ objectiveটো হ'ল বয়স অনুযায়ী এই ছাত্ৰ-ছাত্ৰী সকলক কম্পিটেণ্ট কৰি তুলিব লাগে আৰু তেওঁলোকক নিয়মীয়া বিদ্যালয়লৈ বদলি কৰিব লাগে। আমি সকলোৰে জানো যে শিক্ষাৰ অধিকাৰ নীতিৰ অধীনত আমি সম্পূৰ্ণ বিনামূলীয়া শিক্ষা আমি আমাৰ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয় সমূহত দি আছো। য'ত মধ্যাহ্ন ভোজন, ইউনিফৰ্ম, পাঠ্যপুথি সম্পূৰ্ণ বিনামূলীয়াকৈ প্ৰদান কৰা হয়। ইয়াত পিতৃ-মাতৃয়ে কোনো ব্যয় বহন কৰিবলগীয়া নহয়। তাৰোপৰি আমি যেতিয়া গম পাওঁ কোনোবা শিশুক কোনোবাই বন কৰা ল'ৰা-ছোৱালী হিচাপে ৰাখিছে, সেইটো আইন বিৰুদ্ধ কথা আৰু এই বিষয়ে লগে লগে পুলিচক জনাব লাগে। পুলিচক জনোৱাৰ পিছত আমি তেওঁলোকক উদ্ধাৰ কৰো আৰু বিশেষ শিক্ষা প্ৰদান কৰো। তেওঁলোক যদি আশ্ৰয়হীন হয়, তেনেকুৱা শিশুৰ কাৰণে মহিলা আৰু শিশু কল্যাণ বিভাগৰ অধীনত প্ৰায় ১৫০ টা শিশু গৃহ অসমৰ বিভিন্ন স্থানত আছে। আমাৰ যিসমূহ শিশু গৃহ আছে, তেওঁলোকে ওচৰৰ বিদ্যালয়ত পাঠদান কৰি আছে। গতিকে আমাৰ বিভিন্ন অনুষ্ঠান আৰু নাগৰিকৰ দায়িত্ব থাকে যে যেতিয়াই আমি শিশু শ্ৰমিক দেখা পাওঁ তেওঁলোকক আমি পুলিচ প্ৰশাসনৰ দৃষ্টিগোচৰ কৰিব লাগে আৰু সেই শিশুক উদ্ধাৰ কৰাৰ দায়িত্ব আমাৰ সকলোৰে। আমাৰ মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ মাতৃ এনেকুৱা এটা শিশু গৃহৰ লগত জড়িত য'ত মই যোৱা দহ দিন আগতে পৰিদৰ্শন কৰিছিলো। তাত এঘাৰজন ছাত্ৰ আছে আৰু তেওঁলোকে সুন্দৰকৈ পঢ়া-শুনা কৰিছে। তাৰে দুজন ছাত্ৰই এইবাৰ মেট্ৰিক দিব। সেই শিশু গৃহৰ পৰাই ছাত্ৰই পঢ়া-শুনা কৰি ইঞ্জিনিয়াৰো হৈছে। গতিকে এই শিশু গৃহসমূহকো শক্তিশালী কৰিব লাগে আৰু শিশু শ্ৰমিক ঘৰত কাম ল'ৰা হিচাবে ব্যৱহাৰ কৰাৰ বিপক্ষে এক সামাজিক আন্দোলনো গঢ়ি তুলিব লাগে। মই পুনৰবাৰ আপোনাৰ জৰিয়তে জনাওঁ যে আমাৰ যি নন ৰেচিডেঞ্চিয়েল ট্ৰেইনিং চেণ্টাৰ আছে, যাৰ জৰিয়তে Out of school childernখিনিক শিক্ষা দিয়াৰ দায়িত্ব গ্ৰহণ কৰিছো। এতেকে প্ৰত্যেক বছৰে Out of school childern ৰ যি চাৰ্ভে হয় , সেই চাৰ্ভেতো সকলোৰে সহায়-সহযোগিতা কৰিলে সকলো শিশুৰ কাৰণে আমি বিনামূলীয়া শিক্ষা প্ৰদান কৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ মন্ত্ৰী মহোদয়। বিষয়টো যিহেতু কাৰ্বি আংলঙৰ, মই এটা কথা অৱগত কৰিব বিচাৰিছো যে অসমৰ per square kilometer ত জনসংখ্যা হ'ল 394। কিন্তু, কাৰ্বি আংলং, N.C. Hills ৰ per square kilometer ত approximately জনসংখ্যা হ'ল 92। গতিকে, অসমৰ স্কুল কলেজৰ ক্ষেত্ৰত যিবোৰ নিয়ম বনোৱা হয়, এই ক্ষেত্ৰত কাৰ্বি আংলং আৰু N.C. Hills ৰ বাবে যদি অলপ বেলেগকৈ বনোৱা হয়, তেন্তে মই ভাৰো উপকৃত হ'ব। Residential Training ৰ কথা যিটো ক'লে সেইটো drop out students ৰ বাবে । ল'ৰা-ছোৱালীবোৰে Class-V লৈ পঢ়ি আছে কিন্তু তাৰ পিছৰ খিনি পঢ়িবলৈ প্ৰায় অসুবিধা।

গতিকে, মই ভাৰো per square kilometer ৰ পাতল জনসংখ্যা cover কৰি Residential School Model টো যাতে অনা হয়। আপুনি ক'লে যে এটা শ্ৰেণীত ৩০ জন ছাত্ৰ-ছাত্ৰী থাকিব লাগিব কিন্তু পাতল জনসংখ্যা হোৱাৰ বাবে এই proportion টো পাহাৰত নাপায়। গতিকে, Residential School Model টো যাতে আৰু বেছি আনিব পাৰে। দুই এখন হৈছে কিন্তু আৰু আনিব পাৰিলে মই ভাৰো কাৰ্বি আংলঙৰ এই সমস্যাটোৰ সমাধান হ'ব।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইটো খুবেই গুৰুত্বপূৰ্ণ। সেইকাৰণে মই জনাব বিচাৰো যে out of school children ত দুটা কেটেগৰী আছে, এটা হ'ল-drop out আৰু আনটো never enrolled। গতিকে, drop out আৰু never enrolled দুয়োটাকে আমি সাঙুৰি লওঁ। কাৰ্বি আংলং বুলি ক'লে কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং দুয়োখনকে লওঁ। এই চাৰ্ভেৰ ৰিপ'ৰ্ট মতে আটাইতকৈ কম সংখ্যক out of school children থকা জিলা কেইখন হ'ল- মাজুলী আৰু পশ্চিম কাৰ্বি আংলং। ইয়াৰোপৰি, ৩০ সংখ্যক ছাত্ৰ-ছাত্ৰী থাকিলেহে যে বিদ্যালয় হ'ব এনেকুৱা আমাৰ কোনো নিয়ম নাই। যিবোৰ দুৰ্গম, পাহাৰীয়া অঞ্চল আছে, তাত যদি এজনো ছাত্ৰ থাকে, তেন্তে আমি Right to Education ৰ অধীনত বিদ্যালয় চলাম। গতিকে, মই মাননীয় সদস্য সকলক জনাইছো যে তেনে কোনো থাকিলে ইয়াক আমাৰ দৃষ্টিত আনিলে আমি Right to Education ৰ অধীনত বিদ্যালয় শিক্ষা প্ৰদান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী ৰামকৃষ্ণ ঘোষ।

**শ্ৰী ৰামকৃষ্ণ ঘোষ, (হোজাই)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এই সদনত যিটো কথা উত্থাপন কৰিব বিচাৰিছো সেইটো খুব গুৰুত্বপূৰ্ণ কথা। আমি লক্ষ্য কৰিছো যে অসমৰ নিচিনা ৰাজ্যত ব্যক্তিগত Coaching Centre বহুত গঢ়ি উঠিছে। তেখেত সকলৰ যিটো উদ্দেশ্য, সেইটো ভাল নহয়। তেওঁলোকৰ motive টো business oriented । এসময়ত আমি ভাৰতৰ যিটো শিক্ষা ব্যৱস্থা দেখিছিলো, সেই ব্যৱস্থাই ভাৰতৰ সংস্কৃতি, ভাৰতৰ personality, economy গঢ়ি তুলিছিল। কিন্তু , দুৰ্ভাগ্যৰ বিষয় যে যোৱা ৭০ বছৰত আমাৰ যি শিক্ষাৰ আঁচনি আছিল, সেই ক্ষেত্ৰত এই ৭০ বছৰ আমি আগবাঢ়িব পৰা নাই। আমি ভাৰতৰ প্ৰাচীন ইতিহাসত যদি লক্ষ্য কৰো তাত আমি দেখিবলৈ পাওঁ যে আমাক এই শিক্ষা ব্যৱস্থাই চাণক্য, শুশ্ৰুত, পানীণি, ভাস্কৰাচাৰ্য্য, ব্ৰহ্ম গুপ্তৰ নিচিনা ডাঙৰ ডাঙৰ মনিষীক জন্ম দিছিলো যি সকলে অভিযন্তা sector ৰ পৰা স্থাপত্য কলা বিদ্যা, গণিত শাস্ত্ৰ, বিভিন্ন ধাতু বিদ্যা, বিভিন্ন ক্ষেত্ৰত তেখেত সকলে আগবাঢ়ি গৈছিল। তাৰ ভিতৰত আমি নাগাৰ্জুনকো দেখিছিলো। তেওঁ ৰসায়ন বিদ্যাত আগবাঢ়ি গৈছিল। কিন্তু আমাৰ এনেধৰণৰ কি হৈ গ'ল যে যোৱা ৭০ বছৰত তেনে ধৰণৰ personality আমি গঢ়ি তুলিব পৰা নাই। বিশ্বৰ বিভিন্ন প্ৰান্তত আমি যদি চাওঁ তেন্তে দেখো যে নবেল বঁটা যেন বিদেশৰ পৰাই আহে, বিদেশী মানুহ বিলাকেই যেন talented। কিন্তু আমাৰ তেনেকুৱাতো নাছিল। ভাৰতত যি New Education Policy হ'ল সেই policy ত মই কেইটামান বিক্ষিপ্ত ঘটনা, কেইটামান shortcomings উদঙাই দিয়া দেখিবলৈ পাইছো। তাত কোৱা হৈছে আমাৰ management system টো যেন scattered and broken । ছেবাত শেহতীয়াকৈ ঘটনাটো ঘটি গ'ল, সেইক্ষেত্ৰত আমি এই কথাটো দেখুৱাই দিব পাৰো যে এইকাৰণেই হৈ গ'ল। এইক্ষেত্ৰত আমি যদি উপযুক্ত পদক্ষেপ আৰু ব্যৱস্থা সোনকালে নলওঁ তেনেহ'লে এনেধৰণৰ ঘটনা আৰু ঘটি থাকিব। এই ব্যৱস্থাটো আমাৰ New Education Policyয়ে দেখুৱাই দিছে। সেই ক্ষেত্ৰত

আমাৰ চৰকাৰ আগবাঢ়িও গৈ আছে। সেইকাৰণে আমাৰ চৰকাৰক আমি ধন্যবাদ দিব লাগিব। তাৰ লগতে আমি দেখিছো, আমাৰ যিবোৰ ছাত্ৰ-ছাত্ৰী আছে, দুখীয়া ছাত্ৰ-ছাত্ৰীবোৰৰ উচ্চ শিক্ষালৈ easily access নহয়। এই ক্ষেত্ৰতো দেখুওৱা হৈছে । তাৰ পিছত, আমাৰ strong management, strong governing body এই বিলাক আমি দেখা পোৱা নাই। কিন্তু, New Education Policy ত এইক্ষেত্ৰত আগবাঢ়ি গৈছে। আমাৰ strong management, strong governing body, education for all হ'ব লাগিব। এই ক্ষেত্ৰত আমি বিদেশৰ কেইটামান উদাহৰণ দিব পাৰো। ফিনলেণ্ডৰ কথা বহুতে কয়। ফিনলেণ্ডত education for all আৰু mid-day-meal ৰ ব্যৱস্থাটো ১৯৭০ ৰ পৰাই আছিল। আগৰ অটল বিহাৰী বাজপেয়ীৰ চৰকাৰে আৰম্ভ কৰিছিল আৰু বিৰোধী দলৰ তৰফৰ পৰা এইটো কৰাৰ বাবে বহুতে criticize কৰিছিল। কিন্তু ফিনলেণ্ডত আমি দেখিছো যে তেওঁলোক শিক্ষাৰ ক্ষেত্ৰত বহুত liberal আৰু তাৰ শিক্ষকসকল highly qualified and trained. তেওঁলোক Master Degree থকা হ'ব লাগিব আৰু তেওঁলোকৰ ন্যূনতম পাঁচ বছৰৰ ট্ৰেইনিং হ'ব লাগিব। যিকোনো স্কুলৰ ক্ষেত্ৰত তেওঁলোকৰ practical education centre, polytechnique centre বোৰ থাকে। International standard ত যেতিয়া তেওঁলোকক judge কৰা হ'ল যে সেই দেশৰ ছাত্ৰ-ছাত্ৰী সকল ইমান liberal ইমান relaxation পায়, তেন্তে mathematics ৰ ক্ষেত্ৰত তেওঁলোক আগবাঢ়ি থাকিব নে? কিন্তু, দেখা গ'ল যে তেওঁলোক বহুত আগবাঢ়ি থাকে। সেই ক্ষেত্ৰত ইমান stringent action তেওঁলোকে লোৱা নাই। আমি ফিনলেণ্ডৰ উদাহৰণো কিয় ল'ব লাগে? ১৮৩০ চনৰ আগত আমি যদি চাওঁ তেন্তে আমাৰ দেশত কিন্তু গুৰুকুল ব্যৱস্থাই আছিল। সেই গুৰুকুল ব্যৱস্থাত আমি দেখিছো যে ঘৰে ঘৰে steel production হৈছিল আৰু steel production ত বিশ্বৰ ভিতৰত ভাৰতএক নম্বৰ স্থানত আছিল। অৰ্থাৎ আমাৰ দেশত গুৰুকুল ব্যৱস্থা প্ৰতিখন গাঁৱে গাঁৱে আছিল আৰু তাত কোনো ধৰণৰ খৰচো হোৱা নছিল। আজিকালি শিক্ষাৰ ক্ষেত্ৰত GDP ৰ 6% খৰচ কৰিব লগীয়া হয়। কিন্তু, তেতিয়া তেনেকুৱা নাছিল। তেতিয়া ঘৰে ঘৰে গুৰুকুল ব্যৱস্থা থকাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে বিনামূলীয়াকৈ শিক্ষা গ্ৰহণ কৰিব পৰাৰ লগতে, practical education, vocational educationও তেওঁলোকে ঘৰে ঘৰে পাইছিল। এই steel factory ৰ বাবে তেওঁলোকে বিদেশৰ পৰা foreign exchange earn কৰিছিল। আনহাতে, লণ্ডনৰ শিক্ষা নীতি হিচাপত তেওঁলোকে যেতিয়া বিকৃত ভাৱে steel production কৰিছিল, সেই steel ৰ quality ভাৰততকৈ বহুত inferior আছিল। আমাৰ ইমানবোৰ production হওঁক বা GDP হওঁক গোটেইখিনি যদি শিক্ষা ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে তেন্তে মই ভাৱো আমাৰ চৰকাৰে নিশ্চয় তেনেধৰণৰ কিবা পদক্ষেপ লৈছে। ফিনলেণ্ড বা গুৰুকুলৰ নিচিনাকৈ যিবোৰ প্ৰাইভেট কোচিং চেণ্টাৰে শিক্ষা দিব বিচাৰে সেইক্ষেত্ৰত আমাৰ চৰকাৰে যদি কিবা পদক্ষেপ লয় তেন্তে মই ভাৱো যে আমাৰ সন্মানীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই দেশৰ অৰ্থনীতি ৫ ট্ৰিলিয়ন কৰাৰ যি সপোন দেখিছে সেইক্ষেত্ৰত ৫ ট্ৰিলিয়নেই নহয়, অতি সোনকালে আৰু বেছি ট্ৰিলিয়ন অৰ্থনীতি আগবাঢ়িব পাৰিব। সেয়েহে, মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিছো যে তেখেতে এই ক্ষেত্ৰত কিবা ভাৱিছে নেকি? আমাৰ চৰকাৰৰ তৰফৰ পৰা যদি ছাত্ৰ-ছাত্ৰীসকলক এনে শিক্ষাৰ বাবে প্ৰশিক্ষণ দিব পাৰো তেন্তে আমাৰ দেশৰ ভৱিষ্যত আগবাঢ়ি থাকিব। উপাধ্যক্ষ মহোদয়, যদি স্কুলবোৰত প্ৰশিক্ষণ দিব লাগে তেন্তে চৰকাৰী স্কুলবোৰৰ ছাত্ৰ-ছাত্ৰীৰ memory বঢ়াব লাগে। Spiritual ক্ষেত্ৰতো আগবাঢ়িব লাগে। মই দেখিছো memory ৰ

ক্ষেত্ৰত বিভিন্ন পদক্ষেপ আমি বিভিন্ন চেন্টাৰ বা free coaching centre ৰ পৰা যদি দিয়া হয় তেন্তে আমাৰ স্কুলবোৰ আগবাঢ়ি থাকিব। আৰু ২ নং Spiritual training টো এই কাৰণেই দিব লাগিব যে আমি দিগন্ত বিশ্ব শৰ্মাক দেখিছো অসমৰ বিভিন্ন প্ৰান্তত বিভিন্ন স্কুল কলেজত তেখেতে free lacture দি spiritual টো বঢ়াই গৈ আছে। তেনেধৰণৰ মানুহক যদি আমি আগবঢ়াব পাৰো তেতিয়াহ'লে মই ভাৰো যে আমি বহুত আগবাঢ়ি যাব পাৰিম। সময়টো মোক বহুত কম দিয়া হৈছে।

**माननीय উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, গোটেই বিশ্বৰ শিক্ষা ব্যৱস্থাটো অধ্যয়ণ কৰিয়েই আমাক ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ দিয়া হৈছে আৰু এই ৰাষ্ট্ৰীয় শিক্ষানীতি NEP, 2020 য়ে আমি আমাৰ বিদ্যালয়-মহাবিদ্যালয় সমূহত প্ৰয়োগ কৰি আছো। আমি চিহ্নিত কৰিছো যে আমাৰ বিদ্যালয় সমূহত বিজ্ঞান আৰু গনিতত আমাৰ কিছু দিবলগা আছে আৰু দুৰ্বলতাৰ মূল কাৰণসমূহ দূৰ কৰাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। ইতিমধ্যে IIT Guwahati আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লগত আমি MoU চহী কৰি শিক্ষক সকলক গনিত আৰু বিজ্ঞানৰ পাঠদানৰ কাৰণে বিশেষ প্ৰশিক্ষণ আমি দি আছো। এই প্ৰশিক্ষণৰ যথেষ্ট ভাল ফলাফল আমি লাভ কৰিবলৈ সক্ষম হৈছো। ইয়াৰ উপৰি আমি আগতে বিজ্ঞান শিক্ষকক নিযুক্তি দিওঁতে তেখেতে বিজ্ঞানৰ কি বিষয়ত পাৰদৰ্শিতা আছে, তেখেতে গনিত শিকাব পাৰে নে নোৱাৰে নে তেখেত biology ৰ student সেই কথাটো সিমান চোৱা হোৱা নাছিলে। কিন্তু এতিয়া আমি নিৰ্দ্দিষ্টভাৱে প্ৰত্যেকখন বিদ্যালয়ত গনিতৰ শিক্ষক সুকীয়াকৈ আৰু general science ৰ শিক্ষক সুকীয়াকৈ আমি দিব পাৰো তাৰকাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। ইতিমধ্যে অসম চৰকাৰে এখন Assam Youth Commission গঠন কৰিছে আৰু এই commission ৰ জৰিয়তে দুখীয়া ছাত্ৰ-ছাত্ৰী সকলেও যাতে উন্নত coaching লাভ কৰিব পাৰে তাৰকাৰণে ডিব্ৰুগড়ত এটা চেন্টাৰ ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে কেবিনেট মিটিঙৰ সময়ত উদ্বোধন কৰিছিল য'ত ALAN সন্থাই ৬০০ ছাত্ৰ-ছাত্ৰীক JEE আৰু NEET ৰ কাৰণে coaching প্ৰদান কৰিব। অনুৰূপভাৱে তেজপুৰত এটা coaching centre খোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু আমি আমাৰ সকলো বিলাক বিদ্যালয়ত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছো যাতে আমাৰ ছাত্ৰ-ছাত্ৰী সকলে সৰ্বভাৰতীয় পৰ্য্যায়ৰ প্ৰতিযোগীতাত অংশগ্ৰহণ কৰিব পাৰে। ইয়াৰ উপৰি এখন নতুন আঁচনি আৰম্ভ কৰা হৈছে যিটো আঁচনিৰ নাম হ'ল আৰোহণ। যি আঁচনিৰ জৰিয়তে বিদ্যালয়ৰ নৱম শ্ৰেণীৰ The Best Student যি হয়, তেওঁলোকক উপায়ুক্ত মহোদয়ৰ তৎপৰতাত এই Student খিনিৰ mentoring competent মানুহৰ দ্বাৰা কোনোবা কলেজৰ শিক্ষক, কোনোবা IAS, ACS বিষয়া, কোনোবা Engineer তেওঁলোকৰ দ্বাৰা মেধাৱী ছাত্ৰ-ছাত্ৰী সকলৰ mentoring ৰ এটা ব্যৱস্থা কৰা হৈছে। পৰৱৰ্তী সময়ত তেনেকুৱা meritorious ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি কৰাৰ কাৰণে আমি চেষ্টা কৰিম আৰু যিসকল মেধা তেওঁলোকক যাতে আমি খুব early stage ত চিনাক্ত কৰি কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব পাৰো তাৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ জৰিয়তে বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত আমাৰ এটা qualitative change আহিব আৰু আমি এটা গুনগত মান লাভ কৰিবলৈ সক্ষম হম। মই বিশেষভাৱে আহ্বান জনাম যে Alumni Association বিলাক প্ৰত্যেক বিদ্যালয়ত গঠন হওক আৰু তেওঁলোকে বিদ্যালয় সমূহত বিশেষ Coaching ৰ ব্যৱস্থা কৰিলে ছাত্ৰ-ছাত্ৰী সকল উপকৃত হ'ব। ধন্যবাদ।

**माननीय উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোনাৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদী সমূহৰ ব্যৱসায় ভিত্তিত ব্যৱহাৰৰ ওপৰত আলোচনা কৰিব দিয়াৰ কাৰণে উপাধ্যক্ষ মহোদয়ক মোৰ ফালৰ পৰা বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। যিহেতু মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰৰ দ্বিতীয়টো কাৰ্য্যকালৰ অন্তিমখন বাজেট ইতিমধ্যে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী মাননীয়া নিৰ্মলা সীতাৰমণ ডাঙৰীয়ানীয়ে দাখিল কৰিলে। কেন্দ্ৰীয় বাজেটত Development of North Eastern অৰ্থাৎ DoNER শিতানত ২০২২-২৩ বৰ্ষত ২৮ শ কোটি টকা আৰু ২০২৩-২৪ বৰ্ষত আবন্টিত ধনৰাশি ৫৮৯২ কোটি টকা, প্ৰায় ৯ গুণতকৈও বেছি বৃদ্ধি কৰা হৈছে। এয়া অসম তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ বাবে অতিকৈ ভাল খবৰ আৰু তাৰবাবে মই ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী দেৱক ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত অৰ্থনৈতিক বাজেটৰ লগত সংগতি ৰাখি ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ নদী সমূহ ব্যৱসায় ভিত্তিত ব্যৱহাৰৰ ওপৰত এক চমু আলোচনা আগবঢ়াব বিচাৰিছো। অসমখন হৈছে নদী প্ৰধান ৰাজ্য। বিশাল ব্ৰহ্মপুত্ৰ নদীক অসমৰ জাতীয় নদী হিচাপে অভিহিত কৰিব পাৰি। ব্ৰহ্মপুত্ৰ উপত্যকাত ৰামায়ণ -মহাভাৰতৰ দিনৰ পৰাই নদীকেন্দ্ৰীক শব্দ এটা গঢ় লৈ উঠিছে। এই ব্ৰহ্মপুত্ৰই বহু ইতিহাস বুকুত সামৰি নিৰবিচ্ছিন্নভাৱে বৈ আছে। ব্ৰহ্মপুত্ৰই ভাৰতৰ একমাত্ৰ পুৰুষ নদী বুলি অভিহিত কৰা হয়। জাতীয় জীৱনত ব্ৰহ্মপুত্ৰৰ গুৰুত্ব অপৰিসীম। অতীজতে শষ্য, মৎস্য, বেহা-বেপাৰ, যাতায়ত, জীৱন-ধাৰণৰ পানী ব্যৱহাৰকৰণ আৰু যুদ্ধ জয়ৰ বাবে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহক বহুলভাৱে ব্যৱহাৰ কৰা কথা আমি সকলোৱে জানো। অসমৰ অস্বিত্ব ৰক্ষাৰ শেষ যুদ্ধখন হৈছে শৰাইঘাটৰ যুদ্ধ। যদি ব্ৰহ্মপুত্ৰৰ জলযুদ্ধ নহলহেঁতেন তেনেহ'লে ইতিহাস হয়তো অন্য ধৰণে হ'লহেতেঁন বুলি মই অনুভৱ কৰো। আহোম যুগত বহুলভাৱে ব্যৱহৃত ব্ৰহ্মপুত্ৰ নদী কেন্দ্ৰীক সভ্যতা বৃটিছ যুগত বিকাশৰ সোনালী যুগ বুলি অভিহিত কৰিব পাৰি। কিয়নো বৃটিছসকলে চাহ শিল্প উদ্যোগ স্থাপনৰ বাবে আহোম যুগত ব্যৱহৃত ব্ৰহ্মপুত্ৰ জল পথেই ব্যৱহাৰ কৰিছিল। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি চুক্তিৰ আধাৰত বৃটিছে অসম অধিকাৰ কৰাৰ তিনি বছৰ পূৰ্বে ৰবাৰ্ট ব্ৰুছে অসমত চাহ গছ থকা কথা গম পাইছিল। বৃটিছে অসম অধিকাৰ কৰি প্ৰথমে ১৮৩৯ চনত অসম চাহ কোম্পানী গঠন কৰি ডিব্ৰুগড়ৰ ওচৰত বুঢ়ী দিহিং আৰু টিংৰাই নদীৰ সংগম স্থলত আৰু যোৰহাটৰ সমীপৰ গাভৰু পৰ্ব্বতত ব্যৱসায়িক ভিত্তিত চাহ খেতি কৰে। ১৮৩৯ চনৰ পৰা ১৯৬০ চনলৈকে এটা শতিকাতকৈও অধিক কাল উৎপাদিত চাহ পাত দেশ বিদেশলৈ ৰপ্তানিৰ বাবে ব্ৰহ্মপুত্ৰৰ জলপথকেই ব্যৱহাৰ কৰি আহিছিল। সমান্তৰালভাৱে ১৮৫২ চনৰ পৰা ১৯৫৭ চনলৈ এটা শতিকাজোৰা শ্ৰমিক সংগ্ৰহৰ কাম বৃটিকসকলে কেবল ব্ৰহ্মপুত্ৰ জলপথৰেই কৰিছিল। সেয়াও অতি কৰুণ আৰু অতি দুৰ্বিসহ কাহিনী জড়িত হৈ আছে। বঙ্গদেশ, উৰিষ্যা, বিহাৰ, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, মাদ্ৰাজ, উত্তৰাঞ্চল , ঝাৰখণ্ড আদিৰ পৰা শ্ৰমিক সংগ্ৰহ কৰি অসমৰ চাহ বাগিচাত কাম কৰিবলৈ বৃটিছসকলে অসমলৈ জাহাজত তুলি লৈ আহিছিল। ব্ৰহ্মপুত্ৰ নদীয়েদি ধুবুৰী, কাতিহাৰা, পাতিগড়, পাৰ্বতীপুৰ, কাঙনীয়া, কুৰিগ্ৰাম, গুৱাহাটী, পাণ্ডুঘাট, তেজপুৰ, শিলঘাট , কোকিলামুখ, নিমাতীঘাট, ধনশিৰীমুখ, কমলাবাৰী, জাজীমুখ, দিখৌমুখ, দিচাংমুখ, বিশ্বনাথঘাট, বিহালী, দিহিংমুখ, ডিব্ৰুগড়, চাবুৱা, চৌখোৱা ইত্যাদি জাহাজঘাটক ব্যৱহাৰ কৰিছিল। অন্যটো জলপথ হ'ল সুৰমানদী পথেদি ৰঙামাটি, কাতিগড়া, চিলেট, ফেচুগচ, শিলচৰ, কৰিমগঞ্জ ইত্যাদি জাহাজঘাট ব্যৱহাৰ কৰিছিল।

উপাধ্যক্ষ মহোদয়, চাহ শিল্পৰ বাবে ব্ৰহ্মপুত্ৰৰ জলপথেদি আন্তৰ্জাতিক বাণিজ্য নতুন দিগন্ত উন্মোচিত হ'ল আৰু চাহ শিল্পই অসমলৈ এক অৰ্থনৈতিক বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ল। চাহ শিল্পৰ প্ৰয়োজনীয় চাহ বাকচৰ বাবে প্লাইউড ফেক্টৰী আৰু কলঘৰৰ বাবে কয়লা আহৰণ, উৎপাদিত চাহপাত জাহাজঘাটলৈ নিবৰ বাবে গৰুগাড়ীৰ সলনি ৰেললাইন স্থাপনৰ ইত্যাদি দ্ৰুত পৰিৱৰ্তন সাধন হ'ল। ডিগবৈ ঘন জংঘলত খাৰুৱা তেল আৱিস্কাৰ হোৱাৰ লগে-লগে শোধনাগাৰ স্থাপন কৰি বৃটিছসকলে পৰিবেশিক অৰ্থনৈতিক ক্ষেত্ৰৰ উজনি অসমত নিৰ্মাণ কৰিছিল। চাহ পাতৰ কলঘৰ, ৰেলপথ নিৰ্মাণ, শোধনাগাৰ স্থাপন, প্লাইউড কাৰখানা স্থাপনৰ সকলো যন্ত্ৰ পাতি, ৰেলৰ চিৰি পৰ্য্যন্ত অসমত চাহ কোম্পানীৰ জাহাজত বোজাই কৰি কঢ়িয়াই আনি লোহাৰ দলঙৰ বাবে প্ৰয়োজনীয় লোহা অৰুণাচল পৰ্য্যন্ত পোৱাইছিলগৈ। এই সকলোবোৰ কাম কৰিবলৈ ইংৰাজসকলে ব্ৰহ্মপুত্ৰ নদী ব্যৱহাৰ কৰিছিল। ১৮৮২ চনত তেজপুৰৰ বালিপাৰা ৰেলপথ, ১৮৮৫ চনত কোকিলামুখ মৰিয়ণি ৰেলপথ নিৰ্মাণৰ সকলো প্ৰয়োজনীয় সা-সজুলি ব্ৰহ্মপুত্ৰৰ জলপথেদি আনিছিল। ১৮৪২ চনৰ অসম চাহ কোম্পানীৰ প্ৰথমবাৰৰ বাবে ধুবুৰীৰ পৰা শদিয়ালৈ আচাম নামৰ ৫২ অশ্বশক্তিৰ জাহাজ চলায়। তাৰোপৰি উপনদী দিহিং, দিচাং, দিখৌ, জাজী, টিংৰাই আদি নদীত steamer জাহাজ চলাই ব্ৰহ্মপুত্ৰই দি চাহপাত, কয়লা, খাৰুৱা তেল, প্লাইউড, অগৰু কাঠৰ লগতে আন মূল্যবান কাঠ চেগুণ, মেহগণী ইত্যাদি ৰপ্তানি কৰিছিল।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনদী সমূহক বৃহৎ অৰ্থনৈতিক ভাণ্ডাৰ বা অৰ্থ উপাৰ্জনৰ উৎস বুলি অভিহিত কৰিব পাৰি। কিয়নো জলপথৰ পৰিবহণৰ অৰ্থনৈতিক সম্ভাৱনীয়তাখিনিৰ উপৰিও ব্ৰহ্মপুত্ৰ উপত্যকা খাদ্য -শষ্য, খাৰুৱা তেল, প্ৰাকৃতিক গেছ, কয়লা, চাহপাত, মৎস পালন, বিলুপ্ত প্ৰায় শিহু সংৰক্ষণৰ পৰিৱেশ পৰ্য্যন্ত পৰ্য্যটনৰ বৃহৎ সম্ভাৱনা আছে। নদী দ্বীপ মাজুলী, ক্ষুদ্ৰ নদী দ্বীপ উমানন্দ ব্ৰহ্মপুত্ৰৰ বুকুতে আছে । অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েং দেবৰ 'মুলায়ে কাঠনি' হাবিখন এতিয়াও দেশ-বিদেশৰ পৰ্য্যটকৰ আকৰ্ষন কৰিবলৈ সক্ষম হৈছে । মাননীয়, উপাধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নদীখন বছৰি ১৮৫৩ ঘন কি.মি জলপ্ৰৱাহ হয় অৰ্থ্যাৎ ব্ৰহ্মাপুত্ৰ নদীখনে ভাৰতবৰ্ষৰ সমগ্ৰ নদীসমূহে কঢ়িয়াই নিয়া এক -তৃতীয়াংশ পানী অকলে কঢ়িয়াই নিয়ে । বিশাল বহ্মাপুত্ৰৰ এই জলৰাশিক ব্যৱসায়িক ভিত্তিত ব্যৱহাৰ কৰিব পাৰিলে সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চল উপকৃত হ'ব। উপাধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনৰ মজিয়াত মোৰ সুক্ষ্ম চিন্তাৰে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদী সমূহৰ পানী ব্যৱসায়িক ভিত্তিত ব্যৱহাৰৰ বাবে আলোচনা আগবঢ়ালো । এই চমু আলোচনাত নদী কেন্দ্ৰিক অসমৰ নদী ভিত্তিক অৰ্থনৈতিক বহুমূখী দৃষ্টিভঙ্গী উল্লেখ কৰা হৈছে । সেই সমূহৰ ৰূপায়ণ কৰাৰ বাবে আমাৰ চৰকাৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব বুলি মই পৰম আশাবাদী আৰু এই পদক্ষেপ গ্ৰহণ কৰিব বুলি মই এই পবিত্ৰ সদনত অনুৰোধ জনালো । ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ ... এতিয়া উদ্যোগ ও বানিজ্য বিভাগৰ মন্ত্ৰী ।

**শ্ৰীবিমল বৰা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ধৰ্মেশ্বৰ কোঁৰৰদেৱে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদীসমূহক ব্যৱসায়িক ভিত্তিত ব্যৱহাৰ কৰা সন্দৰ্ভত যিটো বিষয় উত্থাপন কৰিছে এই বিষয়টো অতি গুৰুত্বপূৰ্ণ । এখন দেশ আৰু ৰাজ্য অৰ্থনৈতিকভাৱে শক্তিশালী ৰূপত আগুৱাই যাবৰ কাৰণে যাতায়ত ব্যৱস্থা সুচল হোৱাৰ উপৰিও কম খৰচী হোৱাটো প্ৰয়োজন । আমাৰ মানব সভ্যতা গঢ় লৈ উঠিছিলে নদী কাষৰীয়া সভ্যতাৰ ভিত্তিত, কাৰণ বিজ্ঞান প্ৰযুক্তি বিদ্যা বহু সময়ৰ পিচতহে আবিস্কাৰ হৈছিলে । কিন্তু মানুহে সমাজপাতি বাস কৰা পিচতে এখন

সাংস্কৃতিকভালে সমৃদ্ধ সমাজ নিৰ্মাণৰ ক্ষেত্ৰত নৈপৰীয়া সংস্কৃতিয়ে যথেষ্ঠ অবদান আগবঢ়াই আহিছে। আমাৰ অসম ভাৰতবৰ্ষৰ ভিতৰতে এখন বিশাল জলৰাশিৰে পৰিপূৰ্ণ নদীৰ দ্বাৰা ভূ-ভাগ উৰ্ব্বৰ তথা সাৰুৱা ৰাজ্য বুলি পৰিগনিত হৈ আহিছে। ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ উপনদীসমূহেও আমাৰ অসমৰ কৃষি , সাহিত্য সংস্কৃতি বিনন্দীয়া ৰূপত সমাজখনক সদায় প্ৰেৰণা যোগাই আহিছে। যেতিয়াই অসমে দোপত দোপে আগুৱাই যোৱা পথত অগ্ৰসৰ হৈছিলে তেতিয়া এই নদীসমূহৰ দ্বাৰাই আমাৰ অৰ্থনীতিৰ বিকাশ লাভ কৰিছিল ।এতিয়া সেই কথাবোৰ সাধুকথা যেন লাগিলেও পুনৰ সেই চিন্তাবিলাক এতিয়া আকৌ আৰম্ভ হৈছে। তাহানিতে ষ্টিমাৰ চলিছিল ব্ৰহ্মপুত্ৰ বুকয়েদি, দিখৌৰ বুকুয়েদি ।আমাৰ খাৰুৱা তেল উৎপাদন কৰিবলৈ ও এন জি চিয়ে বৃহৎ মেচিনসমূহ আহিছিল ।এনেধৰণৰ এটা সময়ত খুব সুচল যোগাযোগ ব্যৱস্থা এসময়ত অসমত আছিল ।কিন্তু কিছু কিছু কাৰণত বিগত দিনবিলাকত স্থিমিত হৈ পৰিল। কিন্তু এতিয়া অসম চৰকাৰে ভাৰত চৰকাৰৰ সহযোগত ৰাজ্যখনৰ যি নদীপথ, এই নদীপথসমূহৰ বিকাশৰ জৰিয়তে আমি নৈ পৰীয়া অঞ্চলৰ উন্নয়ণৰ বাবে বিভিন্নধৰণৰ ব্যৱস্থা আমি গ্ৰহণ কৰিছো। বৰাক - বহ্মপুত্ৰ এই দুয়োখন নদীৰ জৰিয়তে জল পৰিবহন আৰু লজিষ্টিক ব্যৱহাৰৰ জৰিয়তে যাতে আমাৰ অৰ্থনীতিত এক উল্লেখনীয় পৰিৱৰ্ত্তন আমি আনিবলৈ সক্ষম হওঁ তাৰ বাবে ইতিমধ্যে ভাৰত চৰকাৰৰ সহযোগত আমাৰ চৰকাৰে গুৰুত্ব সহকাৰে পদক্ষেপ আমি গ্ৰহণ কৰিছে ।ব্ৰহ্মপুত্ৰ নদী জলপথক ৰাষ্ট্ৰীয় জলপথ- ২ হিচাপে ঘোষণা কৰা হৈছে ।নেশ্যনেল ৱাটাৰ ৱেচ - ২ - এই নদীপথে শদিয়াৰ পৰা বে অৱ বেংগলক সংযোগ কৰিছে আৰু এই নদীপথৰ দুয়ো পাৰে সামগ্ৰী পৰিবহনৰ বাবে যিসমূহ প্ৰয়োজনীয় আন্তগাঁথনি, সেই ইনফ্ৰাচষ্ট্ৰাকচাৰ নিৰ্মাণ কৰি বৰ কাৰণে আমাৰ চৰকাৰে বহু ব্যৱস্থা ইতিমধ্যে আমি হাতত লৈছে । সেই বোৰৰ ভিতৰত বিশেষকৈ লজিষ্টিক ইনফ্ৰাচষ্ট্ৰাকচাৰ বুলি ক'লে আমি বন্দৰ উন্নয়ণ , পাৰ্কিং ইত্যাদি বিভিন্ন ধৰণৰ আনুষংগিক সা-সুবিধা আমি উন্নীতকৰণ কৰিব পাৰো ।যেতিয়া নৈৰ পাৰত এনেধৰনে ইনফ্ৰাচষ্ট্ৰাকচাৰসমূহ আমি নিৰ্মাণ কৰিম তাৰ জৰিয়তে পৰ্য্যটনৰ দিশটো বিকাশৰ লগতে পৰিবহনৰ গোটেই ব্যৱস্থাটো উন্নয়ণ হ'ব বুলি আমি আশা কৰো। আমাৰ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত যোগাযোগ ব্যৱস্থাটো ত্বৰান্বিত সুচল আৰু ক'ম খৰচী কৰাৰ বাবে ব্ৰহ্মপুত্ৰ নদীক ৰোল অন ৰো অফ যাক আমি চমুকৈ ৰো ৰো বুলি কওঁ সেই ৰো ৰো জাহাজৰ সেৱা আৰম্ভ কৰা হৈছে ।সেই ৰো ৰো জাহাজৰ জৰিয়তে বিশেষভাবে আমাৰ অসমত মাজুলী- কমলাবাৰী, নিমাতীঘাট- অফলামুখ ইত্যাদিত সেৱা আগবঢ়োৱা হৈছে । এতিয়া সেই অঞ্চলত যাতায়তৰ অৱস্থা যথেষ্ঠ সূচল হৈছে ।ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰে আভ্যন্তৰিন জলপৰিবহন বিভাগৰ জৰিয়তে অসম চৰকাৰে অত্যাধুনিক উদ্যোগিক টাৰ্মিনেল বনাইছে। আমি লজিষ্টিক চাপোৰ্টৰ কাৰণেও টাৰ্মিনেল বনাই আছো - উত্তৰ গুৱাহাটী - উমানন্দ, অফলামূখ নিমাতি এই অঞ্চসমূহত টাৰ্মিনেল হ'ব। এই টাৰ্মিনেলসমূহে অসমৰ জল পৰিবহনৰ ক্ষেত্ৰত অনাগত দিনত যথেষ্ঠ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি মই অনুভৱ কৰো ।এই ব্যৱস্থাৰ জৰিয়তে কাৰ্গোৰ যি লোডিং - আনলোডিং- নৈৰ পাৰত যিটো এটা ডাঙৰ সমস্যা - এই টাৰ্মিনেলসমূহ আমি সম্পূৰ্ণ কৰি তুলিলে আমাৰ লোডিং- আনলোডিঙত যথেষ্ঠ সহাযক হ'ব আৰু ইয়াৰ জৰিয়তে আমাৰ উদ্যোগসমূহলৈ যি সা সামগ্ৰী আহে সেইখিনি আমদানি- ৰপ্তানীৰ ক্ষেত্ৰত আমি বহুখিনি সুবিধা কৰিব পাৰিম। মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মই সদনক জনাব বিচাৰিছো যে, আমাৰ যি ৰাষ্ট্ৰীয় জল পথ ব্ৰহ্মপুত্ৰ নেশ্যনেল ৱাটাৰ বেছ- ২ জৰিয়তে আমি ২০২১ - ২২ বৰ্ষত এশ ন মিলিয়ন টন সামগ্ৰী সৰবৰাহ কৰিবলৈ আমি সক্ষম হৈছো যিটো যোৱা ২০২০-২১ বৰ্ষতকৈ অধিক আছিলে আনহাতে যিটো

আই বি পি জলপথ ইণ্ডো - বাংলাদেশ প্রটোক'ল সেইটো জলপথেৰে ট্ৰেফিক মুভমেন্ট যোৱা ২০২০-২১ বৰ্ষত আছিলে ৩.৫ মিলিয়ন টনৰ পৰা বৃদ্ধি হৈ ২০২১ বৰ্ষত ৪.৫ মিলিয়ন টন হৈছে । আমাৰ যিটো ইনলেণ্ড ৱাটাৰ বেছ অথোৰিটি অৱ ইণ্ডিয়া - তাৰ নোটিফিকেশ্যনৰ জৰিয়তে কেইবাটাও জলপথত এই আই বি পি প্রটোক'লত অৰ্ন্তভূক্ত কৰা হৈছে । সেয়ে মই ক'ব বিচাৰো যে, An Inland water transit and trade protocol exist between India and Bangladesh and which inland vassels of one country can transit through the specified roads of the other country. গতিকে অন্যদেশলৈ এইকেইটা জলপথেৰে আমি যাব পাৰো। এক্সিচটিং প্রট'ক'ল ৰোডচ - কলিকতা - পাণ্ডু- কলিকতা , কলিকতা- কৰিমগঞ্জ- কলিকতা, ৰাজশ্বাহী - ধুলিয়ন- ৰাজশ্বাহী, আৰু পাণ্ডু -কৰিমগ্ঞ্জ- পাণ্ডু এই চাৰিটা পোৰ্টৰ জৰিয়তে গোটেই দেশতে ট্ৰেড হ'ব । হালদিয়া, কলিকতা , পাণ্ডু, আৰু কৰিমগঞ্জ, ভাৰতৰ আৰু নাৰায়নগঞ্জ , মঙ্গলাপোর্ট, চিৰাজগঞ্জ ইত্যাদি বাংলাদেশৰ এই পোৰ্টসমূহৰ লগত আমি আই বিপি প্রটোক'লৰ জৰিয়তে আমাৰ নদী পথেৰে যোগাযোগ সম্ভৱ হ'ব । প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই এক্ট ইষ্ট পলিচিৰ জৰিয়তে উত্তৰ পূব ভাৰতক দেশৰ উন্নয়নৰ ক্ষেত্ৰ হিচাপে গড় দিয়াৰ তেখেতৰ যিটো সপোন মই ভাবো আমাৰ এই ৱাটাৰ ৱেছৰ জৰিয়তে আমি এটা পৰ্য্যায়লৈ লৈ যাবলৈ সক্ষম হ'ম আৰু মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ তত্বাবধানত যি ৰাষ্ট্ৰীয় জলপথ আইন ২০১৬ আছে তাৰ অধীনত ইতিমধ্যে উত্তৰ পূবত ২০ খন নদীক ৰাষ্ট্ৰীয় নদীপথ হিচাপে ইতিমধ্যে কেন্দ্ৰই ঘোষণা কৰিছে । এইটো বহু ভাল কথা আমাৰ বাবে । মই ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াক জনাব বিচাৰো যে, উত্তৰ পূবৰ ২০ খন নদীক ৰাষ্ট্ৰীয় জলপথ হিচাপে কেন্দ্ৰই ঘোষণা কৰিছে আৰু সেই কাৰণে মই ভাবো প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক এই আমাৰ অসম বিধান সভাই ধন্যবাদ জনাব লাগে । কেন্দ্ৰীয় চৰকাৰে আভ্যন্তৰিন পৰিবহন ব্যৱস্থাৰ যি আন্তঁগাথনি আৰু তাৰ উন্নয়ণৰ বাবে প্ৰায় ৪৬১ কোটি টকা আৰু ১৪৮ কোটি টকাৰ দুটা আঁচনি আজি ২০২০-২১ ৰ পৰা ২০২৫ বৰ্ষলৈ এই ৫ বছৰৰ বাবে আমাক অনুমোদন জনাইছে ।
কাষৰীয়া এটা সভ্যতা শক্তিশালী ৰূপত আগবঢ়াই লৈ যোৱাৰ কাৰণে জল সংৰক্ষণ অতি প্ৰয়োজন আৰু পৰ্য্যাপ্ত পৰিমাণৰ আমাৰ অসমৰ এই জলৰাশী ভৱিষ্যতৰ দিনত সম্পদলৈ যাতে কনভাৰ্ট কৰিব পাৰো, তাৰ কাৰণে পাৱাৰ জেনেৰেচনতো এই জল প্ৰয়োজনীয়তা অপৰিসিম। এই ক্ষেত্ৰত আমাৰ অসম চৰকাৰেও মাননীয় মুখ্যমন্ত্ৰী শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত ইতিমধ্যে পাৱাৰ জেনেৰেট কৰিবৰ কাৰণেও বিভিন্ন ধৰণৰ পদক্ষেপ চৰকাৰ খনে গ্ৰহণ কৰিছে। মই ভাৰো কাম সমূহ যোগীঘোপাৰ টাৰ্মিনেলেই হওঁক, পাণ্ডু পোৰ্টলৈ যি বিকল্প পথ, সেই পথ নিৰ্মাণেই হওঁক, পাণ্ডুত জাহাজ মেৰামতিৰ যি কাৰখানা।

**মাননীয় উপাধ্যক্ষ** ঃ অনুগ্ৰহ কৰি চমু কৰক। আপুনি লে কৰি দিয়ক সকলোৰে পাই যাব।

**শ্ৰীবিমল বৰা, (মন্ত্ৰী) ঃ** মই ভাৰো যে আগন্তুক দিনত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ নদী সমূহৰ যাতায়ত যোগাযোগ ব্যৱস্থা অতি সুচল কৰিব পাৰিম আৰু আমাৰ উৎপাদিত সা-সামগ্ৰী সমূহ বহি ৰাজ্য বা বিভিন্ন স্থানলৈ ৰপ্তানি বা আমদানি ক্ষেত্ৰত যথেষ্ট সুচল হ'ব আৰু অসমৰ ৰাইজে কম মূল্যত সামগ্ৰী সমূহ পাবলৈ সক্ষম হ'ব।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীকমালক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** বৰাক নদীত ড্ৰেজিংৰ কাম হোৱা নাই।

**শ্ৰীবিমল বৰা, (মন্ত্ৰী) ঃ** ড্ৰেজিং পয্যায়ক্ৰমে হৈ থাকে। ড্ৰেজাৰখন তাত আছেই।

**মাননীয় উপাধ্যক্ষ** ঃ এইটোৰ ওপৰত ডিবেদ নহয়, আগুাৰ ৰুল ৩০১। এতিয়া মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত কব অমিয় কুমাৰ ভূঞা। আপোনাক দলে সময় দিছে ৫ মিনিট।

**শ্ৰীঅমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মহামহিম ৰাজ্যপালৰ বাজেট অধিবেশনৰ ভাষণত ধন্যবাদসূচক যি প্ৰস্তাৱ, এই প্ৰস্তাৱক সমৰ্থন জনাই আমি আমাৰ দৃষ্টিভঙ্গী আগবঢ়াব বিচাৰিছোঁ। আমাৰ ৰাজ্যৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ৰাজ্যখনত প্ৰিয়ামিল প্ৰগতিৰ যাত্ৰাৰে ৰাষ্ট্ৰৰ বুকুত এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়িবৰ বাবে বিভিন্ন ক্ষেত্ৰৰ যোগেদি যোৱা দিনসমূহত বিকাশ আৰু উন্নয়নৰ কাম কৰি আহিছে। আমাৰ ৰাজ্যখনৰ যি ইতিহাস, সাংস্কৃতিকভাৱে উৎভাষিত কৰিবৰ কাৰণে বিষয়টো ৰাজ্যপালৰ ভাষণৰ যোগেদি উন্মোচিত হৈছে। আমি অতিকৈ আনন্দিত আৰু গৌৰান্বিত, মহাবীৰ লাচিত বৰফুকনৰ বিষয়ে গোটেই বিশ্বজুৰি প্ৰচাৰ আৰু প্ৰসাৰ কৰিবৰ কাৰণে প্ৰথম হাতত যি প্ৰয়াস লৈছিল নতুন দিল্লীত, আৰু অন্যান্যৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ মাজতো যি প্ৰয়াস লৈছিল, সেই প্ৰয়াসে ইতিমধ্যে গতি লৈছে। গ্ৰিনিছ ৰৰ্ল্ডত ইতিমধ্যে স্থান পাইছে। তাৰ লগে লগে ৰাজ্যখনৰ আন আন ক্ষেত্ৰত বিশেষকৈ কৃষক সবলীকৰণৰ ক্ষেত্ৰত এই চৰকাৰে লোৱা যি পদক্ষেপ আৰু কৃষকসকলক উৎসাহিত কৰিবৰ বাবে আমাৰ জনপ্ৰিয় নেতা প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াই যিখিনি পদক্ষেপ লৈছে, সেই পদক্ষেপে ৰাজ্যখনৰ কৃষি খণ্ডত এটা আশাৰ বতৰা আনিছে। বিশেষকৈ আমি যদি লক্ষ্য কৰো যে কভিডৰ সময়তে অসমৰ কৃষকৰ ফচল বিদেশী ৰাষ্ট্ৰলৈ পঠিয়াবৰ কাৰণে আমাৰ চৰকাৰ সক্ষম হৈছে। তাৰ লগে লগে বিশেষকৈ অসমখন কৃষি প্ৰধান দেশ হিচাপে আমাৰ থলুৱা কৃষকসকলে ধান খেতি নিয়মীয়া ভাৱে কৰি আহিছে। এই ধান খেতিয়ক সকলক তেওঁলোকক ফচলৰ উপযুক্ত মূল্য দিয়া আৰু চৰকাৰী ভাৱে ফচল ক্ৰয় কৰাৰ যিটো ব্যৱস্থা, এই ব্যৱস্থাই কৃষক সকলক উৎসাহিত কৰিছে। আমাৰ সমষ্টিতো আমি যোৱা ডেৰ বছৰৰ ভিতৰত তিনিটা ধান ক্ৰয় কেন্দ্ৰৰ যোগেদি কৃষকৰ লগত সম্পৰ্ক কৰি কৃষকৰ ধান ক্ৰয় কৰাৰ ক্ষেত্ৰত সফল হ'ব পাৰিছোঁ। এইটো কেৱল সম্ভৱ হৈছে মাননীয় প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াৰ সবল নেতৃত্বত, স্বাধীনোত্তৰ এই দীঘলীয়া সময়ত কৃষকৰ ভূমি গুণাগুণ পৰীক্ষা কৰাই হওঁক, কৃষকক সন্মান দি ধন দি উৎসাহিত কৰাই হওঁক, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ যোগেদি কৃষক ক্ষতিগ্ৰস্তৰ পৰা উদ্ধাৰ কৰাৰ ক্ষেত্ৰত বা পথাৰত বা কৃষকৰ আন্তঃগাঠনি নিৰ্মাণ কৰাৰ ক্ষেত্ৰত হওঁক, যিখিনি পদক্ষেপ যোৱা দিন বিলাকত ল'লে আৰু বিশেষভাৱে আমাৰ ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ ২০১৬ চনত ৰাজ্যখনত অহাৰ পাছত কৃষকসকলৰ এটা গোটত ৫.৫ লাখ ৰাজসাহাৰ্য্যযুক্ত টেক্টৰ দিয়া যি ঐতিহাসিক পদক্ষেপ, এই পদক্ষেপক ৰাজ্যখনৰ কৃষি খণ্ডত যিটো এটা পৰিবৰ্তন আৰু কৃষি খণ্ডক শক্তিশালী কৰাৰ যিটো উদ্যোগ লৈছে তাৰ বাবে আমাৰ চৰকাৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক এই ক্ষেত্ৰত আমি আন্তৰিক ধন্যবাদ দিব লাগিব। তেখেতে যোৱা দিন বিলাকত ধান ক্ৰয় কৰাৰ ক্ষেত্ৰত যি খিনি পদক্ষেপ লৈছে সেইখিনি উল্লেখনীয়। তাৰ উপৰিও সৰিয়হৰ ক্ষেত্ৰতো NSP rate দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰি আছে। আমি আশা ৰাখিছো সৰিয়হ বা আন আন কৃষি ফচলৰ ওপৰতো যাতে তেনেকৈ পদক্ষেপ গ্ৰহণ কৰে। অন্যহাতে আজি বাল্য বিবাহেই হওঁক বা ড্ৰাগছ বিৰোধী অভিযানটোৱে, ৰাজ্যখনত এটা সংস্কাৰ প্ৰতীক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত যিখিনি পদক্ষেপ লৈছে আমি সকলোৱে আদৰণি জনাইছো। এই পদক্ষেপ আৰু আহি থকা দিন বোৰত আগবাঢ়ি যাওঁক। যাৰ জৰিয়তে এটা সবল জাতি হিচাপে নতুন প্ৰজন্মক আশাৰ বতৰা ৰাজ্য খনত গঢ়ি তুলিব পাৰোঁ। তাৰ কাৰণে চৰকাৰখনে

যি কাম কৰিছে আমি আদৰণি জনাইছো আৰু প্ৰচেষ্টা ক্ষিপ্ৰভাৱে আগবঢ়াই নিবলৈ আমি সকলোৱে আশা প্ৰকাশ কৰিছোঁ। তাৰ লগে লগে শিক্ষা খণ্ডত আমাৰ চৰকাৰখনে যি পদক্ষেপ গ্ৰহণ কৰিছে, শিক্ষা খণ্ড শক্তিশালী কৰিবৰ কাৰণে আমাৰ শৰ্মা ডাঙৰীয়াই দায়িত্ব লৈয়ে প্ৰথম বৰ্ষত যি ১৯.৩ শতাংশ, চলিত বিত্তীয় বৰ্ষত যি ২০ শতাংশ ধন আৱন্টন কৰি ৰাজ্যৰ সকলো প্ৰাদেশিতকৃত বিদ্যালয়ত যি শক্তিশালী প্ৰথা ৰাষ্ট্ৰীয়মানৰ কৰিবৰ বাবে শিক্ষাৰ মান উন্নত কৰিবৰ বাবে গুণোৎসৱ আয়োজন কৰি যিখিনি পদক্ষেপ লৈছে, ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক দিয়াৰ যি পদক্ষেপ লৈছে, এই পদক্ষেপে ৰাজ্যখনলৈ আশাৰ বতৰা কঢ়িয়াইছে। গতিকে আমি আশা আৰু বিশ্বাস কৰো তাতে শান্ত নাথাকি আমাৰ চৰকাৰে যোৱা দিনবোৰত উচ্চ শিক্ষাৰ বিশ্ববিদ্যালয় পতা, ইঞ্জিনিয়াৰিং কলেজ পতা, পলিটেক্‌নিক পতা, মেডিকেল কলেজ পতা আৰু চৰকাৰী ভাৱে আদৰ্শ মহাবিদ্যালয় পতা যিবোৰ কাম কৰিছে, এই বিষয় বিলাকে ৰাজ্যবাসীৰ ওপৰত আশাৰ বতৰা কঢ়িয়াই আনিছে। আমি ভাৱো যে ইয়াৰ জৰিয়তে ৰাজ্যৰ অৰ্থনীতিয়ে হওঁক ৰাজ্যৰ আন্তঃগাঠনিয়ে হওঁক, আৰু ৰাজ্যখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত নতুন চামে আজি প্ৰেৰণা পাইছে। ইয়াৰ জৰিয়তে আমি ভাৱো যে আমাৰ অসম, ভাৰতৰ বুকুত এখন শক্তিশালী ৰাজ্য হিচাপে প্ৰতিষ্ঠা লাভ কৰাৰ ক্ষেত্ৰত আমি আগবাঢ়িব পাৰিম। তাৰ লগে লগে অসমৰ জাতীয় জীৱনৰ আয়ুসৰেখা স্বৰূপ আমাৰ বিহু।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি চমু কৰক।

**শ্ৰীঅমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া) ঃ** এই বিহু আজি গ্ৰিনিছ ৱৰ্ল্ড ৰেকৰ্ডত অন্তৰ্ভূক্ত কৰিবৰ কাৰণে যিটো প্ৰয়াস চলাইছে,এনেকুৱা প্ৰয়াস পূৰ্বতে কেতিয়াও হোৱা নাছিল। এই প্ৰয়াসে আমাৰ সভ্যতা, আমাৰ সংস্কৃতি, আমাৰ ৰীতিনীতিক আৰু অধিকভাৱে চৰ্চা কৰাৰ ক্ষেত্ৰত নতুন চামকো উদ্যোক্তা কৰিব বুলি আমি আশা কৰো। ইয়াৰ জৰিয়তে আমি বিশ্ব জয় কৰিব পাৰিম। গতিকে ইয়াৰ জৰিয়তে মই ৰাজ্যপাল মহোদয়ৰ যি ভাষণ, এই ভাষণৰ যি ধন্যবাদসূচক প্ৰস্তাৱ এই প্ৰস্তাৱক সমৰ্থন আগবঢ়াই আৰু ভৱিষ্যতে অংশ গ্ৰহণ কৰাৰ আশা ৰাখিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় কমলাক্ষ দে পুৰকায়স্থ। আপোনাক দলে ১০ মিনিট সময় দিছে।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ, (উত্তর করিমগঞ্জ)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মহামহিম রাজ্যপাল যে ভাষন দান করলেন তার তীব্র বিরোধীতা করছি। এইজন্য বিরোধীতা করছি কারণ রাজ্যপালের বক্তব্য আমাদের রাজ্যের দিশা-নির্দেশিকা নির্ধারণ করে। তার মানে রাজ্য কিভাবে চলছে রাজ্যপালের বক্তব্যে সেটা প্রতিফলন করে। অধ্যক্ষ মহোদয়, রাত্রিবেলা আপনারা যদি সানগ্লাস লাগিয়ে চলুন তাহলে আপনারা দেখতে পাবেন না। অধ্যক্ষ মহোদয়, নিজে যাকে বড় বলে সে বড় নয়। লোকে যাকে বড় বলে সেই বড় হয়। আপনারা নিজেকে নিজে বড় বলছেন। আসলে আপনারা দেখতে পারছেন না জিনিষগুলো। অধ্যক্ষ মহোদয়, এই বিধানসভায় আসার পর থেকে এবং এই সরকার আসার পর থেকে আমি একটি কথাই শুনতে পাচ্ছি যে পিডব্লুডি র বাজেট। কি অদ্ভুত কথা। আমরা সামান্য হলেও শিক্ষা দান করেছি। এবং সেই ক্ষেত্রে আমরা বুঝেছি আমাদের মুখ্যমন্ত্রী বা পিডব্লুডি বিভাগ বলে থাকে যে পিডব্লুডি বাজেট ২০২১-২২, ২০২২-২৩, ২০২৩-২৪। ২০২১-২২ থেকে আমরা শুনতে পাচ্ছি যে পিডব্লুডি আপনারা স্কিম দিন। ২১-২২ এ আমরা স্কিম দিলাম। ২২-২৩ আমরা আবার স্কিম দিলাম। শাসক দলের এত টাকা, বিরোধী দলের এত টাকা। ঠিক আছে এগুলো মেনে নিয়ে আমরা স্কিম দিলাম। গত বছর স্কিম দিলাম এখনও ওয়র্ক অর্ডার হয়নি। এপ্রিলে ওয়ার্ক অর্ডার হবে। বৃষ্টি পড়ে যাবে আবার কাজ হবে না। কাজ হবে আবার পরবর্তী

বিত্তীয় বর্ষে। অর্থাৎ ৫ বছরে মাত্র একবার সেংশন। পিডব্লুডি সেংশন মাত্র একবার হবে। আমাদের মাননীয় মন্ত্রী পিযূষ হাজারিকা মহোদয় হয়তো ভুলেই গেছেনযে আসামের অবস্থা কি ছিল। আমাদের মাননীয় প্রাক্তন মুখ্যমন্ত্রী তরুণ গগৈ ২০০১ এ এই শাসন ব্যবস্থার ভার হাতে নিয়েছিলেন। তখন একটি অরাজকত পরিবেশ ছিল। শিক্ষদের বেতন, আমাদের রাজ্য সরকারের বেতন, আজ বেতন হবে কাল হবেনা একমাস পর হবে। একটি ভিবিষিকাময় পরিবেশ। সময়মত বেতন দেওয়া সম্ভব হতনা। চারিদিকে সমস্যা ছিল। সেই সময় বাজেট ছিল হয়তো ৮ ৪০ হাজার ৫০ হাজার কোটি টাকা। সেই বাজেট আজ গিয়ে দাঁড়িয়েছে ১ লাখ ২০ হাজার কোটি টাকা। সেই সময় গ্যাস সিলিন্ডারের দাম ছিল ৪০০ টাকা আজকের দিনে সেই সিলিন্ডারের দাম ১২০০ টাকা। সেই কথাগুলো ভুলে গেলে হবে না। আসলে ডেভেলপমেন্টের পেরামিটার হচ্ছে গিয়ে যে আমরা পিডব্লুকে আমরা কত টাকা সেংসন দিলাম। আমরা কি মূর্খ নি কি? আমরা কি বুঝি না। আসামের মানুষে বুঝতে পারে ডেভেলপমেন্টের মানদণ্ড শুধু পিডব্লুডির সেংসন নয়। সব ডিপার্টমেন্টের ফান্ড কেটে এনে আমি পিডব্লুকে একটি রাস্তা বানিয়ে দিলাম সেটা কি ডেভেলপমেন্ট? উপাধক্ষ মহোদয়, আমি মনে কবি, ডেভেলপমেন্ট হচ্ছে আজ যে টিচারদেরকে টিউটর করলেন। কি অদ্ভুত কথা ২০১১ সালে যখন এই বিলটি হল যুবক যুবতীদের মনে একটি স্বপ্ন হল আমরা টিচার হব। অনেক টিচারকে আমরা প্রভিনসিয়েলাইজ করেছি। আজ অনেক টিউটেরদের বিয়ে হয়েছে বিয়ের পর সে শ্বশুর বাড়িতে বলতে পারছে না যে আমি টিউটর। আমার বেতন ১০ হাজার টাকা। ১০হাজার টাকা বলা হলে তার সংসার নষ্ট হয়ে যাবে। সেই টিউটর নিয়ে আপনারা গর্ব করছেন। আমরা ২০১১ তে টিচার করলাম আর ২০১৭ তে আপনারা সেটাকে টিউটর করলেন। এই হচ্ছে আপনাদের ডেভেলপমেন্ট। অধ্যক্ষ মহোদয়, ভুলে গেলে হবে না। অঙ্গনওয়াডি ওয়ার্কার,হেল্পার, রাধুনি, ১৫ হাজার চতুর্থ শ্রেণীর চাকুরি যেগুলো রেগুলারাইজ করা হল, বিশেষ করে এ. ই, জিআরএস, জিপিসি, জলমিত্র আশাকর্মী, হসপিটেলের সোসাইটির আন্ডারে যারা কাজ করছে সেইগুলো দেখলে দেখা যাবে যেহুওরা কন্ট্রাকচুয়েল স্টাফের মত। যেগুলো পোষ্ট দেওয়া হল এগুলো পারসনেল পোষ্ট। এই পোষ্টে ওদেরকে নিযুক্তি দেওয়া হল। চাকুরি শেষ সেই পোষ্টগুলো এবলিশ করে দেওয়া হল। অধ্যক্ষ মহোদয়, আজ সরকারের ডেভেলপমেন্টের পেরামিটার হচ্ছে একজন মানুষকে হিতাধিকারীর সৃষ্টি করা। সেই চাকুরির ক্ষেত্রে হোক, টিউটর হিসাবে হিতাধিকারীর সৃষ্টি করা, অরুণোদয় হিতাধীকারি সৃষ্টি করা অর্থাৎ কিভাবে আমাদের ভোটের লাভ হয়। ভোটে আপনারা জিতবেন চিন্তা করবেন না। আমি ধরে নিলাম ভোটে আপনারা জিতবেন। কিন্তু ভোটের জন্য আপনারা রাজনীতি করবেন না। রাজনীতি করবেন এই আসামকে ৫টি রাজ্যের মধ্যে ১টি রাজ্যে যাতে রূপান্তরিত করতে পারি। আপনাদের যে মানষিকতা সেই মানষিকতায় আসামকে কখনও ৫টি রাজ্যের মধ্যে ১টি রাজ্য করতে পারবেন না। আমি দায়িত্ব সহকারে বলছি আজকের এই বিধানসভায় যেভাবে আসামের পরিবেশ সৃষ্টি করা হচ্ছে। অধ্যক্ষ মহোদয়, আমি আমার বেতনের কথা বলছি না। আমার বেতন বৃদ্ধির কথাও বলছি না। আমার বেতন দরকার হয় কমিয়ে দিন। কিন্তু আশাকর্মী, অঙ্গনওয়াদি কর্মী, টিউটর ওদেরকে পার্মানেন্ট করুন। আসামের দীর্ঘ দিনের যে দাবি ওপিএস, এনপিএস হওয়ার পর ওপিএস র জন্য বারবার আন্দোলন চলছে। সেই আন্দোলন চলাকালীন অবস্থায় আমরা দেখতে পাচ্ছি যে আসাম সরকারের তরফ থেকে কোন ধরনের সদোত্তর দেওয়া হচ্ছে না। কিন্তু দেখা যাচ্ছে রাজস্থান সরকার, পাঞ্জাব সরকার, ছত্তিসগড় সরকার, হিমাচলপ্রদেশ সরকার ইতিমধ্যে সিদ্ধান্ত নিয়েছে যে ওপিএস দেওয়া

হবে। আমি আমার বেতন বা আমাদের বেতনের কথা বলব না। কিন্তু ওপিএস কবে থেকে চালু হবে সেটা হচ্ছে ডেভেলপমেন্ট। সেই ওপিএস যদি হয় তাহলে আমিও কমলাক্ষ দে পুরকায়স্থ এই বিধানসভায় দাড়িয়ে বলব যে আপনাদের সরকার একটি ভালো কাজ করল । কিন্তু যেভাবে মানুষের এনপিএস করে ওদের ভবিষৎকে নষ্ট করা হচ্ছে আমি মনে করি এটা ডেভেলপমেন্ট নয়। ডেভেলপমেন্ট হচ্ছে একটি পজেটিভ ওয়েতে কাজ করা। নিগেটিভ মাউন্ড নেভার গিভ আস পজেটিভ লাইফ। আজ এই সরকার প্রত্যেকটি ক্ষেত্রে ব্যর্থ। আপনি বলবেন কিভাবে ব্যর্থ। আজ এভিকশন ধরুন, বাল্য বিবাহ ধরুন এনকাউন্টার ধরুন , প্রত্যেকটি ক্ষেত্রে ব্যর্থ। এজন্য বলছি কারন কোর্ট থেকে যখন অর্ডার দেওয়া হয় যে এইভাবে অনৈতিক কাজ করবেন না। তখন আমাদের মুখ্যমন্ত্রী বলে থাকেন যে না কোর্টের অর্ডার আমরা মানি না। আমাদের সরকার কাজ করেই যাবে। যখন কোর্টে বলে বা কোর্ট থেকে কোন ইনস্ট্রাকসন থাকে যে টিচার করা যাবে না। টিউটর করতে পারবেন। তখন মুখ্যমন্ত্রী বলেন যেহেতু এখানে ফাইনান্সিয়েল ইমপ্লিমেনসনের কথা এখানে আছে তাই মুখ্যমন্ত্রী বলে থাকেন যে এটা আমরা করতে পারব না। কারন কোর্টের ইনস্ট্রাকসন আছে যে এখন আর টিচার করতে পারব না। টিউটর হিসাবে ওদেরকে নিযুক্তি দেওয়া হবে। যেখানে অর্থের প্রয়োজন, সেখানে আপনারা বলবেন কোর্ট আর যেখানে রাজনীতিক মুনাফা নিতে পারবেন সেখানে বলবেন আমাদের কাজ চলবেই। তাই বলছি আসামের ইতিহাসে আপনারা যে কাজ করছেন সেই কাজ মোটেই ভালো করছেন না। আমাদের প্রাক্তন মুখ্যমন্ত্রী সর্বানন্দ সনোয়াল ওনার সময়ে আমাদের আনটাইড ফান্ড ৫০ লক্ষ ছিল। ওনার সময়ে আমাদের সুহৃদের ফান্ড ৫০ লক্ষ ছিল আমরা সবাই পেয়েছি। আমরা ধন্যবাদ জানাই। এই সরকার আসার পর ডেভেলপমেন্ট হচ্ছে আপনারা সুহৃদের ফান্ড বন্ধ, এই সরকার আসার পর ডেভেলপমেন্ট হচ্ছে আনটাইড ফান্ড বন্ধ করে দিলেন। এটাই কি আপনাদের ডেভেলপমেন্ট ?তাই ডেভেলপমেন্ট যদি হয় তাহলে স্কিম বন্ধ করা ডেভেলপমেন্ট নয়। সেই স্কিমকে চালু রেখে একদম স্থায়ী আসামকে একটি পজেটিভ ওয়েতে যাতে কাজ করতে পারেন তার জন্য আপনারা কাজ ক রুন। আমি মনে করি আপনারা মোটেই সেই পজেটিভ ওয়েতে কাজ করতে পারছেন না। অধ্যক্ষ মহোদয়, আমাদের মুখ্যমন্ত্রী বলে থাকেন স্টার্ট আপ, মানে নিজেকে সয়ম্বর কারা । নিজেকে প্রতিষ্ঠিত করা। আমি বলছি নিজেকে প্রতিষ্ঠিত করব। যদিও প্রধানমন্ত্রী বলে থাকেন যে পকড়া বেঁচাও একটি ব্যবসা। আমি না করছি না। কিন্তু এই যে স্টার্ট আপ মুখ্যমন্ত্রী বলে থাকেন, এই স্টার্ট আপের একটি দৃষ্টান্ত আমি দেখাচ্ছি। এমপ্লয়মেন্ট জেনারেট হয়েছে স্টার্টআপে ১৩০ টি কোম্পানী। হয়েছে ২৬০ জন। সেখান থেকে রেভিনিউ আসছে ৭৬ ।যে স্টার্টআপ কোম্পানি গুলো ৪২.৬ কোটি রেভিনিউ দিচ্ছে। সেখানে আসাম সরকারের তরফ থেকে আমরা ৫৪ স্টার্টআপ কোম্পানিকে প্রায় ৩০ কোটি আমরা অনুদান দিয়েছি। তাই এভারেজ দেখা যায় যে একটি স্টার্টআপ কোম্পানি ২ জনকে চাকুরি দিয়েছে। যেখানে আমাদের করিমগঞ্জে টিম করিমগঞ্জ একটি স্টার্টআপ কোম্পানি ১৫০ জনকে চাকুরির ব্যবস্থা করে দিয়েছে। যে স্টার্টআপ কোম্পানী ১৫০ জনকে চাকুরির সুযোগ করে দিল সেই স্টার্টআপ কোম্পানির দিকে আপনারা নজর দিচ্ছেন না। তাই অধ্যক্ষ মহোদয় আমি লাস্টে একটি কথাই বলব যে সরকারের দিশা মানষিকতা মোটেই ঠিক না। আপনারা সঠিক মানষিকতা নিয়ে কাজ করুন। আপনারা ভালো কাজ করলে নিশ্চই ধন্যবাদ জানাব। কিন্তু আপনারা যে কাজ করছেন সেটা আসামের ইতিহাসে মনে রাখবে। আমি একটি কথা বলব। গীতায় লেখা আছে ভালো কিছু তারই ভাগ্যে জোটে যে অপেক্ষা করে। ভালো কিছু সে-ই পায় যে চেষ্টা করে। আর জীবনে সেই প্রতিষ্ঠিত হয় যে সত্যের পক্ষে দাড়ায়।

আমার বিশ্বাস আপনারা সত্যের পক্ষে দাড়াবেন। এইভাবে রাত্রিবেলা সানগ্লাস নিয়ে কালো চসমা পরে ঘুরবেন না। তার জন্য আসামের মানুষের বেদনা, আসামের মানুষের দুঃখ, আসামের মানুষের বিপদে আপনারা দেখতে পারছেন না। আজ এই সরকার কন্ট্রকটারী সরকার চলছে। এই সরকার আসামকে একটি বিকষিত আসামে রূপান্তরিত করার জন্য যে কাজ করার কথা ছিল আপনারা সেইভাবে কাজ করছেন না। আমি এই বিধানসভায় দাড়িয়ে বলছি যে আজকের দিনে এই সরকার প্রত্যেকটি স্কিম বন্ধ করছে। বিগত দিনে যেগুলো স্কিম ছিল সেই স্কিমগুলো বন্ধ করছে রাজনৈতিক ফায়দার জন্য। রাজনীতির জন্য এই বিধানসভায় আমরা আসিনি।আসামের মানুষের কিভাবে উন্নত হয় তা দেখুন। থার্ড গ্রেড ফোর্থ গ্রেড চাকুরি বরাক ভ্যলিতে হল না। আজকের দিনে আপনাদের এই মানষিকতা। ইভেন আমরা দেখি যদি আজ বঙ্গবাসীদের সঙ্গে যেভাবে অন্যায় করা হচ্ছে আমি অনুরোধ করব সেগুলোর দৃষ্টি আকর্ষণ করে সবাইকে ধন্যবাদ জানিয়ে আমার বক্তব্য শেষ করছি।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য নৱ কুমাৰ দলে।

**শ্ৰীনৱ কুমাৰ দলে, (ঢকুৱাখনা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাজেট অধিবেশনৰ প্ৰথম দিনটোত অসমৰ মহামহিম ৰাজ্যপাল শ্ৰীযুত গোলাপ চান্দ কাটাৰিয়া দেৰে আগবঢ়োৱা ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থনত আজি মই পবিত্ৰ সদনৰ মজিয়াত বক্তব্য দাঙি ধৰিব বিচাৰিছো। উপাধ্যক্ষ মহোদয় ৰাজ্যত এক লাখ নিবনুৱা যুৱক- যুৱতীক চৰকাৰী চাকৰি প্ৰদান কৰাটো বৰ্তমান চৰকাৰখনৰ অন্যতম নিৰ্বাচনী প্ৰতিশ্ৰুতি আছিল। এই প্ৰতিশ্ৰুতি পুৰণৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বিগত সময়ছোৱাত যি বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিলে, সেয়া আমি সকলোৱে প্ৰত্যক্ষ কৰিছো। যিটো অসমৰ ইতিহাসত নজিৰবিহীন। বৰ্তমান চৰকাৰখন শাসনলৈ অহাৰ পিছতেই ৪১,৯২০ গৰাকী নিবনুৱাক নিযুক্তি প্ৰদান কৰা হৈছে, আৰু ২৬ হাজাৰ চৰকাৰী চাকৰিৰ নিযুক্তিৰ প্ৰক্ৰিয়া চলি আছে। সম্পূৰ্ণ মেধাৰ ভিত্তিত ইমান বৃহৎ সংখ্যক যুৱক- যুৱতীক নিযুক্তি প্ৰদান কৰা যুগান্তকাৰী পদক্ষেপৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নাম অসমৰ ইতিহাসত সোণালী আখৰত লিপিবদ্ধ হৈ থাকিব। ৰাজ্যখনত দীঘলীয়া নিবনুৱা সমস্যা সমাধানৰ বাবে অসম চৰকাৰে লোৱা এই পদক্ষেপক অতিশয় ফলপ্ৰসু বুলি ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনতাই একেমুখে স্বীকাৰ কৰিছে। উল্লেখনীয়ভাৱে এই সম্পূৰ্ণ নিযুক্তি প্ৰক্ৰিয়া সহজ অৰ্থত কোৱাৰ দৰে কোনো ধৰণৰ দুৰ্নীতি বা অনিয়মৰ অভিযোগ উত্থাপিত হোৱা নাই। অৰ্থাৎ সম্পুৰ্ণ স্বচ্চতাৰে চৰকাৰে নিযুক্তি প্ৰদান কৰিছে। গতিকে বৰ্তমানৰ চৰকাৰখনৰ এই সাফল্যৰ কথা বিৰোধী পক্ষকো স্বীকাৰ কৰিবলৈ মই আহ্বান জনাইছো। উপাধ্যক্ষ মহোদয়, ১ লাখ চৰকাৰী চাকৰি প্ৰদানৰ সমান্তৰালকৈ বৰ্তমান চৰকাৰখনে ৰাজ্যখনৰ আত্ম সহস্ৰজনৰ এক বিপ্লৱ অনাৰ বাবে আন্তৰিক প্ৰচেষ্টা অব্যাহত ৰাখিছে। যুৱক- যুৱতীসকল যাতে কেৱল চাকৰিমুখী নহৈ , আনৰ বাবে চাকৰি সৃষ্টি কৰিব পাৰে, তেনে এক পৰিবেশ সৃষ্টি কৰি তোলাটো মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰখনৰ অন্যতম লক্ষ্য। আমাৰ দৃষ্টিত আত্ম সংস্থাপনৰ সুযোগ সৃষ্টিৰ বাবে লোৱা অসম চৰকাৰৰ এই পদক্ষেপক এক ঐতিহাসিক পদক্ষেপ। ই আমাৰ ৰাজ্যখনৰ উঠি অহা প্ৰজন্মৰ সন্মুখত বিশাল সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব। আমাৰ ৰাজ্যখনত প্ৰচুৰ সম্ভাৱনা আছে, আৰু আমাৰ চৰকাৰখনে এই সম্ভাৱনাক সম্পদলৈ ৰূপান্তৰ কৰাৰ বাবে প্ৰচেষ্টা হাতত লৈছে। নিঃসন্দেহে নিবনুৱা সমস্যা দূৰীকৰণৰ ক্ষেত্ৰত এই দূৰদৰ্শী চিন্তাই আহিবলগীয়া দিনবোৰত এক জাগৰণ আনিবলৈ সক্ষম হ'ব। বৰ্তমান চৰকাৰে ইয়াক সম্ভৱ কৰি

তুলিব। উপাধ্যক্ষ মহোদয়, মই এইখিনিতে উল্লেখ কৰিব খুজিছো যে  আমাৰ ৰাজ্যত কৃষিখণ্ড, পৰ্যটন খণ্ড, সেৱা খণ্ড, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডত স্বাৱলম্বন সৃষ্টিৰ প্ৰচুৰ সম্ভাৱনা আছে। পৰম্পৰাগত কৃষি পদ্ধতিৰ  বিকল্প অৰ্থাৎ সম্পূৰ্ণ বিজ্ঞানসম্পন্ন পদ্ধতি আৰু প্ৰযুক্তি ব্যৱহাৰেৰে লাভদায়ক  কৃষিৰ প্ৰতি যুৱ প্ৰজন্মক আকৰ্ষিত কৰি  তুলিব লাগিব। পৰ্য্যায় ক্ৰমে তেওঁলোকৰ উপযুক্ত প্ৰশিক্ষণৰ মাধ্যমেৰে  সাজু কৰি তুলিব লাগিব। অসমৰ উৰ্বৰ ভূমিত কৃষিৰ জৰিয়তে কি দৰে এক বিপ্লৱ সূচনা কৰিব পাৰি এই সৰ্ম্পকে ইতিমধ্যে চতিয়া সমষ্টিৰ মাননীয় বিধায়ক পদ্ম হাজৰিকাদেৱৰ প্ৰচেষ্টাত গঢ় লৈ উঠা ভৰলী পৰিয়াল কন্যাকা বহুমুখী পামে উদাহৰণ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। উপাধ্যক্ষ মহোদয়, সম্প্ৰীতি বিশ্বৰ প্ৰায়বোৰ দেশে পৰ্যটনৰ ক্ষেত্ৰখনত  বিশেষ গুৰুত্ব প্ৰদান কৰি আগবঢ়াৰ ফলত এই খণ্ডটোৰ দ্ৰুত বিকাশ সাধন হৈছে। আমাৰ অসমতো পৰ্যটনৰ ক্ষেত্ৰখনত প্ৰচুৰ সম্ভাৱনা আছে আৰু বৰ্তমান চৰকাখনৰ প্ৰচেষ্টাত ৰাজ্যৰ পৰ্যটন উদ্যোগটো বিশেষ গতি লাভ কৰিছে। সম্প্ৰতি অসমৰ পৰ্যটন ক্ষেত্ৰসমূহৰ আন্তঃগাথনি শক্তিশালী হৈ উঠিছে আৰু ৰাজ্যৰ সকলো স্থানতেই ৰাস্তা-ঘাটৰ দ্ৰুত উন্নয়নৰ ফলত যাতায়ত আৰু যোগাযোগ ব্যৱস্থা সূচল হৈ উঠিছে আৰু ই পৰ্য্যটনৰ ক্ষেত্ৰৰ বাবে অধিক সুবিধাৰ সৃষ্টি কৰিছে। সকলোত কৈ ডাঙৰ কথা অসমৰ জলবায়ু পৰ্যটনৰ বাবে অতি অনুকুল। আমি ইয়াৰ সুযোগ গ্ৰহণ কৰি এই অনুকুল পৰিবেশ পৰ্যটনৰ বৃহৎ ক্ষেত্ৰ গঢ়ি তুলিব পাৰো। লগতে ৰাজ্যখনৰ শান্তিৰ পৰিবেশে বিৰাজ কৰাৰ ফলত ৰাজ্যত পৰ্যটনৰ সম্ভাৱনা বৃদ্ধি পাইছে। উপাধ্যক্ষ মহোদয়, সমাজত শান্তি শৃংখলা ৰক্ষা আৰু সকলো শ্ৰেণীৰ জনসাধাৰণৰ বাবে মৰ্যাদাপূৰ্ণ জীৱন যাত্ৰাৰ পৰিবেশ গঢ়ি তোলাৰ বাবে বৰ্তমান চৰকাৰখনে অতি দায়বদ্ধতাৰে কাম কৰি আছে। সমাজৰ এক মহা ব্যাধি স্বৰূপ ড্ৰাগছৰ বিৰুদ্ধে চৰকাৰে লোৱা কঠোৰ পদক্ষেপে যি ধৰণে সমাজলৈ সুস্থিৰতা  ঘুৰাই আনিছে, সেই দৰে বহুতো বিপদগামী যুৱক-যুৱতীক সঠিক পথৰ সন্ধান দি হাজাৰ হাজাৰ পৰিয়াললৈ হেৰোৱা সুখ শান্তি ঘুৰি আহিছে। এয়া মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰখনৰ অন্য এক বৃহৎ সাফল্য। এই দৰে দুৰ্নীতিৰ বিৰুদ্ধে গ্ৰহণ কৰা শূণ্য সহনশীল নীতিয়ে চৰকাৰী ব্যৱস্থাটোক জনসাধাৰণৰ কাষ চপাই নিবলৈ সক্ষম হৈছে আৰু ফলত চৰকাৰী ব্যৱস্থাটো অধিক কাৰ্য্যক্ষম হৈ উঠিছে। উপাধ্যক্ষ মহোদয় বৃহত্তম অসমীয়া জাতিৰ সৌৰ্য্য বীৰ্য্যৰ প্ৰতীক মহাবীৰ লাচিত বৰফুকনৰ অদম্য সাহস, অসীম পৰাক্ৰম আৰু দুৰ্বাৰ দেশপ্ৰেমৰ গাঠাৰে মহিমামণ্ডিত অসমৰ গৌৰৱ উজ্বল ইতিহাস, ৰাষ্ট্ৰীয় তথা বিশ্বৰ স্তৰত জিলিকাই তোলাৰ বাবে বৰ্তমান চৰকাৰখনে ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছে। বিগত বৰ্ষত মহান আহোম সেনাপতি গৰাকীৰ ৪০০ বছৰীয়া জন্ম জয়ন্তী অসম চৰকাৰে দেশৰ ৰাজধানী নতুন দিল্লীত তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্য্যসূচীৰে আয়োজন কৰিছিল। মহাবীৰ লাচিত বৰফুকনক বিশ্ববাসীৰ সন্মুখত চিনাকি কৰি দিয়াৰ উদ্দেশ্যে অসম চৰকাৰে তেখেতৰ ৪০০ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে আয়োজন কৰা ৰচনা প্ৰতিযোগিতাই ইতিমধ্যে বিশ্ব অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। এই দৰে অসমৰ গৌৰৱময় ইতিহাসৰ সাক্ষী চৰাইদেউ মৈদানে ইউনেস্কোৰ বিশ্বৰ ঐতিয্যৰ ক্ষেত্ৰৰ স্বীকৃতি লাভ কৰিবলৈ আগবাঢ়িছে। উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ শক্তিশালী আৰু দিকদৰ্শী নেতৃত্বত বৰ্তমান চৰকাৰখনে অসমক দেশৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ শাৰীত স্থান দিয়াৰ বাবে আন্তৰিকতাৰে কাম কৰি আছে। ইয়াৰ চানেকী ইতিমধ্যে আমি  সকলোৰে দেখিবলৈ পাইছো।  এই দিশত অতি শক্তিশালীভাৱে  ক্ষীপ্ৰতাৰে আগবঢ়াৰ ফলত এতিয়া সমগ্ৰ দেশৰ দৃষ্টি অসমৰ ওপৰত নিবন্ধ হৈ আছে। গতিকে বিৰোধী পক্ষকো অসম চৰকাৰে এই উন্নয়নমুখী যাত্ৰাত সহযোগিতা আগবঢ়াই মহামহিম ৰাজ্যপাল শ্ৰীযুত গোলাপ

চান্দ কাটাৰিয়াদেৰৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱক সমৰ্থন জনাবলৈ মই আহ্বান জনাইছো। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ, জয়হিন্দ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীৰকিবুল হুছেইন।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ে যোৱা ১০ মাৰ্চ তাৰিখে যি ভাষণ দিলে সেই ভাষনৰ বিতৰ্কত অংশগ্ৰহণ কৰি মই যিটো প্ৰস্তাৱ দিছে সেই প্ৰস্তাৱৰ বিৰোধিতা কৰি দুআষাৰ কোৱাৰ প্ৰয়াস কৰিছো। এই মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণ হোৱাৰ আগত আমাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত এখন সভা হৈছিল আৰু সেই সভাত আমাৰ সদনৰ দলপতি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে যিহেতু ৰাজ্যপাল মহোদয় নতুনকৈ আহিছে আমি যাতে তেওঁৰ সন্মানৰ ক্ষেত্ৰত এটা হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি নকৰি তেখেতৰ ভাষণ আমি শুনো। আমি সেই কথাত সন্মতি প্ৰদান কৰিছিলো আৰু আমি সেই সময়ত কোনো ধৰণৰ বাধা আৰোপ কৰা নাছিলো। সেই কাৰণে আজিৰ প্ৰচিডিঙত কাৰ্য্যক্ৰমণিকাত উল্লেখ কৰিছে যে "The Hon'ble Governor of Assam address the House in assamese at the very outset and there after continued in hindi language. Hon'ble Governor compleated his address smothly. সেই সময়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে আপোনালোকৰ ক'বলগীয়া খিনি আপোনালোকে ভাষণত ক'ব পাৰিব। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, আমি যিহেতু মাননীয় সদনৰ দলপতি ডাঙৰীয়াৰ কথা বতৰাত সন্মতি জনাইছিলো আৰু তাৰেই কথা মতে আমি আমাৰ দুআষাৰ কোৱাৰ প্ৰয়াস কৰিছো। মোৰ হাতত এতিয়া কেইবাখনো ৰাজ্যপালৰ ভাষণ আছে। সাত বছৰৰ ভাষণ, আমাৰ আমাৰ বিদায়ী ৰাজ্যপাল অধ্যাপক জগদীশ মুখী আৰু বৰ্তমানৰ ৰাজ্যপাল মাননীয় গোলাপ চান্দ কাটাৰিয়াৰ ভাষণ। ইখনৰ লগত সিখন যদি মিলাই চাওঁ বেছিভাগ কথা-বতৰাই নিমিলে। সেই কাৰণে মাননীয় উপাধ্যক্ষ ডাঙৰীয়া এই বি জে পি চৰকাৰৰ সাত বছৰীয়া শাসনকাল বিভিন্ন ক্ষেত্ৰত ৰাজ্যপালে দিয়া ভাষণ আমি বাজেটৰ কথা নকওঁ, এই কথাবিলাক যদি আমি ভাল হৈছে, বেয়া হৈছে তুলনা কৰো তেতিয়া কাৰ লগত তুলনা কৰিম। নিশ্চয়কৈ এই চৰকাৰখন অহাৰ আগত যিখন চৰকাৰ আছিল সেই চৰকাৰখনৰ লগত তুলনা কৰিম। সেই চৰকাৰখনৰ লগত তুলনা কৰাৰ লগে লগে আমি ক'ব লাগিব যে স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়া মুখ্যমন্ত্ৰী থকাৰ অৱস্থাত যিখন চৰকাৰ আছিল সেই চৰকাৰখনৰ লগত আমি বৰ্তমানৰ সাত বছৰীয়া চৰকাৰখন তুলনা কৰিব লাগিব। স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰখন কেনেকুৱা আছিল। স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰখনে উত্তৰাধিকাৰী সূত্ৰে কি লাভ কৰিছিল। আজি যদি সেই ছবিখন মনলৈ আহে দৰমহা নোপোৱা কৰ্মচাৰী, চৌদিশে অন্ধকাৰ এনে এটা অৱস্থা তেতিয়া হৈছিল। সেই সময়ত অসম গণ পৰিষদৰ চৰকাৰ আমাৰ ৰাজ্যত আছিল। কেন্দ্ৰত বি জে পি ৰ চৰকাৰ আছিল। গোটেই চাকৰি প্ৰক্ৰিয়াটোকে বন্ধ কৰি থৈছিল। কৰ্মচাৰীয়ে দৰমহা নোপোৱাৰ পৰা আৰম্ভ কৰি গোটেই উন্নয়ণ স্থবিৰ হৈ গৈছিল। সেই সময়ত উত্তৰাধিকাৰ সূত্ৰে স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়াই সেই অসম খন পাইছিল। গোটেই বিলাক সমস্যাৰ কথা নকওঁ। সেই সময়ত অসমৰ ৰাইজে গণ পৰিষদ চৰকাৰৰ পৰা স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰখনক দায়িত্ব দিয়াৰ মূল চাৰিটা কাৰণ আছিল। প্ৰথম কাৰণ আছিল কৰ্মচাৰীয়ে দৰমহা নোপোৱা এটা হাহাঁকাৰ অৰ্থনৈতিক অৱস্থা, দ্বিতীয়তে আছিল উগ্ৰপন্থীৰ সমস্যা। আজি আমি পাহৰি গৈছো সেই সময়ত আলফাৰ সমস্যা আৰু লগত আছিল ছালফাৰ সমস্যা। তৃতীয়তে আছিল চাকৰি নোপোৱাৰ অৱস্থা আৰু চতুৰ্থতে আছিল বিদেশী সমস্যা। স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়াৰ

চৰকাৰখন আহি প্ৰথম এটা বছৰ সেই অৰ্থনৈতিক অৱস্থাৰ লগত যুঁজি যুঁজি নিজৰ ভৰিৰ ওপৰত আমি সম্পূৰ্ণ তৰুণ গগৈ ডাঙৰীয়াৰ ভাষাৰে কৈছো যে আমি এতিয়ালৈকে সম্পূৰ্ণ উঠিব পৰা নাই। কেৱল আমি থিয় হৈছো, আমি খোজকাঢ়িব পৰা নাই। স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়াই চৰকাৰখন আৰম্ভ কৰাৰ সময়ত কৰ্মচাৰীক দৰমহা দিয়াতোৱেগোটেই অসমখনৰ কাৰণে এটা ডাঙৰ কাম আছিল আৰু বিৰোধীয়েও কৈছিল যে আপোনালোকে কৈছিল কৰ্মচাৰীক দৰমহা দিম বুলি গতিকে দৰমহা দিয়ক। হয়, আমিও কিছুদিন পৰা নাছিলো। প্ৰথমে আমি দৰমহা দিলো। দৰমহা দিয়াৰ পিছত তেওঁলোকৰ মৰগীয়া বানচ দিলো, তাৰ পিছত কেন্দ্ৰীয় সম হাৰত আমি টকা-পইচা দিলো। কেৱল মই সংক্ষেপে কৈছো সময় নাই। তাৰ পিছত লাহে লাহে উঠি অহা চামৰ লোক সকলৰ কাৰণে কম্পিউটাৰ শিক্ষা আৰম্ভ কৰিলো। মোৰ মনত আছে স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়াই যিদিনা ভাষণ দিছিল সিদিনা আমাৰ আজিৰ বহুতো মন্ত্ৰী তাত আছিল। তেওঁ যেতিয়া আহি কৈছিল যে ফাৰ্ষ্ট ডিভিজন পোৱা সকলো ল'ৰা-ছোৱালীক আমি কম্পিউটাৰ দিম। সকলোৱে আচৰিত হৈছিল বিৰোধী পক্ষত থকা আজি শাসক পক্ষত থকা সকলে। কেনেকৈ দিব এনেকুৱা অৰ্থনৈতিক অৱস্থাত। সেই সময়ত প্ৰথমে ডেস্কটপ দিলে, কম্পিউটাৰ দিলে তাৰপিছত টেবলেট দিলে। প্ৰত্যেকখন এল পি স্কুলত ২৫ হাজাৰ ৫০ হাজাৰ টকাৰ কাৰণে আমাৰ সমষ্টি বিলাকত এম এল এ, এম পি ৰ পিছে পিছে ঘূৰি থাকিব লগীয়া হৈছিল। স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়াই ২ লাখ ৰ পৰা ৪ লাখলৈকে এখন এখন এল পি স্কুলত দিছিল। একেলগে ২০০০ হাইস্কুল, হায়াৰ চেকেণ্ডাৰী স্কুলক ৪ লাখ কৈ টকা দিছিল। ৰাজীৱ গান্ধী কম্পিউটাৰ লিটাৰেচী প্ৰগ্ৰেমৰ যোগেদি প্ৰত্যেকখন হাইয়াৰ চেকেণ্ডাৰী স্কুলত কম্পিউটাৰ দিছিল। সেই সময়ত এদিন মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে তোমালোকে মাজৰ পৃষ্ঠাত পঢ়িবা আৰু আমিটো কম্পিউটাৰ দিলো। বহুত স্কুল আছে কম্পিউটাৰ চলাব নোৱাৰে কিয়নো তাত কাৰেণ্ট নাই। সেয়েহে সেই সময়ৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া তৰুণ গগৈ য়ে কৈছিল যে প্ৰত্যেকখন হাইয়াৰ চেকেণ্ডাৰী স্কুলত একোটাকৈ জেনেৰেটৰ দিবলৈ। লগতে অন্যান্য অনুদান সমূহো দিছিল। স্ত্ৰী শিক্ষাৰ কাৰণে ক্লাচ এইট, নাইন আৰু টেনৰ ছোৱালীবোৰক চাইকেল দিছিল। সেইবোৰ কথা আজি আমি পাহৰি গৈছো। সেই সময়ৰ অৰ্থনৈতিক অৱস্থাৰ পৰা আমি খোজকাঢ়িব লৈছিলো। সেই সময়ত আহি গ'ল উগ্ৰপন্থীৰ সমস্যা। আজি গুৱাহাটীৰ সেই অৱস্থা নাই। উষা গড়ৰ আগেদি যাব নোৱাৰা অৱস্থা আছিল আৰু গাড়ীৰে যাওঁতেও মূৰটো তল কৰি যাব লগীয়া হৈছিল ছালফাই মাৰে নেকি। তেতিয়া আলফাৰ ল'ৰা সকলক টেবুললৈ মাতি আনিলে আৰু আলফা আৰু ছালফাৰ সমস্যাটো নাইকিয়া কৰিব বিচাৰিলে। ফলত এক সুন্দৰ পৰিৱেশৰ সৃষ্টি হ'ল। তাৰ পিছত আহিল ল'ৰা-ছোৱালীবোৰৰ চাকৰি বন্ধ। সেই সময়ৰ অৰ্থনৈতিক অৱস্থাৰ কাৰণে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে এখন এম অ' ইউ কৰিলে। সাধাৰণ গাঁৱৰ মানুহেও জানে যে এম. অ' ইউ চুক্তি, যি চুক্তি পৃথিৱীত বিৰল যে চাকৰি বন্ধৰ কাৰণে এখন চুক্তি হৈছিল। প্ৰথমে আমাৰ চৰকাৰ অহাৰ পিছত বিৰোধীয়ে খুব হুলস্থুল কৰিলে যে আপোনালোকে এম অ' ইউ বাতিল কৰিব বুলি কৈছিল কিয় বাতিল নকৰে। আমাৰ অসুবিধা হৈছিল কাৰণ কেন্দ্ৰত সেই সময়ত বি জে পি চৰকাৰ আছিল। পৰৱৰ্ত্তী সময় ইউ পি এ চৰকাৰ আহিল আৰু আমি লাহে লাহে ইউ পি এ চৰকাৰৰ লগত আলোচনা কৰি এই এম অ' ইউ চুক্তিখন বাতিল কৰিলো। ফলত এক সুন্দৰ পৰিৱেশৰ সৃষ্টি হ'ল আৰু চাকৰি দিয়াৰ কাম আৰম্ভ হ'ল। সেই তিনিটা সমস্যা লাহে লাহে সমাধান হোৱাৰ পিছতেই আহিল বিদেশী সমস্যা। স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়াই ক'লে হয় আমি এই সমস্যাটো সমাধান কৰিব লাগে। তাৰবাবে আমি আছুক মাতিব লাগিব। কিয়নো আছুৱে তাত স্বাক্ষৰ কৰিছিল।

আছুক টেবুলত বহুৱালে আৰু আছুৰে ওলাই গৈ ক'লে যে আমাৰ লগত বহুবাৰ স্বাক্ষৰ কৰা চুক্তি চৰকাৰ হৈছিল। কিন্তু আগৰ চৰকাৰবোৰে আমাৰ লগত বহিবলৈ সময় নাপালে। সেয়েহে এইবাৰ আমি তৰুণ গগৈ দেৱক ধন্যবাদ দিছো। সকলো ৰাজনৈতিক দলৰ লগত তেওঁলোক বহিল আৰু সৰ্ব্বসন্মত ভাৱে এটা সিদ্ধান্ত ললে যে ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগত অহা সকলো সতি-সন্ততিলৈ চিৰদিনৰ বাবে NRC এখন কৰি আমি এই সমস্যাবোৰৰ সমাধান কৰিম। ফলত NRC ৰ মাধ্যমেৰে এই সমস্যাটো সমাধানৰ পথ আগবাঢ়িল। সময়ৰ কাৰণে মই বাকীখিনি কথা ক'ব পৰা নাই। সেই সময়তে ২০০৬ চনত আমি ৰাইজৰ ওচৰলৈ গলো আৰু ৰাইজে ক'লে যে আমি একেলগে ১৫ বছৰ চৰকাৰ চলালো। কিন্তু আমি ১৫ বছৰ একেলগে চৰকাৰ চলোৱা নাই। ২০০১ ৰ পাছত ২০০৬ চনত আমি আহিছো আৰু ২০০৬ চনত ৰাইজে আমাক সমৰ্থন কৰিলে আৰু ২০০৬ চনৰ পৰা ২০১১ চনলৈ ৰাইজে আমাক সমৰ্থন দিলে। কিন্তু ২০১৬ চনত ৰাইজে আমাক সমৰ্থন নকৰিলে। এতিয়া কথা আহিল কি কাৰণত ২০১৬ চনত ৰাইজে আমাক সমৰ্থন নকৰিলে। ২০১৪ চনত ভাৰতবৰ্ষত এনেকুৱা এটা অৱস্থা আহিল যে ইউ পি এ চৰকাৰে কি কৰিছে, তৰুণ গগৈ চৰকাৰে কি কৰিছে, চাকৰি বাকৰি দিব পৰা নাই। আমি প্ৰত্যেক বছৰত ২ কোটি কৈ চাকৰি দিম। কেন্দ্ৰই ২ কোটিকৈ চাকৰি দিব ইয়াৰ হিচাপটোহে মই উল্লেখ কৰিছো। বৰ্তমান ১ লাখ চাকৰি দিয়াৰ হিচাপ-নিকাচ চলি আছে। মই মোৰ ভাষা কোৱা নাই। কেন্দ্ৰই প্ৰতি বছৰে ২ কোটি কৈ চাকৰি দিব বুলি কৈছিল। আজি কেন্দ্ৰৰ ৯ বছৰ কাৰ্য্যকাল হৈ গ'ল। তেনেকৈ 9x2=18 কোটি চাকৰি দিম বুলি সেই সময়ত কৈছিল। মই সেই মানুহজনৰ নাম উল্লেখ কৰিব বিচৰা নাই। কেন্দ্ৰই যদি বছৰি ২ কোটি চাকৰি দিয়ে তেতিয়াহ'লে আমিও বছৰি চাকৰি দিম ২৫ লাখকৈ। এতিয়া যদি ২৫ লাখকৈ চাকৰি দিয়ে তেতিয়াহ'লে ৭ বছৰত ১ কোটি ৭৫ লাখ হ'ব। এই চৰকাৰৰ ২৫ লাখকৈ হ'লে ১ কোটি ৫০ লাখ। মুঠ হ'ল অংকটো অলপ ভুল হৈছে ১৯ কোটি ২৫ লাখ হ'ব। ১৯ কোটি ২৫ লাখৰ হিচাপত এতিয়া মাত্ৰ ১ লাখ চাকৰিলৈ টনা-আজোৰা। কথাটো মই চৰকাৰক মনতহে পেলাই দিছো। এই কথাবোৰ ৰাইজৰ কিন্তু মনত আছে আৰু কৈছিল কংগ্ৰেছৰ দিনত মহিলা সকল কেনেকৈ ৰান্ধনী ঘৰত থাকিব। এগৰাকী মহিলাক টি ভি খুলিয়েই দেখা যায় যে ঘাম মুচি আছে আৰু ক'লে কংগ্ৰেছৰ দিনত এটা চিলিণ্ডাৰৰ দাম ৪০০ টকা কৰি দিলে। লগে লগে পদুম ফুল আহিল আৰু পদুম ফুলে ক'লে আমাক ভোট দিয়ক আমি লগে লগে গেছৰ দাম আধা কৰি দিম। এতিয়া আধা হৈছে নে নাই চালেই হ'ল। এতিয়া মই এখন কাকতত অহা তথ্যৰ কথা অলপ ক'ব বিচাৰিছো যে ০৮-০৫-২০১৪ চনত সত্যম ৰডৰ দাম ২৯০০ টকা আছিল। আজি হ'ল ৭৫০০ টকা। দুৰ্গাপুৰৰ পৰা অহা ২৯০০ আছিল, এতিয়া হ'ল ৭৬০০ টকা। কামধেনু ২৯০০ আছিল, এতিয়া হ'ল ৭৬০০ টকা। চিমেন্ট টপচেম ৩২০ টকা, এতিয়া হ' ৫৫০ টকা। ডালমিয়া চিমেন্টা ৫৫০ টকা। ষ্টাৰ চিমেন্ট ৩০০ টকাৰ পৰা ৫৫০ টকা। মেক্স ৩০০ টকাৰ পৰা ৪৫০ টকা। অৰ্মিত ৩০০ টকাৰ ৫৫০ টকা। মিঠাতেল ইঞ্জিণ ৯০ টকা হ'ল ২২০ টকা। চুজি ২৫ টকাৰ পৰা ৬০ টকা। কণি প্ৰতিটো আছিল ৩ টকা, এতিয়া কোনোবাই কয় ৫০ টকা, ৬০ টকা।

এতিয়া কথাটো হ'ল মাননীয় উপাধ্যক্ষ মহোদয়, খোৱা বস্তুৰ মুল্যৰ লগত আহি গ'ল কাৰেন্টৰ কথাটো। এতিয়া দুখীয়া মানুহবিলাক বহুতে কাৰেণ্ট বন্ধ কৰি দিব লগীয়া হৈছে। আগতে বৃটিছৰ দিনত শুনিছিলো যে ৰাজহুৱা এটা জৰিমনা হয়। মাননীয় উপাধ্যক্ষ মহোদয়, গাঁৱত খবৰ কৰক যে গাঁৱত এটা টেন্সফাৰ্মাৰত ৩০ জন মানুহৰ connection থাকে, তাত যদি পাচঁ জনে কাৰেন্টৰ বিল নিদিয়ে, বাকী কেইজনৰো ৰাজহুৱা জৰিমনা। বাকী কেইজনৰো কাটি দিয়া হয়। লাইটৰ বিলৰ

প্ৰত্যেকদিনে বাঢ়ি আছে। বাল্য বিবাহৰ কথা আৰম্ভ কৰোতে পিছ দিনা পেপাৰত দিলে যে লাইটৰ বিল বাঢ়ি গ'ল। এতিয়া আমি লাইটৰ বিলৰ কথা কম নে বাল্য বিবাহৰ কথা কম, আমাৰ ইফাল সিফাল হৈ গৈছে। এফালে ঘৰ ভাঙে, আনফালে পেট্ৰল, ডিজেলৰ দাম বঢ়াই, গেছৰ দাম বঢ়াই। গতিকে এই কথাবিলাক এটা অসোহনীয় হৈ গৈছে মাননীয় অধ্যক্ষ মহোদয়।

মই এটা কথা কব বিচাৰিছো যে গাঁৱৰ স্কুল বিলাক বন্ধ কৰি আছে, এমালগেমেচন কৰি আছে। ডঃ ভৰেন্দ্ৰ নাথ শইকিয়া পঢ়া স্কুলখন বন্ধ কৰি দিছে ছাত্ৰ-ছাত্ৰী নাই কাৰণে। নৰ কান্ত বৰুৱা ডাঙৰীয়াই পঢ়া স্কুলখন বন্ধ কৰি দিছে। আমাৰ গাঁৱত সাধাৰণতে দুখীয়া লৰা-ছোৱালীয়ে পঢ়ে। দুখীয়া বাপেক-মাক, এই লোকসকলে খেতি কৰি পঢ়াই। কেতিয়াবা আমাৰ লৰা-ছোৱালীয়ে গাঁৱত ভালকৈ পঢ়িব নোৱৰিবও পাৰে। সেই কাৰণে স্কুলবিলাক বন্ধ কৰি দিছে।

মই এটা কব খুজিছো, এই কথাখিনি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই কথাখিনি শুনক। মই এটা তথ্য আনিছো। আমাৰ সকলোৰে গৌৰৱ কটন কলেজ। কটন কলেজত মেট্ৰিক ৯০, ৯৫ শতাংশ পালেহে নামভৰ্তি কৰিব পাৰে। এছ চি, এছ টি ৰ কাৰণে ৮৫ শতাংশই পাই। 85% cut of mark কটন কলেজত নামভৰ্তি কৰোতে। তাত best of best professor থাকে। মই শেষৰ তিনি বছৰত তথ্য আনিছো মাননীয় উপাধ্যক্ষ মহোদয়, শেষৰ তিনি বছৰত 84% যে পাছ কৰিছে, তাত out of the above mentioned 500 student, 40% secured first division. 84% পোৱা ছাত্ৰ 40% হে তাত first division secured কৰিছে। 40% secured 2nd division, এইটো কোনো ৰাজনৈতিক কথা কোৱা নাই। 10% য়ে পাইছে 3rd division আৰু 10% student failed হৈছে। কোনো এতিয়া সুবিধ তাত গৈ, গাঁৱৰ স্কুলত ফেইল কৰাৰ কাৰণে বন্ধ কৰি দিছে। 84%, 90% ৰ ওপৰত পোৱা লৰা-ছোৱালীয়ে তাত ফেইল কৰিছে, তাৰ কাৰণে কোন দায়ী হ'ব। গাঁৱৰ সেই শিক্ষক সকলে ইমান কষ্ট কৰি 3rd division পোৱা ছাত্ৰক 2nd division কৰে, 2nd division পোৱা ছাত্ৰী যদি 1st division কৰে, তেওঁলোকক পুৰস্কৃত কৰিব লাগে। আমি কলেজখনক ইউনিভাৰ্চিটি কৰিছোঁ তাত কোনো আপত্তি নাই, কৰিব লাগিব। কিন্তু কোনোবাই কৈফিয়ৎ অলপ কৰিব লাগিব যে 84% পোৱা ছাত্ৰ জনে কি কাৰণে 2nd division পাব, 2nd division টো বাদ দিয়ক 3rd division কিয় পাব, ১০ শতাংশ যে ফেইল কৰিছে, সেই বাপেক মাক জনে মেধা পঠিয়াই দিছিল ইয়ালৈ, সেই মেদা বিলাক যে নাইকিয়া হৈ গৈছে, এই বিলাকৰ উত্তৰ কোনে দিব।

মাননীয় উপাধ্যক্ষ মহোদয়, এই কথাবিলাক আমি সদনত চিন্তা কৰিব লাগিব। গাঁৱৰ স্কুল বিলাক খুছি খুছি নাইকিয়া কৰিব নালাগে। (SEBA) ছেৱাৰ যি অৱস্থা হৈছে, মই যোৱা কালিয়ে কৈছো আজি আৰু পুনৰ নকওঁ। গাঁৱৰ মানুহ বিলাকৰ যে ঘৰ ভাঙি পৰিছে, সেই কথাটো মুলতে ঠিক হোৱা নাই। আজি যে বাল্য বিবাহৰ কথা কৈছে, চাহ বাগিছাৰ মানুহৰ মাজত হঁাহাকাৰ লাগিছে। কিবা কাৰণত গম পাই পেলাই তাত যাব দিয়া নাই। আপুনি খবৰ লওঁক চোন, বহুত দিন চাহ বাগিছাত ঘৈনিয়েকৰ লগত মানুহজন নাই। গিৰিয়েক ঘুৰি অহা নাই। কোনোবা honest officer ৰে ভাবিব চৰকাৰৰ নিৰ্দেশ মই পালন কৰো। কোনাবাই ভাবিব যে মই অলপ পইচা পাতি লৈ অলপ মেনেজ কৰি থাকো। হাঁহাকাৰৰ সৃষ্টি হৈছে, সমস্যাৰ সৃষ্টি কৰিবলৈ সামাজিক এটা ব্যধি, ভাগ ভাগ নকৰিব। মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰ সকলোৰে চৰকাৰ, চৰকাৰ আধা চৰকাৰ নহয়। অসমৰ চৰকাৰ খনে অসমৰ সকলো মানুহক চাব লাগিব। মোৰ শৰিৰটো সুস্থ, মোৰ হাতখন দুৰ্বল। মই মোৰ

সৰ্বাঙ্গ সুস্থ বুলি কব পাৰিম জানো। মাননীয় উপাধ্যক্ষ মহোদয়, এই কাৰণে মই লিষ্টখন আপোনাৰ আগত পঢ়ি দিওঁ per capita income ত অসম ২২ নম্বৰ। বি পি এল ৰেটত অসম ৬ নম্বৰত, পুষ্টিহীনতাৰ ক্ষেত্ৰত ৭ নম্বৰত, school education quality index ত ২৬ নম্বৰত, innovation index ত ৩১ নম্বৰত, Ease of doing business ২০ নম্বৰত। Health progress in India ২৪ নম্বৰত, Foreign direct index ২২ নম্বৰত, Human Development index ত ৩১ নম্বৰত।

মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা লৰাৰ কথা কম, প্ৰাঞ্জল মৰাণ, অসহায়, ঘৈনিয়েক জনীয়ে ৰখি আছে (ধৰ্ণা স্থলী চচলত)। এবাৰ গোৱালপাৰাত তিনিজন মৰোতে, সেই বিলাক তাত ডকাইত কৰিব গৈছিলে বোলে। মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি অলপ নিৰ্দেশণা দিয়কচোন, কাৰণ এই প্ৰাঞ্জল মৰাণৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইয়ো তাত টকা পঠিয়াছে, ঘৈনিয়েকে লোৱা নাই। কৈছে যে মোৰ মানুহজন মৰিলে নে জীয়াই আছে, মোক খবৰ দিয়ক। লিডু কয়লাখনিত তাত মৃত্যু হৈছে। গতিকে মৃতদেহটো বিচাৰিছে। সেই প্ৰাঞ্জল মৰাণৰ সন্ধান বিচাৰি ধৰ্ণা স্থলীত বহি আছে। কালি আমি দলপতি শ্ৰীদেৱব্ৰত শইকিয়াৰ লগতে আমি একেলগে গৈছিলো ধৰ্ণাস্থলী চচললৈ একেলগে গৈছিলো। অকনমান সদনখন চলি থাকিলে কেতিয়াবা আমি ইয়াত থাকোতেও তাত যেতিয়া আমাক কৈছিল, আমি একেলগে খবৰ কৰিছিলো। খুব কৰুণ এটা দৃশ্য, যাৰ হয়, সি বুজি পায়। মই যদি হেৰাই যাওঁ মোৰ ঘৰখন, মোৰ পত্নী, মোৰ ল'ৰাৰ কি হ'ব সেই কথাটো মই জীৱিত থকা অৱস্থাত চিন্তা কৰিব লাগিব। এইখিনি কথাকে কৈ মই শেষ কৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰীৰমাকান্ত দেউৰী। ৫ মিনিটত শেষ কৰিব আপুনি।

**শ্ৰী ৰমাকান্ত দেউৰী, (মৰিগাওঁ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চদশ অসম বিধান সভাৰ বাজেট অধিৱেশনত মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণ প্ৰসংগত মই প্ৰথমে সমৰ্থন আগবঢ়াইছো আৰু বিৰোধী আসনত বহিলে চৰকাৰখনে যিমানেই ভাল কাম নকৰক, তেখেতসকলে সমালোচনা কৰিব। এইটো এটা ধাৰাবাহিক। সমালোচনা যদি নকৰে, তেতিয়াহ'লে ৰাইজে তেখেত সকলক ক্ষমা নকৰিব। এতিয়া প্ৰশ্ন হ'ল যে আমাৰ বিজেপি আৰু মিত্ৰজোঁটৰ চৰকাৰে ৭ বছৰ অতিক্ৰম কৰিব। এই ৭ বছৰত জনসাধাৰণৰ কাৰণে কি কি কাম কৰিলে, কি কি কাম কৰা নাই, সকলো ৰাইজেই জ্ঞাত। ৰাজ্যপালৰ ভাষণত মহোদয়, বিৰোধী পক্ষই সমৰ্থন কৰা নাই আৰু আমি চৰকাৰ পক্ষই সমৰ্থন জনাইছো। আজি জেষ্ঠ বিধায়ক শ্ৰীৰকিবুল হুছেইন ডাঙৰীয়াই বহুত তথ্যৰে উদাহৰণ দি চৰকাৰখনে কেনেদৰে কাম কৰিছে আৰু কেনেধৰণে কাম কৰা নাই চৰকাৰখনক বিৰোধিতা কৰিছে। মই এটা অনুৰোধ জনাইছো তেখেতক যে এটা দীঘলীয়া সময় ১৫ বছৰ কংগ্ৰেছৰ শাসনৰ কালত কি হৈছিল, কি নহৈছিল, ৰাইজ আজি সম্পূৰ্ণ জ্ঞাত আৰু কংগ্ৰেছৰ শাসনৰ উৎপাতত অসমখনক বহু পিছলৈ নিয়াত অসমৰ জনসাধাৰণে বুজি পায়। ২০১৬ চনত অসমৰ ৰাইজে বি জে পি ক ভোট প্ৰদান কৰি শাসনত অধিষ্ঠিত কৰিলে। এই শাসনত অধিষ্ঠিত কৰা দিনধৰি কিদৰে অসমখনক আগুৱাই নিয়াত, জনসাধাৰণক আগুৱাই নিয়াত, জনসাধাৰণক কেনেকৈ সহায় কৰাত, এই সকলোবোৰ কথা ৰাইজে বুজি পাইছে আৰু ৰাইজে স্পষ্টভাৱে সুক্ষ্মদিশে চাই আছে, মই সেই কংগ্ৰেছৰ দিনৰ কথা বেছিকৈ উপমা দিব নিবিচাৰো আৰু মই এটা কথা ক'বলৈ বিচাৰিছো,তেখেতে কৈছে, আজি বস্তুৰ দৰ-দাম বৃদ্ধি হৈছে আৰু এই চৰকাৰে কাম-কাজত বিধি-পথালি দিছে আৰু ৰাইজক প্ৰতাৰণা কৰিছে। আজি মই অসমৰ চাৰিদিশৰ কথা নকওঁ। মই নিজৰ সমষ্টিৰ কথা কওঁ। কংগ্ৰেছ শাসন কালত ৰাষ্টাত এটুকুৰা পাথৰ পৰা নাছিল আৰু সেই ৰাষ্টা আজি

মোৰ সমষ্টিত অবিভক্ত নগাওঁ মৰিগাওঁত সুন্দৰভাৱে ৰাষ্টাত এতিয়া ৰাইজে অহা-যোৰা কৰিছে, য'ত দেৰ ঘণ্টা লাগিছিল আজি সেই ৰাষ্টা এঘণ্টা লাগে। জাগিৰোডৰ পৰা মৰিগাওঁ, মৰিগাঁওৰ পৰা গুৱাহাটীলৈ এঘণ্টা লাগে। এইবিলাক কি উন্নতি হোৱা নাই। ল'ৰা-ছোৱালীৰ পঢ়াশুনা, বিনামূলীয়া চাউল, বিনামূলীয়া পোছাক, admission free এইক্ষেত্ৰত আমাৰ চৰকাৰে উন্নয়ন কৰা নাই। অতি আচৰিত কথা। কিয় দাম বৃদ্ধি নহ'ব। মোৰ সমষ্টিত ২০১৮ চনত মুছলিমৰ সংখ্যা আছিল মাত্ৰ ওঠৰ হাজাৰ আৰু এইবাৰ ২০২১ চনত হ'ল ৫২ হাজাৰ। জনসংখ্যা যদি বৃদ্ধি হয়, তেনেহ'লে চৰকাৰখনে কি কৰা উচিত। এনেকৈ জনসংখ্যাৰ বিস্ফোৰণ ঘটিলে দেশখনৰ কি হ'ব, দাম নাবাঢ়িব? আমি ভাষণত কওঁ, যে ল'ৰা-ছোৱালীক বিনামূলীয়া খাদ্য দিছো, বিনামূলীয়া কিতাপ দিছো, বিনামূলীয়া পোছাক দিছো আৰু বিনামূলীয়া এডমিশ্যন দিছো। এইটো কি মিছা কথা? মাননীয় উপাধ্যক্ষ মহোদয়, এটা কথা ক'ব বিচাৰিছো। জনসংখ্যা বিস্ফোৰণে আজি অসমখনেই নহয়, ভাৰতবৰ্ষখনত জনসংখ্যা বিস্ফোৰণ কিয় ঘটিছে? Single Child Act যিখন চাইনাৰ Act, জনসংখ্যাক ৰোধ কৰিছিল আৰু সেই ব্যৱস্থাটো অনাৰ কাৰণে ভাৰতবৰ্ষত হ'ব লাগিব, অসমত হ'ব লাগিব। ভূপেন হাজৰিকাই কৈছে, "আমি অসমীয়া, নহওঁ দুখীয়া বুলি শান্তনা লভিলে নহ'ব" গতিকে আজি অসমীয়াই শান্তনা লভিলে নহ'ব। আজি খিলঞ্জীয়া ভূমি পুত্ৰসকলৰ অস্তিত্ব নাই বা এইখন দেশত খিলঞ্জীয়া ভূমিপুত্ৰ সকলৰ ন্যায্যপ্ৰাপ্ত অধিকাৰৰ কাৰণে আমাৰ চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ জলন্ত প্ৰমাণ।পাহাৰীয়া দুখন জিলাত Autonomous Council আজি এইখন চৰকাৰে দ্ৰুতগতিত আগুৱাই লৈ গৈছে। আমাৰ যিসকল ভূমিপুত্ৰই স্বায়ত্ব শাসিত পৰিষদ কৰিছে, সেই স্বায়ত্ব পৰিষদৰ জৰিয়তে আমি যথেষ্ট ৰাজকীয়ভাৱে, অৰ্থনৈতিকভাৱে আমি আগুৱাই যাবলৈ সক্ষম হৈছো। গতিকে আমি জনগোষ্ঠী সকলে এইখন চৰকাৰৰ লগত আছো। মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাক আহ্বান আৰু অনুৰোধ জনাইছো যে এইখন অসমত যদি অসমীয়া জীয়াই থাকিব লাগে তেতিয়া অসমখনক জনজাতি ৰাজ্য হিচাবে ঘোষণা কৰিব লাগে। এইখন ৰাজ্যক যেতিয়ালৈকে জনজাতি ৰাজ্য হিচাবে ঘোষণা কৰা নহয়, তেতিয়াহ'লে অসমৰ অসমীয়া সকলৰ অস্তিত্ব নাথাকিব। ইয়াৰ বাবে মই মাননীয় মুখ্য মন্ত্ৰী আৰু মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া হাফিচ বছিৰ আহমেদ ডাঙৰীয়াই কওঁক। আপোনালোকৰ দলৰ চাৰি গৰাকী বক্তা আছে আৰু ১৯ মিনিট সময় আছে। তেওঁ অনুপস্থিত। এতিয়া কৰিম উদ্দিন বৰভূঞাই কওঁক।

**শ্ৰী কৰিম উদ্দিন বৰভূঞা, (সোণাই)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ চৰ্চ্চাত অংশ গ্ৰহণৰ কাৰণে সময় দিয়াৰ বাবে ধন্যবাদ। কেইবাটাও কথাৰ উল্লেখ আছে। যিবোৰ কথাৰ আলোচনাৰ প্ৰয়োজন আছে। আৰম্ভণিতে চৰকাৰে সংস্কৃতিৰ কথা কৈছে। আমাৰ বীৰ লাচিতৰ কথা উল্লেখ কৰিছে। আৰু তেওঁৰ জন্ম জয়ন্তী ৰাজধানী দিল্লীত উদ্‌যাপন কৰি এটা অভিলেখ সৃষ্টি কৰিছে। সেয়া প্ৰশংসনীয়। লগতে যদি বাঘ হাজৰিকাৰ নামটোও উল্লেখ থাকিলেহেঁতেন তেতিয়া আৰু ভাল হ'লহেঁতেন। আন্তঃগাঁথনি উন্নয়নৰ কথা চৰকাৰে কৈছে আৰু এক লাখ কোটি ইতিমধ্যে achived কৰিছে। ইয়াত কেইবাটাও কথা ক'বলগীয়া আছে। মই যোৱা সাত বছৰৰ কথা কৈছো। যোৱা সাত বছৰত চৰকাৰে আন্তঃগাঁথনি উন্নয়নৰ বাবে বিভিন্ন প্ৰজেক্ট আৰু স্কীমৰ অধীনত যিবিলাক আবণ্টন দিছিল, work order issue কৰিছিল, এতিয়ালৈকে নিৰ্দিষ্ট সময়ৰ ভিতৰত কিমানখিনি কাম সম্পূৰ্ণ হৈছে, চৰকাৰৰ ওচৰত তথ্য আছে নেকি? প্ৰত্যেক বাৰে ৰাজ্যপাল মহোদয়ৰ ভাষণত

ৰাজ্য চৰকাৰৰ কাম-কাজ প্ৰতিফলিত কৰা হয়। কিন্তু তাৰ কিমানখিনি কাৰ্য্যকৰী হৈছে, তাৰ কোনো সঠিক তথ্য নাই। উদাহৰণ স্বৰূপে যোৱা ২০১১-১২ বৰ্ষৰ পৰা ২০২১-২২ লৈকে Alloted work খিনি সম্পূৰ্ণ হোৱা নাই আৰু Ongoing Stage আছে। তাত Cost Deviation হৈছে। Cost Deviation হোৱাৰ ফলত Price Change হৈছে নেকি ? আমাৰ আগৰ মাননীয় সদস্যজনে ষ্টীলৰ প্ৰাইজ কম্পেয়াৰ কৰিছে। যোৱা সাত বছৰত ষ্টীল চিমেণ্টৰ দাম দুগুণতকৈ বেছি বৃদ্ধি পাইছে। তাৰ পিছত কামখিনি Same Scheduleত কেনেকৈ চলি আছে, সেইটো এটা আচৰিত কথা। হয়তো Quality Compromise হৈ আছে নাইবা দুৰ্নীতি হৈ আছে। Cost Deviation ৰ ক্ষেত্ৰত কোনোবা এটা স্কীমত চৰকাৰে ক'ব পাৰিব নেকি যে Schedule maintain নোহোৱাৰ কাৰণে তাত Cost Deviationহৈছে বা Revise Estimate হৈছে। Working estimate হয় within sanctioned peramiter, কিন্তু এইবোৰ ফলোআপ কৰাৰ কাৰণে চৰকাৰৰ কোনো মেকানিজিম পৰিলক্ষিত হোৱা দেখা পোৱা নাই। যিমান উন্নত ৰাজ্য আছে, তেওঁলোকৰ এটা Project Monitoring Cell থাকে। তাৰ বাবে এটা সুকীয়া টীম থাকে। কিন্তু আমাৰ চৰকাৰৰ এইক্ষেত্ৰত কোনো মেকানিজিম নাই। কেৱল work order দি ঠিকাদাৰৰ হাতত এৰি দিয়ে। ইয়াত huge laps আছে। য'ত বিশজন মানুহৰ দৰকাৰ আছে, তাত দহ জন মানুহ আছে। এইদৰে ডাঙৰ সৰু যিকোনো প্ৰজেক্টেই নহ্ওঁক ঠিকাদাৰৰ হাতত গতাই দিয়া হয় আৰু তেওঁৰ মতে কাম কৰি থাকে। যাৰ কাৰণে আমাৰ যিখিনি উন্নয়ন হৈছে তাৰ ইমপ্লিমেণ্ট ঠিকমতে হোৱা নাই। এইক্ষেত্ৰত কোনোধৰণৰ কথা মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ নাই। শিক্ষাৰ কথা কোৱা হৈছে, বাল্য বিবাহৰ কথা কোৱা হৈছে। আমাৰ মাননীয় দেউৰী ডাঙৰীয়াই দুই মিনিট আগতে জন বিস্ফোৰণৰ, জনসংখ্যা বৃদ্ধিৰ কথা কৈছে। ইয়াৰ মূল কাৰণটো কি? ইয়াৰ বাবে চৰকাৰে কিবা চিন্তা-চৰ্চ্চা কৰিছে নেকি? মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেইবাবাৰো জনসংখ্যা মূল সমস্যা হোৱা বুলি উল্লেখ কৰিছে। বাল্য বিবাহো আমাৰ ডাঙৰ সমস্যা। কিন্তু এইটো নিৰ্মূল কৰাৰ বাবে আমাৰ চৰকাৰে কি পদক্ষেপ লৈছে। ইয়াৰ বিষয়ে ক'তো উল্লেখ নাই। মই একেবাৰে স্পষ্টভাৱে কৈছো ইয়াৰ মূল কাৰণ হৈছে শিক্ষা। আজি যিবিলাক অঞ্চলত বাল্য বিবাহ হৈছে ইয়াৰ মূল কাৰণটো হৈছে শিক্ষাৰ অভাৱ। আমাৰ চৰকাৰখনে পাঁচখন উন্নত ৰাজ্যৰ ভিতৰত অসমখনক লৈ যাব বিচাৰিছে। কিন্তু হাইলাকান্দি, কৰিমগঞ্জ আদি জিলাৰ ভিতৰত কোনো বিশ্ববিদ্যালয়ৰ পৰিকল্পনা নাই। হাইলাকান্দিৰ নিচিনা জিলা এখনত মেডিকেলৰ কোনো পৰিকল্পনা নাই ধুবুৰী, বৰপেটাৰ নিচিনা জিলাত কোনো বিশ্ববিদ্যালয়ৰ পৰিকল্পনা নাই। মৰিগাওঁৰ নিচিনা জিলা এখনত কোনো ভাল শিক্ষানুষ্ঠানৰ ব্যৱস্থা নাই। যিবোৰ অঞ্চলৰ সমস্যা আৰু জনসংখ্যা বৃদ্ধিক লৈ মুখ্যমন্ত্ৰী ডাঙৰীয়া চিন্তিত আৰু সেইবোৰ নিয়ন্ত্ৰণ কৰিবলৈ হ'লে ঠিকমতে শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। কাৰিকৰী বিশ্ববিদ্যালয় প্ৰত্যেকখন জিলাতে গঠন কৰিব বুলি ঘোষণা কৰি ছিল। চৰকাৰে পোন্ধৰখন আই টি আই নিৰ্মাণৰ কাম ঘোষণা কৰিছিল আৰু প্ৰায় সম্পূৰ্ণ হৈছে। কিন্তু এখনো আই টি আই এতিয়ালৈকে আৰম্ভ হোৱা নাই। যি সমূহ মডেল ৰেচিডেঞ্চিয়েল স্কুল নিৰ্মাণ কৰা হৈছিল, তাৰ কাম প্ৰায় আশী-নৱৈ বা এশ শতাংশই সম্পূৰ্ণ হৈছে। কিন্তু সেই কলেজ সমূহ আৰম্ভ কৰাৰ কোনো পদক্ষেপ চৰকাৰে লোৱা নাই। আজি যদি চৰকাৰে এটা লিখিত ভাষণ দিয়ে, কাৰ্য্যকৰী নোহোৱাকৈ সদনত মিছা আৰু ভুল তথ্য দিয়ে তেনে ক্ষেত্ৰত আমি কেনেকৈ অসমখন আগুৱাই যাব বুলি আশা কৰিম। আজি employment ৰ কথা উল্লেখ কৰিছে। আমাৰ বিৰোধী সকলৰ কথা বাদ দিয়ক। চৰকাৰে নিজে নিজৰ প্ৰতিশ্ৰুতি ৰক্ষাত এশ শতাংশ ব্যৰ্থ হৈছে।

আজি জনসংখ্যাৰ লগত employment কথা আছে। ক'বলৈ বেয়া লাগে এই বেকাৰ মানুহখিনি ক'লৈ যাব। ঘূৰি পকি ঘৰলৈ যায়। মানুহবোৰক কামত নিয়োগ কৰিব লাগে, তেতিয়াহে নিবনুৱা সমস্যা কমিব। সেয়েহে চৰকাৰক মই এই ইচ্যুখিনি লৈ চিৰিয়াচ হ'বলৈ অনুৰোধ কৰিছো। শিক্ষা আৰু এমপ্লয়মেণ্টত অলপ হ'লেও জোৰ দিব লাগিব। আজি টি গাৰ্ডেনৰ মানুহখিনিক লৈ আপোনালোকে সদায় ৰাজনীতি কৰি আছে। এই মানুহখিনিৰ সম্পৰ্কত আমাৰ এজন সদস্যই কৈ গৈছে -'বাল্য বিবাহ শুনি Tea Garden ৰ মানুহ কিমান পলাইছিল মই জানো, মোৰ তাতো চাহ- বাগান আছে।' চৰকাৰে কেৱল ভোটৰ ভয়তে পুলিচ পঠোৱা নাই। কিন্তু, ground reality টো হ'ল যে মানুহখিনিৰ মাজত এটা আতংকৰ সৃষ্টি হৈছে, ভয়ৰ সৃষ্টি হৈছে। সেই কাৰণে চাহ-বাগানত শিক্ষাৰ প্ৰয়োজন। চাহ-বাগানৰ মালিকক চৰকাৰে হাজাৰ হাজাৰ বিঘা মাটি যদি দিব পাৰে, তেন্তে তাত থকা মানুহখিনিক চৰকাৰে directly allotment কিয় দিব নোৱাৰে? Tea Garden as well as Tea garden labour দুয়োটাক club কৰি চৰকাৰে এতিয়া পলিচি লোৱাৰ সময় আহিছে। Labour ৰ ল'ৰা সদায় Labour হ'ব, সেই মানসিকতাৰ পৰা আমি ওলাব লাগে। আজি Modern Plucking System ৰ কাৰণে চৰকাৰক মই আহ্বান কৰি আছো। আপোনালোকে বছৰে অতিকমেও ১০০০ ক বাহিৰত পঠাওক, য'ত Modern Plucking System চলি আছে, তাত গৈ শিকি আহি আমাৰ labour খিনিৰ নাম labour বাদ দি Instructor দিয়ক, Supervisor দিয়ক। ইয়াৰ বাবে Management ৰ লগত কথা পাতক। তেতিয়া আমি minimum labour ৰে highest production পাম। Tea Garden Industry বচাবলৈ হ'লে modernize কৰিব লাগিব। ইয়াৰ বাহিৰে আমাৰ হাতত কোনো option নাই। কিন্তু, চৰকাৰে আমাৰ Tea Garden Industry ক ইমান অৱহেলা কৰি আছে, ৰাজনীতি কৰি আছে। মই চাহ-বাগানৰ বিধায়কসকলক উদ্দেশ্য কৰি কৈ আছো। ২০০০ কৈ individual beneficiary মাজত সোমাই দি ভোট পাব কিন্তু কেতিয়াও চাহ-বাগানৰ অৱস্থাৰ পৰিৱৰ্তন নহ'ব, মই আজি আপোনালোকক কৈ আছো ......interruptions...... . আপোনালোকৰ চৰকাৰে individual beneficiary ক insist কৰি আছে। আপোনালোকে Tea Garden ৰ ভোটৰ কাৰণে অকল individual beneficiary খিনিক. ......interruptions... মই অনুৰোধ কৰিছো আপোনালোকে কিয় দায়িত্ব নলয় ...interruptions..... আজি individual beneficiary ৰ scheme ত আমাৰ আপত্তি নাই। কিন্তু, তেওঁলোকে যদি সৰ্বাংগীন উন্নয়ন বিচাৰে, শিক্ষা বিচাৰে তেন্তে full proof plan ল'ব লাগিব। কিন্তু ইয়াৰ বাবে চৰকাৰৰ কোনো চিন্তা ধাৰা নাই, ক'তো ইয়াৰ reflection নাই। এইখন চৰকাৰৰ সংস্কৃতি, পৰম্পৰা, উন্নয়ন সকলোখিনি ২৫% মানুহৰ মাজত confined, গতিকে কেনেকৈ সৰ্বাংগীন উন্নয়ন হ'ব? সবকা সাথ সবকা বিকাশ নহয়, অসমৰ ২০- ২৫% মানুহৰ উন্নয়নৰ কথা চিন্তা-চৰ্চা কৰি অসমখন কেতিয়াও আগুৱাই লৈ যাব নোৱাৰিব। এই কাৰণে মই মহামহিম ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰাৰ বাহিৰে কোনো গত্যন্তৰ নাই। মই এইখিনি বিৰোধিতা কৰিছো আৰু এইটো Vision Less Speech বুলি মই আখ্যা দিছো। ধন্যবাদ।

(Hon'ble Speaker in the Chair)

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী বিদ্যা সিং ইংলেং।

**শ্ৰী বিদ্যা সিং ইংলেং (ডিফু)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মোক দু-আষাৰ ক'বলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ ৰাজ্যপালৰ ভাষণত

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত অসমত কেনেকুৱা উন্নতি হৈছে সেইখিনি কথা বিস্তৃত ভাৱে দাঙি ধৰিছে। সেই ভাষণত বা এই অসমত বা আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত সঁচাকৈ উন্নতি হোৱা বুলি মই অনুভৱ কৰিছো। সংস্কৃতত কৈছে- ' পৰোপকাৰায় ফলন্তি বৃক্ষাঃ পৰোপকাৰায় বহন্তি নদ্যঃ। পৰোপকাৰায় দুহন্তি গাঁৱঃ পৰোপকাৰাৰ্থ মিন্দ শৰীৰম্।।' তাৰ মানে গছে ফল দিয়ে আনৰ বাবে, নদী বয় আনৰ বাবে, গৰুৱে গাখীৰ দিয়ে আনৰ বাবে অৰ্থাৎ আমাৰ শৰীৰৰ বাবে। ঠিকে তেনেদৰে, বিজেপি চৰকাৰে tax কাটে দেশৰ নিৰ্মাণৰ বাবে। ৰাইজৰ তথা দেশৰ উন্নতিৰ বাবে এই চৰকাৰে ত্যাগ স্বীকাৰ কৰি আহিছে। আমাৰ autonomous area বিশেষকৈ কাৰ্বি আংলং, উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চল, বড়োলেণ্ড কিমান জৰ্জৰিত অৱস্থাত আছিল সেয়া ৰকিবুল হুছেইন ডাঙৰীয়াই কৈছে। তাত হিংসা, হত্যা, লুণ্ঠন আদি হোৱাৰ লগতে ৰাতি গাঁৱৰ মানুহে ভালদৰে টোপনি যাব পৰা অৱস্থাত নাছিল। এই সন্ত্ৰাস বা সন্ত্ৰাসবাদীসকল থকাৰ বাবে। কিন্তু, আজি এই চৰকাৰৰ দিনত এনেকুৱা উন্নতি লৈ আনিছে যে ১৫ আগষ্টতেই হওঁক বা ২৬ জানুৱাৰীতেই হওঁক, কোনো সন্ত্ৰাসবাদীয়েই বন্ধ দিয়া নাই। এনে পৰিৱেশ গঢ়ি তোলা যে ধেমালি কথা নহয় সেইয়া আমি স্বীকাৰ কৰা ভাল। আমাৰ কাৰ্বি আংলঙৰ দুধৰ্ষ সংবিজিতক অসম চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰে ধৰিব বিচাৰিছিল যদিও পৰা নাছিল। কিন্তু, এই বিজেপি চৰকাৰ অহাৰ পিছত সেই সংবিজিতক ধৰিবলৈ সক্ষম হৈছে। চৰকাৰে যোৱা বছৰৰ ৪ ছেপ্টেম্বৰত ৬ টা সংগঠনৰ লগত চুক্তি কৰিছিল। গতিকে, এনেকুৱা সন্ত্ৰাসবাদীসকলক লৈ কাৰ্বি আংলঙত এতিয়া সুস্থিৰ বাতাৱৰণ হৈছে। এই চৰকাৰে আমাৰ কাৰ্বি আংলঙত দুখন বিশ্ববিদ্যালয়ো গঢ়ি তুলিছে। এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু আনখন ৰাজ্যিক বিশ্ববিদ্যালয়। আনকি, পশু চিকিৎসা মহাবিদ্যালয়ো হৈছে যাৰ foundation আমাৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী মহোদয়ে lay কৰিছে। এনে চৰকাৰক আমাৰ জনজাতি সকলে সমৰ্থন নকৰি কেনেকৈ থাকিব পাৰিব? আমাৰ উন্নয়ন, আমাৰ হিতৰ বাবে সমৰ্থন কৰিবই লাগিব। গতিকে, অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণে মুখ্যমন্ত্ৰী মহোদয়ৰ চৰকাৰখনক উপস্থাপন কৰিছে আৰু তাৰ বাবে আমি সঁচাকৈয়ে সমৰ্থন দিব লাগিব। মই আপোনাকো ধন্যবাদ দি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী দুৰ্গা দাস বড়ো।

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য গভৰ্ণৰ গোলাপ চান্দ ডাঙৰীয়াৰ ভাষণৰ সমৰ্থনত মই মোৰ বক্তব্য আগবঢ়াব বিচাৰিছো। যোৱাকালিৰ পৰা আজিলৈকে কেইবা গৰাকীও মাননীয় বিধায়কে চৰকাৰ আৰু প্ৰস্তাৱৰ সপক্ষে আৰু বিপক্ষে বক্তব্য ৰাখিছে আৰু প্ৰায়বিলাক বিষয় চুই গৈছে। কিন্তু তথাপি মই মাত্ৰ তিনিটা বিষয়ৰ ওপৰত বক্তব্য ৰাখিব বিচাৰিছো। প্ৰথম হৈছে New Education Policy 2020 ৰ পাছত ৰাজ্য আৰু ৰাষ্ট্ৰত এই পলিচিৰ ওপৰত বিস্তৃতভাৱে প্ৰতিজন ষ্টেক হোল্ডাৰে চেলেঞ্জৰ সন্মুখীন হৈছে। ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ, শিক্ষক , ছাত্ৰ-ছাত্ৰী, অভিভাৱক প্ৰত্যেকৰে নিজা নিজা চেলেঞ্জ আছে। মই ৰাজ্য চৰকাৰে New Education Policy ৰ অধীনত আজিৰ চৰকাৰখনে কি কি চেলেঞ্জৰ সন্মুখীন হৈছে বা হ'ব লাগিব তাৰ দুটামান উদাহৰণ ক'ব বিচাৰিছো যে New Education Policy ৰ পিছত bifercation য়ে হওক বা amalgamation য়ে হওক বা নতুনকৈ xi-xii য়ে হওক বা হাইস্কুলৰ লগত হায়াৰ চেকেণ্ডাৰী কৰি দিয়াই হওক, কলেজৰ পৰা লৈ অহাই হওক তেওঁলোকে infrastructure, নতুন শিক্ষক বা সকলো দিশত ৰাজ্য চৰকাৰে এটা চেলেঞ্জ গ্ৰহণ কৰিছে আৰু এটকা দুটকা নহয় হাজাৰ হাজাৰ কোটি টকাৰ infrastructure তৈয়াৰ

কৰিবৰ কাৰণে Education Department ক ৰাজ্য চৰকাৰে এটা চেলেঞ্জ গ্ৰহণ কৰিছে। এই চেলেঞ্জ সহজ চেলেঞ্জ নহয় আৰু মই ভাৱো আজি ৰাজ্য চৰকাৰে যিবিলাক নতুনকৈ হায়াৰ চেকোণ্ডাৰী, নতুনকৈ তেওঁলোকে কলেজ আদি নিৰ্মাণ কৰিছে, সেইবিলাকত যিটো ধন খৰছ হয়, আজি কিছুদিন আগত ১০ খন কলেজ ৩৩ কোটি টকাকৈ নতুন কলেজ বনাব। আপোনালোকে ভাৱি চাওক ১০ খন কলেজ বনাবলৈ যাওতে ৩০০ কোটিতকৈ অধিক টকাৰ প্ৰয়োজন হয়। এইবিলাক ৰাজ্য চৰকাৰৰ কাৰণে এটা চেলেঞ্জ তেওঁলোকে গ্ৰহণ কৰিছে। মই এগৰাকী বিধায়ক হিচাপে ৪০ বছৰ আগতে মই এজন বিধায়ক আছিলো আৰু আজি এক আমূল পৰিৱৰ্তন চৰকাৰে কৰিবলৈ চেষ্টা কৰিছে এই শিক্ষা বিভাগত। আজি কিছু বিদ্যালয় বিশেষকৈ মোৰ সমষ্টিত দেখিছো এই বন্ধ হৈ যোৱা বিদ্যালয়সমূহ কেনেকৈ ব্যৱহাৰ কৰিব পাৰি সেই কথা ৰাজ্য চৰকাৰে চিন্তা কৰিছে। ১ নং, যিবিলাক ITI Block wise বনাব খুজিছে, সেই খালী হৈ থকা বিদ্যালয় সমূহত তেওঁলোকে বনাব খুজিছে। যদি তাত In structor সকলক নিযুক্তি দিয়ে, অনতিপলমে তাত ITI বিলাক আৰম্ভ কৰিব পাৰিব। এই শিক্ষা বিভাগৰ এনেকুৱা ধৰণৰ সিদ্ধান্তবিলাকে বুনিয়াদী শিক্ষা ব্যৱস্থাত এক আমোল পৰিৱৰ্তন আনিব পাৰিব বুলি আমি ভাৱো। আপোনালোকে জানে যে বাচি বাচি এই শিক্ষা বিভাগে কোন কোন জনগোষ্ঠী শিক্ষা বিভাগত পিছপৰি আছে সেইটো identify কৰিছে। সেইবিলাকৰ ভিতৰত হৈছে দুটা বৃহৎ জনগোষ্ঠী, সেইটো হৈছে ধৰ্মীয় সংখ্যালঘু সকল চাহ বাগিচাৰ সেই পিছপৰা লোকসকলৰ কাৰণে স্কুল নিৰ্মাণ, কলেজ নিৰ্মাণ, সেই অঞ্চল সমূহত ৰাস্তা-ঘাট ইত্যাদি উন্নয়ণৰ কথা যি চিন্তা কৰিছে identify কৰি লৈছে তেওঁলোকক। তেওঁলোকৰ উন্নতিৰ কাৰণে চিন্তা কৰাটো identify কৰি লৈ নিশ্চয় বৰ্তমান চৰকাৰে ডাঙৰ চেলেঞ্জ গ্ৰহণ কৰিছে। ইয়াৰ লগতে মই ভাৱো তেওঁলোকে অকল চেলেঞ্জটো লৈ ১১৯ খন বিদ্যালয় বনাবলৈ চেষ্টা কৰিছিল, তাৰ ভিতৰত তেওঁলোকে ইতিমধ্যে ৯৭ খন বিদ্যালয় পূৰ্ণাঙ্গ কৰি তুলি affiliation ৰ কাৰণে বা provincialization ৰ কাৰণেও প্ৰস্তুতি চলোৱা বুলি জানিব পাৰিছো।

ইয়াৰ পিছতে মই দ্বিতীয় বিষয়টো ক'ব বিচাৰিছো, সেইটো হৈছে Home Department. মই নিজেই যিহেতু কিছুদিন Home Department চাইছিলো, কিছুদিন আগৰ Home Department আৰু এতিয়াৰ Home Department ৰ মাজত স্বৰ্গ-মৰ্ত্য পাৰ্থক্য হৈছে। Criminal সকলে যি আধুনিক পদ্ধতিৰে crime কৰাৰ style শিকিছে, তাৰ বিৰুদ্ধে Home Department টো তৈয়াৰ কৰি তোলাটো অতি কষ্টকৰ। যোৱা কেইটামান বছৰৰ ভিতৰতে বৰ্তমান চৰকাৰখনৰ মই দেখিবলৈ পাইছো Criminal সকলক কেনেকৈ বশ কৰিব লাগে তেওঁলোকে এটা এটা কৈ ব্যৱস্থা গ্ৰহণ কৰিছে। ১নং, পুলিচ বিভাগত, পুলিচৰ সংখ্যা কম আছিল, বেটেলিয়নৰ সংখ্যা কম আছিল, সেইবিলাক বৃদ্ধি কৰিবলৈ প্ৰচেষ্টা কৰা দেখা গৈছে। অকল পুলিচৰ সংখ্যা বৃদ্ধি কৰিলেই নহ'ব, আধুনিক Arms দিবলৈ এই চৰকাৰখনে চেষ্টা কৰিছে। অত্যাধুনিক পদ্ধতিৰে যিসকলে crime কৰিব বিচাৰিছে, কিছুদিন আগত মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ লগত আমি এটা প্ৰতিনিধিৰ দল চিকিমলৈ গৈছিলো। তাত যাওতে তিনিটা বিষয়ৰ ভিতৰত এটা বিষয় আছিল যে কেনেকৈ Drugs মুক্ত দেশ গঢ়িব পাৰি তাৰ ওপৰত। মই তাত opportunity টো লৈছিলো যে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই Drugs ৰ ওপৰত যোৱা কেইটামাহত যি সিদ্ধান্ত লৈছে, সেই সিদ্ধান্তটো ভাৰতবৰ্ষৰ Speaker সকলৰ সন্মুখত মই স্ব-গৌৰৱে কৈছো যে কিমান অপৰাধী ইয়াত ধৰা পৰিছে। Drugs ৰ ব্যৱসায় কৰা মানুহ বা খোৱা

মানুহ বা বিক্ৰী কৰা মানুহক কেনেকৈ কৰায়ত্ব কৰিছে। কৰায়ত্ব কৰিবলৈ যাওতে ঘটনা আৰু দুৰ্ঘটনা ঘটিছে আৰু কাম কৰিলে তেনেকুৱা ঘটনা আৰু দুৰ্ঘটনা ঘটিবই। আপোনালোকৰ হয়তো বহুতে আক্ৰমন প্ৰতি আক্ৰমন কৰিব পাৰে। কিন্তু আজি যদি এক শক্তিশালী পদক্ষেপ গ্ৰহণ নকৰে, আজিৰ যি crime কৰাৰ style সেয়া আপোনালোকে কেতিয়াও প্ৰতিৰোধ কৰিব নোৱাৰে। আপোনালোকে কল্পনা কৰিব পাৰেনে যে টায়াৰৰ ভিতৰত drugs লৈ আহে বা ক'ৰবাত driver ৰ চেম্বাৰত drugs পেকেট কৰি লৈ আহে। নতুন নতুন পদ্ধতিৰে তেওঁলোকে চেষ্টা কৰি আহিছে। Information ৰ ভিত্তিত Home Department য়ে সেইবিলাক নাইকীয়া কৰিবলৈ চেষ্টা কৰিছে। অকল সেয়াই নহয়, আজি Home Department ৰ ভিতৰত আমি লক্ষ্য কৰিছো ইমান আওপুৰণি থানাৰে তেওঁলোকে কাম চলাই আছিলে। Head Quarter বিলাকৰো যিবিলাক SP অফিচ আছিল, সেইবিলাকৰ অৱস্থা নাছিল। এই বছৰ ১২৯ খন থানা বিল্ডিঙৰ সৈতে up-grade কৰাৰ কাৰণে চৰকাৰে যি সিদ্ধান্ত গ্ৰহণ কৰিছে, সেয়া ৰাইজৰ সকাহৰ কাৰণে কৰা নাই জানো? ১২৯ খন থানা কৰাৰ পাছত আৰু খুব বেছি থানা হয়তো নাথাকিব। আধুনিক পদ্ধতিৰে crime ৰ against য়ে fight কৰাৰ কাৰণে পুলিচে এটা পৰিৱেশ পাব। তাৰ ভিতৰতো এনেকুৱা হয়তো থানা আছে, আজি আমি ফটোত দেখিবলৈ পাঁও যিবিলাকত বানপানীৰ সময়ত পুলিচ থাকিব নোৱাৰে। সেইবিলাকো তেওঁলোকে দৃষ্টি দি বৰ্তমান যিখিনি থানা উন্নত কৰিছে, সেইখিনি include কৰিলে মই ভাৱো আমি চেলেঞ্জ নিশ্চয় গ্ৰহণ কৰিম।

শেষত মই এটা কথা ক'ব বিচাৰিছো যে আমি উন্নয়ণৰ কাম কৰিবলৈ যাঁওতে দেখিছো যে দৰং জিলাত যিহেতু মোৰ ৫০ শতাংশ সমষ্টি পৰে, আজি কিছুদিন আগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তাত Skill University এখনৰ আধাৰশিলা স্থাপন কৰি আহিছে। মোক যদি আজি কোনোবাই কয় যে আপোনাক কি কি লাগিব তেতিয়া প্ৰথম মই কম যে মোৰ সমষ্টিত Skill University নহয়, Skill College লাগে বা Skill বিদ্যালয় লাগে। আজিৰ আধুনিক দিনত যদি সাধাৰণ শিক্ষা ব্যৱস্থাৰ M.A, M.Sc,M.Com, B.A, B.Sc, B.Com য়ে মই হৈ থাকো, মোৰ ডিগ্ৰী টো থাকিব কিন্তু মই কৰ্ম বিমুখ বা শিক্ষিত নিৰনুৱা হৈ থাকিব লাগিব। আজিৰ আধুনিক যুগত যদি সাধাৰণ শিক্ষা ব্যৱস্থা এম এ, এম এচ চি , এম কম, বি এ, বি এচ চি , বি কম যদি আমি হৈ থাকো তেন্তে আমাৰ কেৱল ডিগ্ৰিটোহে থাকিব কিন্তু আমি কৰ্ম বিমুখ হৈ এগৰাকী শিক্ষিত নিবনুৱা হৈ থাকিম। এই সময়ত ভাৰতবৰ্ষত তৃতীয়খন স্কিল ইউনিৰ্ভাচিটি আমাৰ দৰং জিলাত হৈছে। মই ভাবো যে ৰাজ্য চৰকাৰে যিটো সিদ্ধান্ত লৈছে এই সিদ্ধান্তটো অতি ক্ষিপ্ৰতাৰে কাৰ্য্যকৰী কৰিব লাগে। আজি চৰকাৰে বছৰত দহ হাজাৰ লৰা ছোৱালীক স্কিল ডেভল'মেন্টৰ আণ্ডাৰত শিক্ষিত কৰাৰ কাৰণে যি টাৰগেট লৈছে সেইসকলক অসম চৰকাৰে বা কেন্দ্ৰীয় চৰকাৰৰ যি চাকৰি ওলাব সেইবিলাকত তেওলোকে ফাৰ্ষ্ট প্ৰায়োৰিটি পাব লাগে বুলি মই ভাবো। তাৰ পিছতো তেওলোকে যদি নিজে নিজে সংস্থাপিত হ'বলৈ বিচাৰে তেন্তে চৰকাৰে এটা সময়ত তেওলোকক ব্ৰেক আপ দিব লাগিব। এই ধৰণেৰে যদি আমি আগুৱাই লৈ যাব পাৰো তেন্তে নিশ্চয় আমি নিবনুৱা সমস্যা সমাধান কৰিব পাৰিম । মহামান্য ৰাজ্যপালৰ ভাষণৰ সমৰ্থন কৰাৰ যোগেদি মই মাত্ৰ তিনিটা বিষয়ত বক্তব্য আগবঢ়ালো। মাননীয় অধ্যক্ষ মহোদয় আজি আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্যসকলে কিছু গ্ৰহণ যোগ্য প্ৰস্তাৱ আগবঢ়াইছে । কনষ্ট্ৰাক্টিভ এখন চৰকাৰ হিচাপে গ্ৰহণ সেই প্ৰস্তাৱসমূহ বিবেচনা কৰাটো মই নিতান্তই বিচাৰো আৰু তেতিয়াহে এটা সমিলমিলেৰে ৰাজ্যখন ডেভল'পমেন্ট কৰিব পৰা যাব । সেয়েহে মই এই প্ৰস্তাৱত সমৰ্থন কৰি

আৰু মহামান্য ৰাজ্যপালৰ ভাষণৰ সপক্ষে থাকি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ এতিয়া কৌশিক ৰায় ।

**শ্রী কৌশিক রাই(লক্ষীপুর)**ঃ- মাননীয় অধ্যক্ষ মহোদয়,২০২৩-২৪ বিত্তীয় বর্ষের বাজেট অধিবেশনের প্রারম্ভিক দিনে আসামের মাননীয় রাজ্যপাল মহাশয় যে বক্তব্য বিধান সভাতে পেশ করেছেন সেই বক্তব্যকে আমি ধন্যবাদ জানাচ্ছি এবং সমর্থন জানাচ্ছি। এখান গত দুদিন থেকে বিরোধী সদস্যদের বক্তব্য আমরা শুনেছি। এবং আমরা লক্ষ্য করেছি ওরা বলছেন যে বিগত দুবছরে এই সরকার আসামের উন্নয়নের জন্য যে স্বপ্ন দেখিয়েছিলেন এভাবে কোন কাজ হয়নি। আমি দু-চারটি কথা এখানে বলতে চাই। গত ৩০ নভেম্বর আসামের মুখ্যমন্ত্রী সর্বকালের সর্বশ্রেষ্ঠ মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মার নেতৃত্বে প্রথম ক্যাবিনেট বৈঠক বরাক উপত্যকার শিলচরে হয়েছিল। আর অত্যন্ত পরিতাপের বিষয় যখন বরাকের উন্নয়নের জন্য বরাকের শিলচরে ক্যাবিনেট বৈঠক চলছিল তখন বিরোধীরা বিরোধীতা করে শিলচব, করিমগঞ্জ এবং হাইলাকান্দি এই ৩ জেলাতে অনশন কার্যসূচি পালন করেছিল। এবং বিরোধীতা করেছিল। আমি মনে করি সরকারের পদক্ষেপকে কিভাবে বাঁধা দেওয়া যায় তার একটা প্রচেষ্ঠা বিরোধী দলের তরফ থেকে ছিল। এবং এর আগেও আমরা দেখেছি যখন ২৭ ফেব্রুয়ারি ২০০৪ সালে প্রধানমন্ত্রী অটল বিহারী বাজপেয়ীজির নেতৃত্বে সরকার ছিল এবং যখন শিলচর সৌরাষ্ট্র মহাসড়কের শিলান্যাস চলছিল তখনও এই রাজনীতিক দলের সেই সময় যারা সাংসদ ছিলেন যারা বিধায়ক ছিলেন আসামের মন্ত্রীও ছিলেন তারা সবাই মহাসড়ক নয় মহাধাপ্পা বলে সেটাকে বিরোধীতা করেছিল এবং কুটুক্তি করেছিল। আজকের দিনে আমরা দেখি সেই মহাসড়ক বাজপেয়ীজির স্বপ্নের সেই মহাসড়কের কাজ দ্রুতগতিতে এগিয়ে চলছে। আমরা লক্ষ্য করেছি শিলচরে যে ক্যাবিনেট বৈঠক হয়েছিল ২৯ নভেম্বর, সেই ক্যাবিনেট বৈঠকে বরাক উপত্যকার জন্য প্রায় ২০০০ কোটি টাকা বিভিন্ন প্রকল্পের ঘোষনা হয়েছিল। এবং আজকের দিনে আমরা বলতে পারি ২০১১ সালে নির্বাচনে কংগ্রেস নির্বাচনের প্রতিশ্রুতি ছিল যে বরাক উপত্যকার সিট জিতলে আমরা ১০০০ কোটি টাকা দেব। সেটা বরাক উপত্যকার মানুষ লক্ষ্য করেছিল এবং মিথ্যা প্রমানিত হয়েছিল। কিন্তু আমাদের সরকার মাননীয় মুখ্যমন্ত্রীর নেতৃত্বে ২০০০ কোটি টাকার প্রকল্প ঘোষনা করে সেগুলো বাস্তবায়নের দিকে গত ৩ মাস থেকে এগিয়ে চলেছে। আমরা লক্ষ্য করেছি যে শিলচরে গুরুচরণ কলেজ আছে,যে কলেজ প্রায় ৮৫ বছর আগে প্রতিষ্ঠিত হয়েছিল ১৯৩৭ সনে।সেই গুরুচরনণকলেজকে স্টেট ইউনির্ভাসিটি মর্জাদা দেওয়ার সিদ্ধান্ত নিয়েছে সরকার। বরাক উপত্যকার ফ্লাইওভার, রাস্তাঘাট, নদী,বাঁধ, সংস্কাব, আমাদের স্কুল কলেজ প্রত্যেকটি বিষয়ে এই সরকার পদক্ষেপ নিয়েছেন। আজ বিরোধীরা বলছেন উন্নয়ন কোথায়? আমরা বলতে চাই ২০১৬ সালে সরকার আসার আগে শিলচর থেকে করিমগঞ্জ যেতে প্রায় ৪ ঘন্টা সময় লাগত। এখন শিলচর থেকে করিমগঞ্জ ১ ঘন্টার ভিতরে পৌঁছাতে পারি। গুয়াহাটি থেকে শিলচর পৌঁছাতে প্রায় ১৬ থেকে ১৭ ঘন্টা সময় লাগত। গত পরশু আমি সেই রাস্তায় শিলচর থেকে গুয়াহাটি ৭ ঘন্টায় এসে পৌঁছাতে পেরেছি। এটা আজকের দিনে আমরা বলতে পারি উন্নয়নের দিকে কাজ চলছে। চা বাগানের শ্রমিকদের বিষয়ে এখানে অনেক কথা বলা হয়েছে। আমি বরাক উপত্যকা চা শ্রমিকদের মজুরির কথা এখানে তুলে ধরছি। আমাদের সরকার ২০১৬ সালে আসার আগে পর্যন্ত চা বাগানে বরাক উপত্যকার শ্রমিকদের মজুরি ছিল ১১৫ টাকা। আমাদের সরকার আসার পর ২০১৬ থেকে ২০২১ সালের মধ্যে সেটাকে বৃদ্ধি করা হয়েছিল ৩০ টাকা করে ১৪৫ টাকা হয়েছে। মাননীয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা মুখ্যমন্ত্রী হওয়ার পর ৩৮ টাকা

এবং পরবর্তীতে আরও ৩৭ টাকা বৃদ্ধি করা হয়েছে। এবং আমরা বলতে পারি ২০১৬ সালে যে ১১৫ টাকা মজুরি ছিল তাকে প্রায় ১০০ শতাংশ বৃদ্ধি করে ২১০ টাকা বরাক উপত্যকা চা শ্রমিকরা মজুরি পাচ্ছেন। এটা ভারতীয় জনতা পার্টির সরকারের সময় সম্ভব হয়েছে। আমরা দেখছি যে বিভিন্ন জায়গাতে মডেল স্কুল, চা বাগান এলাকার জন্য মডেল স্কুল প্রায় ৮৭০ টি চা বাগানে মডেল অঙ্গনওয়াড়ি সেন্টার তৈরি করার পরিকল্পনা নিয়েছে এবং এবার আমরা পেয়েছি জগন্নাথ কমিউনিটি হল এবং স্কিল সেন্টার। আমরা লক্ষ্য করেছি যে সর্বশিক্ষা মিশন আসার আগে স্কুলের অবস্থা কি ছিল। আর আজকের দিনে আমরা লক্ষ্য করেছি যে বিভিন্ন জায়গাতে যে মডেল অঙ্গনওয়াড়ি সেন্টার তৈরি করা হয়েছে ২৫ লক্ষ টাকা দিয়ে মডেল অঙ্গনওয়াড়ি সেন্টার তৈরি হয়েছে। আজকের দিনে আমরা বলতে পারি যে গ্রামে সবচেয়ে সুন্দর সবচেয়ে উন্নয়ন কোন সরকারি ভবন আছে সেই সরকারি ভবনটি আজ মডেল অঙ্গনওয়াড়ি কেন্দ্র। আমি আমার বিধান সভা কেন্দ্র লক্ষীপুরের দুটি কথা বলে আমার বক্তব্য শেষ করছি। প্রায় ৭৫ বছরে লক্ষীপুরে উন্নয়ন হয়নি। মাননীয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা নেতৃত্বে বিগত পোনে দু বছরে আমরা যা করতে পেরেছি ৩০-৩৫ বছর পুরনো সাবডিভিশন অফিস আমরা করতে পারিনি। আজ মাননীয় মুখ্যমন্ত্রী মহাশয় নুতন কলেজ এখানে দিয়েছেন। লো কলেজের কাজ চলছে। ১০০ বিছানার হসপিট্যাল এখানে দেওয়া হয়েছে। স্টেডিয়াম দেওয়া হয়েছে। স্কুল পেয়েছি, মডেল স্কুল আমরা পেয়েছি। বিভিন্ন উন্নয়নের কাজ হয়েছে। এজন্য আমি মাননীয় মুখ্যমন্ত্রী পোনে দু বছরে যেভাবে উন্নয়নের কাজ করছেন আমি সরকারকে অভিনন্দন ধন্যবাদ জানাই এবং রাজ্যপাল মহাশয়ের বক্তব্যকে আমি পূর্ণ সমর্থন জানিয়ে আমি আমার বক্তব্য শেষ করছি। ভারত মাতা কি জয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া দিগন্ত বৰ্মন।

**শ্ৰীদিগন্ত বৰ্মন , (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী ৰূপক শৰ্মাই অনা ধন্যবাদ সূচক প্ৰস্তাৱটোৰ বিৰোধিতা কৰি মোক বক্তব্য ৰখাৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ দিছো। অধ্যক্ষ মহোদয়, যোৱা ১০ মাৰ্চৰ দিনা মাহামান্য ৰাজ্যপাল ডাঙৰীয়াই দিয়া ভাষণত অসমত জ্বলন্ত সমস্যাবোৰ উল্লেখ কৰা হোৱা নাই । এগ্ৰিকালচাৰ মিনিষ্টাৰ ডাঙৰীয়া আছে যোৱা বাৰ মই তেখেতক কৈছিলো যে, ২০৪০ টকা কুইন্টলত কৃষকৰ পৰা নিৰ্দ্দিষ্ট ব্ৰেণ্ডৰ ধান ৰঞ্জিত আৰু বাচমতী ধান ক্ৰয় কৰিছে কিন্তু অন্যান্য থলুৱা ধান ক্ৰয় কৰা নাই সেইটো মই আপত্তি কৰিছো। দ্বিতীয়তে মহামান্য ৰাজ্যপাল গৰাকীয়ে সদনৰ পৰা যিটো কথা কৈছিলে যে, বন্ধ , ধ্বৰ্ণা, আদিৰ নিচিনা সংস্কৃতি এতিয়া অতীত হৈ পৰিছে । মই মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি ক'ব বিচাৰিছো যে, আমাৰ ইয়াৰ পৰা অলপ দুৰত 'চচল'ত গ'লে গ'ম পাব যে, তাত সদায়ে ধ্বৰ্ণা আদি হৈয়ে থাকে, আজিও হৈ আছে আমাৰ সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই প্ৰাঞ্জল মৰানৰ কথাটো কৈ গৈছে আনকি দিব্যাঙ্গসকলক শংকৰ নেত্ৰালয়ৰ সন্মুখৰ পৰা আনি টৰ্চাৰ কৰি তাত আবদ্ধ কৰি ৰাখিছে এইটো মই বিৰোধিতা কৰিছো । তাৰোপৰি মাননীয় ৰাজ্যপাল গৰাকীয়ে শান্তি আৰু নিৰাপত্তাৰ ক্ষেত্ৰত যিটো কথা কৈছে যে চৰকাৰে সকলোৰে বাবে শান্তি আৰু নিৰাপত্তাৰ বাবে সচেতন । ৪৯ ত কৈছে যে অপৰাধ নিয়ন্ত্ৰণ , উগ্ৰপন্থিৰে মোকাবিলা আৰু জীৱন আৰু সম্পত্তিৰ সুৰক্ষা এই ক্ষেত্ৰত চৰকাৰখন সফল বুলি কৈছে । যোৱা কালি বিধান সভা শেষ হোৱাৰ পিচত মই যেতিয়া নিশা আসাম ট্ৰিবুনখন পঢ়িলো তাতে লেটাৰছ টু দা এডিটৰত এগৰাকী ছোৱালী জিজ্ঞাশ্ৰী শৰ্মা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা লিখিছে যে তেওলোকে মৰ্নিং ৱাক বা ইভিনিঙ ৱাক কৰে তেতিয়া সোনৰ চেইন, মোৱাইল, বেগ ইত্যাদি কাড়ি নিয়ে এই ক্ষেত্ৰত যিটো কথা ৰাজ্যপাল গৰাকীয়ে

কৈছে তাত সহমত দিব নোৱাৰিলো । তাৰোপৰি এটা জ্বলন্ত সমস্যা হ'ল মাটিৰ যিটো কথা । আমাৰ মাননীয় মন্ত্ৰী যোগেন মহন আৰু অশোক সিংহল ডাঙৰীয়া ইয়াত থাকিলে ভাল পালোহেতেন। ইয়াতে ওঠৰ নং দফাত যিটো কথা লিখিছে যে মিশ্যন বসুন্ধৰা- ১.০ আৰু ২.০ যোগেদি চৰকাৰৰ লক্ষ্য হ'ল চৰকাৰী খাচ মাটি আৰু চিলিং উদ্বৃত্ত ভূমিৰ বন্দোবস্তি আৰু দখলকাৰী ৰায়তসকলক মালিকীস্বত্ব প্ৰদান ইত্যাদি। আমাৰ চৰকাৰী মাটিৰ ক্ষেত্ৰত ১৮৮৬ৰ Assam Land Revenue Regulation যি খন আছিল, সেইখনৰ মতে চলে আৰু অগপ চৰকাৰৰ দিনত আমাৰ পাটোৱাৰী ডাঙৰীয়া আছেই, প্ৰদীপ হাজৰিকা ডাঙৰীয়া আছেই, এখন লেণ্ড পলিচি কৰিছিল ১৯৮৯ত। সেইমতে কিছু পত্ৰ আমিও দিছিলোঁ আৰু পৰৱৰ্তী সময়ত যোৱা চৰকাৰৰ দিনত ২০১৯ আৰু এইখন এমেণ্ডমেণ্ট কৰিছিল ২০২২ চনত। সেই মতে চলি আছে। মই কথাটো কৈছো যে যিহেতু ইয়াত কৰ্তনৰ কথা কৈছে, যে আমি যধে মধে eviction কিয় কৰি আছোঁ। আমাৰ অলপতে এটা বাৰ্ণিল সমস্যা যিটো চচলত eviction হ'ল। এইক্ষেত্ৰত মই কবলৈ বিচাৰিছোঁ, আমাৰ সিংঘাল ডাঙৰীয়াই যিখিনি কথা কলে যে ইয়াতে কৈছিল ১৭৮ বিঘা মাটি আমি বেদখল মুক্ত কৰিম। তাত মই নিজেই গৈ চাই আহিছোঁ, তাত কেইটামান অনুস্থান, সেইবিলাকৰ নামটো নাহিল। কোন বিলাক নাহিল যে ICM, Icohours, হাউৱাভৰন আছে আৰু এটা পূৰ্বাচল গৃহ নিৰ্মাণ উন্নয়ন সমিতি। তাত origin পট্টাদাৰ, মই নিজেই এই বিভাগত কাম কৰিছিলোঁ, সেই অঞ্চলটোত দুটা দাগ আছিল। এটা আছিল ৬০২ নং দাগ আৰু এটা ১৯২ দাগ চৰকাৰী দাগ। এটা সময়ত বহুত মানুহে বেদখল কৰিছে। এতিয়া কথাটো হ'ল ইতিমধ্যে যিবিলাক মানুহে গৃহ নিৰ্মাণ কৰিছে, চৰকাৰী প্ৰপাৰটি আছে, আজি কৈছে যে জীনজাৰ ৰিৰ্জটে অধিগ্ৰহণ কৰিব বুলি কৈছে। মই এটা কথা কবলৈ বিচাৰিছোঁ যেতিয়া আমি এটা মাটি পট্টা দিম, চৰকাৰক সেই পট্টাখনে এটা premium দিয়ে, আমি মাটিখিনিৰ মালিকি স্বত্ব পালো, এতিয়া যদি আমি acquire কৰিব লগীয়া হয় তেতিয়া তেওঁলোকক আমি যিমান উপাৰ্জন ৫ গুণ দিব লাগিব। লগতে তাৰ মূল্য দিব লাগিব। সেই পইচা কাৰ পৰা যাব আমাৰ পৰা যাব। এটা চৰকাৰে স্থিৰ সিদ্ধান্ত কৰক, ৬০২ নং আৰু ১৯২ দাগ কেইটা চৰকাৰে চাৰ্ভে কৰিব লাগে। কৰি তাত কোন কোন মানুহ আছে এইখিনি বিচাৰ কৰি, যদি eviction নকৰিলেও হয়, আৰু যিখিনি মানুহ evicted হৈছে, তেওঁলোকক যদি পুনৰ সংস্থাপন দিব পৰা যায় এই সমস্যাটো সমধান হ'ব। গতিকে মই সেই কাৰণে এটা কথা কবলৈ বিচাৰিছো যে ৰাজ্যপাল মহোদয়ৰ ভাষণৰ যিটো শেষৰ ১৮ নং দফা এটা লাইন লিখিব লাগে যে উচ্ছেদিত ভুমিহীন পৰিয়ালক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। কেৱল তাতেই বুলি কোৱা নাই গোটেই অসমতে মই কৈছো, আমি এইখন আইন অনুসৰি ALR 1886 মতে কাম কৰো, ভুমি আইন মতে আমি কাম কৰো, যিবিলাক মানুহে, এইখন আমাৰ welfare State হয়, যে মানুহক আমি ৰাস্তাত অনাই বনাই থাকিব দিব নোৱাৰো। এটা শিশুৰ কথা টিভিত দেখাই আছিল সেইদিনা খুব বেয়া লাগিছিল দেখি, গতিকে যিহেতু আমাৰে সন্তান, আমাৰে মানুহ, আমি তেওঁলোকক অনাগত দিনত দিয়াটো উচিত হ'ব। এই ক্ষেত্ৰত চৰকাৰে এটা নিৰ্দিষ্ট পৰিকল্পনা কৰি যিসকল ভূমিহীন মানুহ আছে, তেওঁলোকক ভূমিৰ ব্যৱস্থা দিয়ক আৰু পাহাৰত মানুহ আছে, আজি চৰকাৰে তাত eviction কৰিব গ'লে পাহাৰত eviction কৰাৰ কাৰণে শ শ কোটি টকা লাগিব, eviction কৰিব নোৱাৰে, যিমান খৰচ হয়। এটা তেনেকুৱা ব্যৱস্থা কৰি এই সমস্যাটো সমধান কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মানব ডেকা।

**শ্ৰীমানব ডেকা, (লক্ষীমপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ। মই প্ৰথমে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনে মহাবীৰ লাচিত বৰফুকনক যি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰিলে তাৰ বাবে ধন্যবাদ জনাইছোঁ। আজি কেৱল দিল্লীত লাচিত দিৱস পতাই নহয়, আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত Greenies Book of world Recordত লাচিত বৰফুকনে স্থান পাইছে। এই ক্ষেত্ৰত বিৰোধী সকলে সমলোচনা কৰা দেখা পোৱা যায়। ধন্যবাদ দিয়াতো দূৰৰে কথা। কিন্তু ৭০ বছৰ কাল অসমত বিভিন্ন চৰকাৰ হৈ গ'ল কিন্তু লাচিত বৰফুকনক বিশ্বৰ মাজত পৰিচয় কৰি দিয়াৰ ব্যৱস্থা কোনেও কৰা নাছিল। এই ৭০ বছৰত তেওঁলোকে বিচাৰিলে বহুত কৰিব পাৰিলেহেঁতেনঙ্গ কিন্তু সেয়া কৰি দেখুৱালে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বতাধিন চৰকাৰখনে, তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। কেৱল সেয়াই নহয় আমাৰ ভাৰতীয় পাৰ্টীৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনে অসমৰ কলা-কৃষ্টি, সংস্কৃতিক বিশ্বৰ দৰবাৰলৈ নিবলৈ ব্যৱস্থা কৰাত কোনো কৃপণালী কৰা নাই। অহা ১৪ তাৰিখে আপোনালোক সকলোৱে দেখিব যে বিহু Greenies Book of world Recordত স্থান পাবলৈ সক্ষম হ'ব। এই চৰকাৰখনে বাজেটৰ ধনৰ প্ৰতিটো টকাই সমাজ, অতিকৈ পিছপৰা জনক স্পৰ্শ কৰাৰ কাৰণে নিশ্চিত কৰিছে। আজি দূৰ্নীতিৰ ক্ষেত্ৰত যি সবল পদক্ষেপ লৈছে আপোনালোকে যদি মন কৰে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ কিমান জন ব্যক্তি দূৰ্নীতিৰ গোচৰত ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে, আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে আৰু দূৰ্নীতিৰ ক্ষেত্ৰত zero tolerance পলিচি এই চৰকাৰে লৈছে। আজি বেদখলৰ ক্ষেত্ৰত যি বেদখল উচ্ছেদ কৰা হৈছে, আপোনালোকৰ বিৰোধীৰ আমিনুল ডাঙৰীয়াই কালি কৈছে যে মানবীয়তাৰ কথা। তাৰমানে মুখৰে কথা কব পৰাৰ ক্ষেত্ৰতেহে মানবীয়তা থাকিব নেকি? আজি লক্ষীমপুৰত পাভ বনাঞ্চলত ৪২০০০ বিঘা ফৰেষ্টৰ মাটি দখল কৰি তাত খেতি কৰিছিল দখলদাৰী সকলে। যেতিয়া তাত eviction শেষ হ'ল তিনি দিনৰ ভিতৰত তিনিটা গড় মাৰিলে আৰু মানুহক খুন্দিয়াইছেও। আজি সেই মুখৰে মাতিব নোৱাৰা জীৱ জন্তুৰ ক্ষেত্ৰত মানৱীয়তা নাথাকিব নেকি? আজি সেই জীৱ-জন্তুৰ যদি মুখৰে কথা ক'ব পাৰিলেহেঁতেন তেতিয়া হয়তো বিৰোধীৰ সেই মানৱীয়তাৰ উত্তৰ তেওঁলোকৰ মানৱীয়তা কেনেকৈ ভংগ কৰা হৈছিল সেই উত্তৰ নিশ্চয় দিলে হেতেনঙ্গ কাৰণ এই চৰকাৰ খন কেৱল মানুহৰ বাবেই নহয়, জীৱ জন্তু, প্ৰকৃতি সকলোৰে বাবে এক সংবেদনশীল চৰকাৰ। যাৰ কাৰণে আজি এই জীৱ জন্তু বা আমাৰ প্ৰকৃতিৰ ভাৰসাম্য ৰাখিবৰ কাৰণে তেওঁলোকক আমি যি বেদখল কৰিছিলো, তেওঁলোকক আমি উচ্চেদিত কৰিছিলোঁ, আজিহে বেদখলকাৰী সকলক উচ্ছেদ কৰা হৈছে। কিন্তু সেই জীৱ জন্তু বিলাকক আজিৰ পৰা ২০ বছৰ ৩০ বছৰ আগত বেদখল কৰা হৈছিল, সেইটো কথা কিন্তু কোনেও নকয়। তেওঁলোকে খালী মানৱীয়তাৰ কথা কয়। আজি বাল্যবিবাহৰ ওপৰত এই চৰকাৰে ব্যৱস্থা লৈছে। বাল্য বিবাহৰ ওপৰত যেতিয়া ব্যৱস্থা লোৱা হয় তেতিয়া কয় মানৱীয়তা ধ্বংস হৈছে, পৰিয়াল ধ্বংস হ'ব। আকৌ IMR,MMR Rate বাঢ়িলে কব যে চৰকাৰ খন default হৈছে। আকৌ ইফালে কব কি, ঘৰুৱা হিংসা বাঢ়িছে। এতিয়া কওঁকচোন ১৪ বছৰত ছোৱালী এজনী বিয়া পাতি আনি ৫ টা ৬ টা সন্তান হোৱাৰ পিছত ২৬ বছৰ ২৭ বছৰ হোৱাৰ পিছত সেই ছোৱালী জনীক মৰম কৰিবনে গিৰীয়েকে হিংসা কৰিব? গতিকে প্ৰত্যেকটো বিষয় ইটোৰ লগত সিটো জড়িত হৈ আছে। সেই কাৰণে মই বিৰোধী সকলক অনুৰোধ জনাইছো এই যে, বাল্য বিবাহৰ ক্ষেত্ৰত আপোনালোকে যে শিক্ষা দীক্ষা এনেকুৱা কথা টানি আনিছে, তেনেকুৱা কোনো কথা নহয়। বহুত শিক্ষিত মানুহৰো ৬ টা ৭ টা ল'ৰা-ছোৱালী থকা আজিৰ যুগতো দেখিছোঁ। শিক্ষা হয়, শিক্ষা আমাক লাগিব, শিক্ষাৰ

কাৰণে এই চৰকাৰে যথেষ্ট কৰিছে, জিলাই জিলাই মেডিকেল কলেজ কৰিছে, Universityকৰিছে, Engineering College কৰিছে, চাব বাগানত শ শ স্কুল বনাইছে, মডেল অঙ্গনবাড়ী কেন্দ্ৰ বনাইছে, কিন্তু সামাজিক ব্যাধি বিলাকক যেতিয়া কঠোৰ হাতেৰে দমন কৰা হৈছে, তাৰ ফলাফল স্বৰূপে আজি দুমাহত অসমত এখনো বাল্য বিবাহ হোৱা নাই, আপোনালোকে মন কৰক। যেতিয়া আমাৰ এচাৰিৰ আগত যে বিদ্যা বুলি কয় সেই কথাটো তাত প্ৰতিপন্ন হৈছে। মই দীঘলীয়া নকৰো, পুনৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনে যি যুগান্তকাৰী পদক্ষেপ লৈছে তাৰ বাবে ধন্যবাদ জনাই মোৰ চমু বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ)।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষণৰ যি প্ৰস্তাৱ সেই প্ৰস্তাৱৰ বিৰুদ্ধে অলপ সময় কোৱাৰ বাবে প্ৰয়াস কৰিছো। অসমত যি বিলাক বিষয় বেছিকৈ হাইলাইট কৰা হৈছে, কেইবাটাও বিষয় অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় যিবিলাক চৰকাৰে ইয়াত আলোচনাত আনিছে, সেই আলোচনা বিলাকৰ ভিতৰত আমি দেখিছো বাল্য বিবাহ অত্যন্ত স্পৰ্শকাতৰ বিষয়। প্ৰায় ৩৪৮৩ জন মানুহক গ্ৰেপ্তাৰ কৰিছে। Prohibition of Child Marriage Act. কেন্দ্ৰীয় চৰকাৰৰ আইন। কেন্দ্ৰীয় চৰকাৰৰ আইনটো আজিলৈকে এটা ৰুল বনোৱা নহ'ল। আমি সকলোৱে জানো যে যেতিয়া আইন প্ৰযোজ্য কৰিব লাগে তাত এটা ৰুল লাগিব। ২০০৬ চনত গঠন হোৱা আইনৰ ৰুল বনোৱাৰ দায়িত্ব হ'ল অসম চৰকাৰৰ। কিন্তু অসম চৰকাৰে ২০০৬ চনৰ পৰা ২০২৩ চনলৈ আজিলৈকে Prohibition of Child Marriage Act.ৰ ৰুল প্ৰস্তুত নকৰিলে। ৰুল প্ৰস্তুত নকৰাকৈ Act. Implementation কৰিব নোৱাৰো। বিগত ইমান বছৰে যে ৰুল প্ৰস্তুত নহ'ল তাৰ কাৰণে দায়ী কোন হ'ব। আমি মূল কথালৈ আহিব লাগে আমাৰ বিধান সভাই কিয় ৰুল ইমান দিনে প্ৰস্তুত কৰা নাই। যিকেইটা ধাৰা ৩৭৫, Pocso Act 7/17 ধাৰা বিলাক লগোৱা হৈছে এই বিলাক ভালদৰে কাৰ্য্যকাৰী হৈছে নে নাই। CrPe যিখিনি ধাৰা অৱজ্ঞা কৰা হৈছে, যেনেকুৱা ধৰণে ঘোষণা কৰা হ'ল। মানুহক জেলত দিয়া হ'ল তাৰ ভিতৰত ২২৫৩ গৰাকী মানুহ এতিয়ালৈ জামিনত ওলাই গ'ল। যি বিলাক মানুহৰ পইচা আছে তেওঁলোকে হাইকোৰ্ট কৰিছে জামিন পাইছে, যিবিলাক মানুহ দুখীয়া হাইকোৰ্টত আহিব পৰা নাই জামিনবিহীন ধাৰা তলত উল্লেখ হোৱা নাই। এই বিলাক মানুহৰ কি অৱস্থা হৈছে। আমি যিহেতু আইন বনোৱা অনুষ্ঠান আইনখন আমি জোৰ কৰি কাৰ্য্যকৰী কৰা কাৰণে যি ধৰণে আমি কাৰ্য্যকৰী কৰিব বিচাৰিছো বাস্তৱ ক্ষেত্ৰত সেইটো হৈ উঠা নাই। সঁজাগতা কিমানখিনি কৰা হৈছে। এই আইনখন প্ৰণয়নৰ কাৰণে কিমানখিনি আমি বিজ্ঞাপন কৰিছো বা আমি ৰাইজক সঁজাগ কৰিছো। CrPe ৰ ধাৰা 468 প্ৰত্যক্ষকৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই অৱমাননা কৰিছে। কেতিয়াবা বুলডজাৰ চলোৱা হয়, অসম পুলিচে ৰাষ্ট্ৰপতি এৱাৰ্ড পাইছে, বুজি নাপাও পুলিচ থাকোতে থানা জ্বলি যায়, পুলিচে অবৈধ এনকাউন্টাৰ কৰে। পুলিচে বুলডজাৰ চলাই, পুলিচৰ হাতৰ পৰা শ, শ মানুহ পলাই গুচি গ'ল। তাৰ পিছত এই পুলিচে কিহৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰপতি পুৰস্কাৰ পালে আমি বুজি পোৱা নাই। আজি অৰুণোদয় আঁচনি দিয়া হৈছে, বৰ্তমান ১৭ লাখ মানুহে অৰুণোদয় পাই আছে। ১৭ লাখ মানুহক ১ হাজাৰ টকাকৈ দিলে ১৭৪ কোটি টকা মাহিলী দিবলগীয়া হয়। নতুনকৈ যিটো টাৰ্গেট প্ৰস্তুত কৰা হৈছে ১২৫০ টকাকৈ দিয়া হ'ব ২৭ লাখ মানুহক টাৰ্গেট কৰা হ'ব। ৩৩৭.৫০ কোটি আমি মাহিলী দিব লাগিব। এই হিতাধিকাৰী সৃষ্টিৰ জৰিয়তে আমি সমাজত কি স্থাপন কৰিব বিচাৰিছো। আজি ধান খেতি বন্ধ কৰিছে, খেতি নকৰা হ'ল আজিকালি মানুহে কিহৰ

কাৰণে ? মাইক্ৰফাইনেন্সৰ যিটো ১৮ কোটি টকা দিয়া হ'ল অসমৰ বিকাশ কি কৰা হ'ল? মানৱ সম্পদ গঢ়াৰ কথা কোৱা হৈছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** আমি সময়টো অলপ বঢ়াব লাগিব যিহেতু আমাৰ মাননীয় সদস্য ক'বলগীয়া আছে। আমি সময়টো বঢ়াই ল'লো সদনৰ অনুমতি সাপেক্ষে। এতিয়া শ্ৰীমতী সুমন হৰিপ্ৰিয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, (হাজো)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যিহেতু ধন্যবাদ সূচক প্ৰস্তাৱ ৰাখিছিল মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়াই সেই প্ৰস্তাৱৰ সমৰ্থনত মই ক'বলৈ ওলাইছো। মই যেতিয়া প্ৰথম দিল্লীলৈ গৈছিলো তাত আমাৰ অসমৰ মানুহ গ'লে অসমখন ক'ত প্ৰশ্ন কৰে এতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত শৰ্মা ডাঙৰীয়াৰ সৱল নেতৃত্বৰ বাবে অকল ভাৰতবৰ্ষতে নহয় গোটেই বিশ্বত অসমৰ গৌৰব, অসমৰ মানচিত্ৰ প্ৰতিফলিত হৈ আছে। সমগ্ৰ বিৰোধীয়ে আজি প্ৰস্তাৱ ল'ব লাগিছিল, এনে গৌৰৱময় মুখ্যমন্ত্ৰী বিধান সভাত দেখা নাই। অসমত এতিয়া শান্তি উন্নয়ন আৰু প্ৰগতিৰ যাত্ৰা। এইটো ৰাজ্যপালৰ ভাষণৰ কথা নহয়, এইটো সত্য প্ৰমাণিত হৈছে। ৰাইজৰ মনত আস্থা, বিশ্বাস আৰু শক্তিৰ সঞ্চাৰ হৈছে। বিৰোধী দলপতিয়ে ডাটা ওলাই, মই যদি ডাটা ওলাও আমাৰ কিমান ৰাস্তা কিমান হৈছে, দলং কিমান হৈছে। মই হাজো সমষ্টিৰ কথাকে কওঁ। সৰাবড়িত ৰাস্তা হোৱা আছিল, ছোৱালীৰ বিয়া হোৱা নাছিল কান্দি কান্দি গৈছিল গতিকে সেই দলং হ'ল, ৰাস্তা হ'ল, প্ৰতিটো ৰাস্তাতে গড়কাপ্তানী বিভাগৰ ফলক লাগি আছে। সৌৰ বিভাগ বা শক্তি ঘৰে ঘৰে কানেকশ্যন লাগিছে লাইটৰ। কোনোৱাই কৈছে যে, শক্তি বিভাগৰ মন্ত্ৰী সুধিব লাগিব পইচা ক'ৰ পৰা আহিছে আৰু ক'ত খৰচ হৈছে। প্ৰথমতে আমি আপোনালোকৰ চৰকাৰৰ দিনটো আমি Loss ত চলি আছিলো এতিয়া আমি শক্তি বিভাগত লাভৰ মুখ দেখিবলৈ পাইছো। এনেকুৱা উন্নয়নৰ খতিয়ান আমি হাজাৰটা দিব পাৰিম। আমাৰ মুখ্যমন্ত্ৰী ৰাইজৰ আস্থা, বিশ্বাস ৰাখিছে। বিৰোধীয়ে কয় আমাৰ শিশুৰ মৃত্যুৰ হাৰ বৃদ্ধি হৈ আছে। আপোনালোকে নীতি আয়োগৰ যদি তথ্য চায় দেখিবলৈ পাব শিশুৰ মৃত্যুৰ হাৰ কিন্তু সকলোতকৈ বেছি ধুবুৰী, বৰপেটা আৰু কাছাৰত। আপোনালোকে ডাটা বিলাক উলিয়াই লওঁক। মোৰ হাতত ডাটা আছে। মই মাননীয় অধ্যক্ষ মহোদয়ক দিব পাৰো। আপোনালোকে চাকৰিৰ কথা কৈছে। অধ্যক্ষ মহোদয় Development is a continuous process. আমাৰ ভৰত নৰহ ডাঙৰীয়াই নিজেই কৈছে ইমানখিনি চাকৰি আমি দিলো বুলি। চাকৰি পৰ্য্যায়ক্ৰমে হৈ আছে, আমি আমাৰ প্ৰতিশ্ৰুতি পালন কৰিবলৈ গৈ আছো। আমাৰ মুখ্যমন্ত্ৰী মহোদয় আজি সফল এই কাৰণে হৈছে যে তেখেতে কথামতে কাম কৰে। আপোচ নকৰে, দুৰ্নীতিক প্ৰশ্ৰয় নিদিয়ে, আৰু যিখিনি আমাৰ manifesto, এই manifesto ৰ প্ৰত্যেকটো কথাই আখৰে আখৰে পালন কৰি আছে। সেই কাৰণে আমাৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী কেৱল অসমতে নহয় বাহিৰতো জনপ্ৰিয়। অধ্যক্ষ মহোদয় আমাৰ মাননীয় বিধায়ক পৰমান্দ ৰাজবংশী ডাঙৰীয়াই যোৱা কালি কৈছে, যে আমি এটা গৰুখুটি নহয় এনেকুৱা বহুত গৰুখুটি কৰিবলৈ গৈ আছো। মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত আমাৰ বিৰোধীৰ সদস্য কেইজন গৈছে, যে ছাৰ আমাৰ এইখিনি নিবনুৱা এইটো আমাৰ প্ৰজেক্ট, কিন্তু আমি শাসক দলৰ সদস্য সকল গৈছো। আমাক ছাগলীৰ ফাৰ্ম লাগে,গৰুৰ খুটি লাগে, তেওঁলোকৰ নিবনুৱা সমস্যা দূৰ কৰিবৰ কাৰণে এইখিনি এইখিনি প্ৰজেক্ট লৈ গৈ আছো। কেইজন বিৰোধীৰ সদস্যই এতিয়ালৈকে মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰলৈ গৈছে, নিবনুৱা সমস্যা দূৰ কৰিবৰ কাৰণে প্ৰজেক্ট লৈ? গতিকে ঘৰিয়ালৰ চকুলো বিধান সভাত টুকিলে নহয়। তেওঁলোকে বেদখল কথা কৈছে, অধ্যক্ষ মহোদয় এয়া অকল আমাৰ মাটি নহয় তেওঁলোকৰো মাটি। ইয়াত আমাৰ

বীৰ সকলৰ বলিদান আছে। শ্বহীদ সকলৰ তেজ আছে। গতিকে সেই ভূমি বেদখলমুক্ত কৰিবৰ কাৰণে তেওঁলোকেও আমাৰ লগত সমানে আগবাঢ়ি যাব লাগিছিল অধ্যক্ষ মহোদয়। গতিকে মই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো এনেকুৱা এখন প্ৰবল চৰকাৰ দিয়াৰ বাবে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া লৰেঞ্চ ইছলাৰী

**শ্ৰী লৰেন্স ঈশ্লাৰী, (কোকৰাঝাৰ পূব)** ঃ मानगोनां बुंथिगिरि, आसामनि मानगोनां रायजो बेंगिरिनि जा बिबुंथि बे बिबुथिनि सायाव मदद होनानै आं बाथ्रा बुंनो आखायाव लादों।

(মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত সমৰ্থন জনাই মই বক্তৃতা ৰাখিব বিচাৰিছো)

অসমৰ সন্মানীয় ৰাজ্যপাল ডাঙৰীয়াৰ যিটো ভাষণ মই পূৰ্ণ সমৰ্থন জনাইছো, আৰু চৰকাৰৰ যি কাম-কাজ, চৰকাৰে লোৱা যিবিলাক আঁচনি এইটো স্পষ্টভাৱে ৰাজ্যপালৰ ভাষনত আমি দেখিবলৈ পাইছো। আমাৰ যি চৰকাৰ সেই চৰকাৰে ইতিহাস আৰু সংস্কৃতিৰ পৃষ্ঠপোষকতা কৰি আছে, আৰু সেই ধৰণৰ চৰকাৰে কিছুমান আঁচনি লৈছে। এতিয়া অসমীয়া সংস্কৃতিৰ প্ৰতীক গামোচাখন জীয়াই ৰাখিবৰ কাৰণে মেচিনৰ গামোচা উৎপাদন ৰোধ কৰি লগতে ৰাজ্যখনৰ শিপিনিসকলক বিশেষভাবে উপকৃত কৰিছে। এটা সময় আছিল আমাৰ বোৱনী শিপিনীসকলে বহুত কষ্টৰ মাজেৰে গামোচা বৈছিল, আৰু বিভিন্ন কাপোৰ বৈছিল। কিন্তু বাহিৰা ৰাজ্যৰ পৰা অহা বিশেষকৈ বিহাৰ আৰু ইউপিৰ পৰা অহা যিবিলাক গামোচা এই গামোচা বিলাকে বজাৰ দখল কৰিছিল। সস্তীয়াভাবে খুব কম মুল্যত দি বিক্ৰী কৰে। কাৰণ মেচিনত বোৱা কাপোৰ, আমাৰ বোৱনী শিপিনীসকলে বহুত চিন্তা কৰিবলগীয়া হৈছিল। আমি ইমান কষ্টৰে কাপোৰ বোওঁ, কিন্তু উচিত মুল্য আমি নাপাওঁ। বিহাৰ আৰু ইউপিৰ পৰা অহা মেচিনৰ গামোচাবোৰে বজাৰ দখল কৰিছে। এতিয়া আমাৰ এই চৰকাৰে গামোচাখন জিয়টেগ কৰাৰ পিছত এতিয়া আৰু তেনেকুৱা বাহিৰৰ ৰাজ্যত বা আন কোনোবাই তেনেকুৱা এই বজাৰ তেওঁলোকে ল'ব নোৱাৰে। তেওঁলোকে তেনেকুৱা ধৰণে উৎপাদন কৰিব নোৱাৰিব। যাৰ ফলত আমাৰ বোৱনী শিপিনী সকলে লাভান্বিত হ'ব। আমি দেখিবলৈ পাইছো যে ৰাজ্যপালৰ ভাষণত সামাজিক ব্যাধি নিৰ্মূলকৰণৰ যি আঁচনি এই চৰকাৰৰ আঁচনিটো আমি স্পষ্টভাবে দেখিছো। ২০২৩ চনৰ ২ মাৰ্চ পৰ্য্যন্ত এন ডি পি এচ আইনৰ অধীনত ৫১৯১ টা গোচৰ পঞ্জীভুক্ত কৰা হৈছে। আৰু বুজন পৰিমানৰ ড্ৰাগছৰ সৈতে ৮৬৩২ গৰাকীৰ অধিক ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰা হৈছে। ২০২২ বৰ্ষৰ ৩১ ডিচেম্বৰলৈকে অসম আৰক্ষীয়ে মানৱ সৰবৰাহৰ ২০০৩ টা গোচৰ পঞ্জীয়ন কৰাৰ লগতে ১৭৩ জনক আটক কৰিছে। ৩৫৮ গৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। আমি বৰ্তমান সময়ত বহু কথা পাতি আছো। নগৰে চহৰে এতিয়া ড্ৰাগছৰ বহু বেহা বেপাৰ চলি আছে। সঁচাকে আমাৰ সমাজখনত বহুত ক্ষতিগ্ৰস্ত কৰিছে। স্কুলীয়া ছাত্ৰ-ছাত্ৰীকো তেওঁলোকে ব্যৱহাৰ কৰাটো আমি দেখিবলৈ পাওঁ। তেনেকৈ অবাধভাবে আমাৰ ৰাজ্যখনত চলিছে, আৰু এনেকুৱা সময়ত আমাৰ চৰকাৰখনে বলিস্থ পদক্ষেপ লৈ তেওঁলোকক কৰায়ত্ব কৰিছে, লগতে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। সঁচাকৈয়ে চৰকাৰৰ যি পদক্ষেপ এই পদক্ষেপটোক আমি প্ৰশংসা কৰিব লাগিব। যি কথাটো আমি ৰাজ্যপালৰ যি ভাষণ ইয়াত আমি দেখিবলৈ পাইছো। আমাৰ ৰাজ্য চৰকাৰে ৰাজ্যিক অৰ্থনীতিৰ সৰলীকৰণৰ কাৰণে কাম কৰি আছে। অসমৰ অৰ্থনীতিৰ আমুল পৰিবৰ্তনৰ বাবে চৰকাৰখনে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। কৃষক সকলক সুখী কৰা আৰু উদ্যোগপতি সকলৰ বাবে অনুকুল পৰিবেশৰ সৃষ্টিকে সামৰি সকলো দিশতে অসমৰ অৰ্থনীতিৰ এতিয়ালৈকে অব্যৱহৃত সম্ভাৱনীয়তা সমূহৰ সম্পুৰ্ণ ব্যৱহাৰৰ

লক্ষ্যৰে বৃহৎ সংখ্যক ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে। সামাজিক সুৰক্ষাৰ ব্যৱস্থা চৰকাৰখনে কৰিছে, যেনেকৈ অৰুনোদয় আঁচনিৰ অধীনত মাহিলি অৰ্থৰ সাহায্যৰ পৰিমান ২০২২ চনৰ অক্টোবৰৰ পৰা ১০০০ টকাৰ পৰা ১২৫০ টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ দ্বাৰা ৰাজ্যখনত ১৭ লাখৰো অধিক পৰিয়াল উপকৃত হৈছে। এই আঁচনিৰ অধীনত হিতাধিকাৰীৰৰ সংখ্যা ২৭ লাখলৈ বৃদ্ধি কৰা হ'ব বুলি চৰকাৰে এটা সিদ্ধান্ত লৈছে। সঁচাকৈ এই অৰুনোদয় হোৱাৰ পাছত দুখীয়া পৰিয়ালসকল বহুতো উপকৃত হৈছে। বহুত তেনেকুৱা মানুহ আছে, যি সকলে কোনো ব্যৱস্থা কৰিব পৰা নাছিল । বিধবা সকল আছিল, ডিভোৰ্চী মহিলা সকল আছিল আমাৰ এনেকুৱা পিছ পৰি থকা বহু শ্ৰেণীৰ মানুহ আছিল, তেওঁলোকে এই অৰুনোদয় আঁচনি পোৱাৰ পিছত এতিয়া অলপ হলেওঁ তেওঁলোকে সকাহ পাইছে। এই কথাটো আমি ৰাজ্যপালৰ ভাষণত দেখিবলৈ পাইছো।

মানগোনাং বুংথিগিরি, BTC হালাম এবা কার্বি আংলং এবা দিমা হাসাবআববো সরখারা সোলোঁথাই বিথিংখৌ জৌগাহোনো থাখায় গোবাং রোখোমনি হাবাফারি লানায়খৌ নুনো মোনদোঁ জেঁরৈ BTR ওনসোলাব 935 সা মানসিফোরনো TET জোহৈ দিনৈ লেডাই ফোরোঁগিরি থিসননায বোবায়দি হাবাফারিখৌ BTR ওনসোলাব খালামনায়খৌ জোঁ নুংনো মোনদোঁ। সিরাং, বাকসা, উদালগুরি জেরাব বর' ফোরোঁগিরিফোরনি থাখায় DIET নি Training নি জেবো রাহা গৈয়া মোন বে রাহাখৌ খালামনো থাখায় জোঁ আসাম সরখারা জা হাবাফারি লাদোঁ বে বাথ্রাখৌ জোঁ রায়জো বেঁগিরিনি বিবুংথিয়াব নুনো মোনদোঁ। উদালগুরিনি ভেরগাবআব Polytechnic গায়সননায বায়দিসিনা জা হাবাফারি বেখৌ নুনো মোনদোঁ। গোবাব সম BTR ওনসোলাব মোনসে জোঁহা দাবি দংমোনদি, বেয়াবহায় Medical College গায়সননায জায়ো, দা বে সরখারনি দিনাব ককরাঝারআব গোদানৈ মোনসে মেদিকেল কলেজ গায়সননায জাবায়, বিয়ো সোলি গাসিনো দং। ফৈগৌ সেপ্তেম্বর দানাব Medical কলেজনি Class আ জাগোন বেখৌ জোঁ নুনো মোনদোঁ। বিদোনো বিতিআর হালাম এবা গুবুন গুবুন $6^{th}$ Schedule আববো সরখারআ গুবুন গুবুন জা হাবাফারি লানায় বে হাবাফারি লানায়খৌ নুদোঁ।

(অধ্যক্ষ মহোদয়, BTC অঞ্চল অথবা কাৰ্বি আংলং অথবা ডিমা হাচাও অঞ্চলতো চৰকাৰে শিক্ষা ব্যৱস্থাক উন্নত কৰিবলৈ বিভিন্ন ধৰণৰ কাৰ্য্যসূচী লোৱাতো দেখিবলৈ পাইছো, যেনেকৈ BTR অঞ্চলত ৯৩৫ জন লোকক TET ৰ দ্বাৰা আজি সহকাৰী শিক্ষক নিযুক্তি দিয়া, এনে ধৰণৰ কাৰ্য্যপন্থা BTR অঞ্চলত লোৱা আমি দেখিবলৈ পাইছো। চিৰাং, বাক্সা, ওদালগুৰি য'ত বড়ো শিক্ষক সকলৰ বাবে DIET ৰ Training ৰ ব্যৱস্থা কৰিবলৈ আমি অসম চৰকাৰে যি সিদ্ধান্ত লৈছে, ইয়াক আমি মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত দেখিবলৈ পাইছো। ওদালগুৰিৰ ভেৰগাঁৱ Polytechnic স্থাপনৰ যিবোৰ কাৰ্য্যসূচী, এইবোৰ দেখিবলৈ পাইছো। বহুদিনীয়া BTR অঞ্চলত এটা দাবী আছিল যে, ইয়াত যেন Medical College কৰা হয়। এতিয়া এইখন চৰকাৰৰ দিনত কোকৰাঝাৰত নতুনকৈ Medical College স্থাপন কৰা হয়, ইয়াৰ কাম চলি আছে। অহা চেপ্তেম্বৰ মাহত Medical College ৰ Class আৰম্ভ হ'ব। ইয়াক আমি দেখিবলৈ পাইছো। এইদৰে BTR অঞ্চল অথবা আন $6^{th}$ Schedule অঞ্চলতো চৰকাৰে বিভিন্ন কাৰ্য্যসূচী লোৱাতো দেখিবলৈ পাইছো।)

অৱশেষত মই ৰাজ্যপালৰ যি ভাষণ তাৰ সমৰ্থন জনাই মোৰ বক্তব্য ইয়াতে সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ এতিয়া শ্ৰীঅখিল গগৈ,

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণটো আচলতে মুল শব্দ কেইটামান আছে, যিকেইটা শব্দক লৈ গোটেই ভাষণটো প্ৰস্তুত কৰা হৈছে। প্ৰথমটো

হ'ল নৱজাগৰণ, দ্বিতীয়টো হ'ল শান্তি প্ৰগতি আৰু উন্নয়ন। আচলতে এইকেইটা শব্দক লৈ গোটেই ভাষণটো প্ৰস্তুত কৰা হৈছে। এতিয়া মাননীয় অধ্যক্ষ মহোদয়, নৱজাগৰণ কৈছে কেনেকুৱা ধৰণৰ নৱজাগৰণ। মই তিনিটা নৱজাগৰণৰ কথা কওঁ। কেনেকুৱা নৱজাগৰণ আচলতে বি জে পি চৰকাৰে আনিছে। ১ নম্বৰ নৱজাগৰণটো হ'ল যে বি.জে.পি চৰকাৰৰ দিনত ৭৫৪৭ খন চৰকাৰী স্কুল বন্ধ হৈ গৈছে। এমালগেমেশ্যন বা মাৰ্জাৰ কৰি বন্ধ কৰি দিয়া হৈছে। কিন্তু ইয়াত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন ব্যক্তিগত international School, Vandya International School মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰিয়ালৰ দ্বাৰা নিৰ্মাণ কৰা হৈছে। এইটো কমটো নৱজাগৰণ নে? দ্বিতীয় নৱজাগৰণ হ'ল আমাৰ চৰকাৰখনৰ আজিৰ দিনটোলৈকে এই চৰকাৰখনৰ ধাৰ ১ লাখ ৩১ হাজৰ ২৭৩ কোটি টকা। কিন্তু মুখ্যমন্ত্ৰী গৰাকীয়ে হেলিকপ্তাৰখন নেৰে। ইয়াৰ পৰা ক্ষেত্ৰীলৈ বিয়া খাবলৈ গ'লেও তেওঁ হেলিকপ্তাৰখন লৈ যায়, চাৰ্টাৰ বিমানখন লৈ যায় আৰু গুৱাহাটী উন্নয়ণ দপ্তৰৰ মন্ত্ৰীয়ে আনকি এভিকেশ্যনৰ এৰিয়েল চাৰ্ভে কৰে। গতিকে এইটো এটা কম নৱজাগৰণ নে? সাংঘাটিক ধৰণৰ নৱজাগৰণ, ধাৰৰ নৱজাগৰণ। ইউৰোপত নৱজাগৰণ হৈছিল সাংঘাটিক সাংঘাটিক ধৰণৰ Industrial Revolution হৈছিল। আমাৰ ইয়াৰ নৱজাগৰণৰ আমাৰ মাননীয় ৰাজ্যপালৰ ভাষণৰ আটাইতকৈ ডাঙৰ উদাহৰণটো হ'ল যে Guinness book of world record. এটা হ'ল ৰচনা লিখি আমি Guinness book of world record ত নাম ভৰালো আৰু দ্বিতীয়টো Guinness book of world record হ'ল প্ৰধান মন্ত্ৰী মহোদয়ৰ সন্মুখত ১০০০০ নাচনিয়ে ১০০ কোটি টকা নাচিব। গতিকে এইটো হ'ল নৱজাগৰণ তিনি। এতিয়া এই পেপাৰ লিকটো যদি Guinness book of world record ত আহি যায় তেতিয়াহ'লে এইটো নৱজাগৰণ চাৰি হৈ যাব। এতিয়া শান্তিৰ অসম। মাননীয় অধ্যক্ষ মহোদয়, দুই নম্বৰ যিটো তেওঁলোকৰ টেগ লাইন সেইটো শান্তিৰ অসম। শান্তিৰ অসমত এই চৰকাৰৰ দিনত এনকাউণ্টাৰ হৈছে ১৭৬ টা, এনকাউণ্টাৰত মৃত্যু হৈছে ৬১ জনৰ, এনকাউণ্টাৰত আঘাতপ্ৰাপ্ত হৈছে ১৪৫ জনৰ। অৰ্থাৎ ভুৱা এনকাউণ্টাৰ হ'ল বি জে পি চৰকাৰৰ নীতি। নাৰীৰ বিৰুদ্ধে অপৰাধত ভাৰতবৰ্ষৰ ভিতৰত অসম চৰকাৰ ১ নম্বৰ। শিশুৰ বিৰুদ্ধে অপৰাধৰ ক্ষেত্ৰত এই চৰকাৰ ভাৰতৰ ভিতৰত নৱম স্থানত। কৃষকৰ আত্মহত্যা আচৰিত ধৰণে ২০১৯ চনত ২৬ জন কৃষকে আত্মহত্যা কৰিছিল, ২০২০ চনত ১২ জন আৰু ২০২১ চনত ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ অহাৰ পিছত ১৫৩ জন কৃষকে আত্মহত্যা কৰিছে। এইটো লোকসভাৰ উত্তৰ। গুৱাহাটীত অপৰাধ কি ধৰণে বৃদ্ধি পাইছে। ২০২০ চনত ৫২ টা হত্যা হৈছিল আৰু ২০২২ চনত হ'ল ৭২ টা। ২০২০ চনত ধৰ্ষণ হৈছিল ৩৯ টা আৰু এইবাৰ ২০২২ চনত ৬২ টা ধৰ্ষণ হ'ল। যৌতুক জনিত হত্যা ২০২০ চনত হৈছিল ২ টা এইবাৰ ২০২২ চনত ১১ টা এনেকুৱা ধৰণৰ ঘটনা সংঘটিত হ'ল। এইয়াই হ'ল তেওঁলোকৰ নৱজাগৰণ, শান্তিৰ অসম। মুঠতে বি জে পি চৰকাৰে উচ্ছেদ, বুলডজাৰ আৰু এনকাউণ্টাৰৰ বিনিময়ত অসমলৈ শান্তি আনিবলৈ জোৰদাৰ প্ৰচেষ্টা চলাই থকা দেখিবলৈ পোৱা গৈছে। সাংঘাটিক ধৰণৰ তেওঁলোকৰ নৱজাগৰণ, এইয়ে হ'ল তেওঁলোকৰ শান্তিৰ অসম। অসমৰ কোনো মানুহে শান্তিত থাকিব নোৱাৰে। দুখীয়া মানুহৰ ঘৰ কোন সময়ত গৈ উচ্ছেদ কৰে, কোনো সংখ্যালঘু মানুহ শান্তিত থাকিব নোৱাৰে। ধৰ্মৰ ভিত্তিত তেওঁলোকক উচ্ছেদ কৰিব নোৱাৰে। সংখ্যালঘু মানুহ বিলাকক এই চৰকাৰে দ্বিতীয় শ্ৰেণীৰ নাগৰিকত পৰিণত কৰি দিছে। সকলোকে কয় এইখন হয় তেওঁলোকৰ শান্তিৰ অসম। প্ৰগতিৰ অসমত প্ৰসুতিৰ মৃত্যুৰ হাৰত অসম ভাৰতবৰ্ষৰ ভিতৰত ১ নম্বৰত। জন্মতে শিশুৰ মৃত্যুৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ ভিতৰতে অসম ৩ নম্বৰত আৰু বহনক্ষম মূল্যায়ণ যিটো সূচাংক, নাতি আয়োগে

যিটো উলিয়াইছে য'ত ক্ষুধাৰ কথা কৈছে খাবলৈ নোপোৱা মানুহৰ ক্ষেত্ৰত অসম ভাৰতৰ ভিতৰত ৬ নম্বৰত, দৰিদ্ৰতাৰ ক্ষেত্ৰত ৭ নম্বৰত, স্বাস্থ্যৰ ক্ষেত্ৰত একেবাৰে তলৰ পৰা ১ নম্বৰত আৰু শিক্ষাৰ ক্ষেত্ৰত তলৰ পৰা ৫ নম্বৰত।

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিহুটো যে তাচ্ছিল্যৰ সুৰত কৈছে এইটো উইদ্ৰ কৰিব লাগে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি অসমৰ গড় জনমূৰি আয় ৮৬,৮৫৭। অথচ আটাইতকৈ উন্নত ৰাজ্যখনৰ জনমূৰি আয় ৪,৩১,৩৫১। আজি অসমৰ মানুহ বাহিৰলৈ ওলাব নোৱাৰে। ভয় খায় থাকে ক'ত গৈ টেক্স ভৰিব লাগে। মটৰ চাইকেল এখন চলাই যাব নোৱাৰে কৰৰ সন্ত্ৰাসত। এই চৰকাৰে ২০১৯ চনত ১০ কোটি টকা কৰৰ পৰা এনেকৈ পৰিবহন আইন ভংগ কৰাৰ ওপৰত তুলিছে আৰু ২০২২ চনত ৬৩ কোটি টকা তেওঁলোকে তুলিছে। বিদ্যুৎ মাচুলৰ ক্ষেত্ৰত অসম ভাৰতবৰ্ষৰ ভিতৰত ৬ নম্বৰত। গতিকে এই মূহুৰ্ত্তত আমি স্পষ্টকৈ ক'ব খোজো আমি ৰাজ্যপালৰ এই ভাষণৰ যি বক্তব্য এই বক্তব্যৰ আমি বিৰোধিতা কৰি হিমন্ত বিশ্ব চৰকাৰৰ দিনত অসমক যি অৱস্থালৈ লৈ গৈছে ইয়াক আমি অগ্নি কবি কমলাকান্ত ভট্টাচাৰ্য্যৰ বক্তব্যৰে কৈছো

> "ধিক অসমীয়া মানুহ নহয়
> অসম শ্মশান নোহে কোনে কয়।"
> ধন্যবাদ। জয় আই অসম
> ইন ক্লাব জিন্দাবাদ।।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সদন ১৫ মাৰ্চ, ২০২৩ তাৰিখৰ ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।